# প্ৰান্তিক

ভাৰত জনবিজ্ঞান যাত্ৰা

## প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিৰ বয়স



# বেগন স্প্ৰে কৰাৰ উত্তম সময় হৈছে.......দৃষ্টি গোচৰ হোৱাৰ আ গতেই।

এটা মাত্ৰ পঁইতাচোৰাক সাৰি যাবলৈ দিয়ক চাব আপুনি গম পোৱাৰ আগতেই আপোনাৰ ঘৰ সিহঁতৰ কবলত।

ভাবিলেই ঘিণ লাগি যায়। নহয়নে? বিশেষকৈ যেতিয়া আপুনি পঁইতাচোৰাই এৰি থৈ যোৱা লানি নিচিগা বীজাণুকলৈ চিন্তিত-যি আপোনাৰ খাদ্য আৰু কাঁহীবাটি দূষিত কৰি পেলায়। যাৰ ফলস্বৰূপে প্ৰায়ে টাইফইদ্, 'গেচট্ৰ'এনটাৰাইটিচ আৰু 'ফুদ্পইজনিং'হোৱা দেখা যায়।

পঁইতাচোৰাৰ উৎপাত বৃদ্ধি পোৱালৈ বৈ আছে কিয়?

ৰান্ধনিঘৰত বেগন সপ্তাহত এবাৰকৈ স্প্ৰে কৰক। অৱশ্যে কিছুমান ঠাইত যেনে কাঁহীবাটি ধোৱা ঠাই, স্নানৰ পেলোৱা বাকচ, আৰু পানীপতা আদিত সদায় স্প্ৰে কৰা উচিত।




ঘৰটোৰ বাকীবোৰ অংশ, য'ত সদায় বেগন স্প্ৰে কৰা উচিত, হ'ল গা-ধোৱা ঘৰ, পৰ্দ্দাৰ পাচফাল আৰু আচবাব পত্ৰৰ তলত।

আৰু আপুনি দেখিব যে পঁইতাচোৰা থকা আৰু বংশবৃদ্ধি কৰা ঠাইবোৰ সিহঁতৰ বাবে চিৰদিনলৈ বন্ধহৈ গৈছে।

ই বো দুৰকাৰক।

মহ উৰহ আৰু আন ঘৰুৱা কীটৰ পৰা আপোনাৰ ঘৰখন ৰক্ষা কৰিবৰ বাবে আপোনাক মাত্ৰ প্ৰয়োজন বেগন স্প্ৰে।

বেগন স্প্ৰে নিয়মিয়াকৈ ব্যৱহাৰ কৰক আৰু আপোনাৰ বাবে দেখিবলৈ পোৱাটো প্ৰায় অসম্ভৱ হৈ পৰিব এটা.................চে ঃ! কিবা আছিল নামটো?

২৫০ মি. লিটাৰৰ সবু পেকেটতো পোৱা যায়।

BAYER

বেগন স্প্ৰে




Trikaya B.S. 2.87 ASM



# প্ৰান্তিক

ষষ্ঠ বছৰ ২২শ সংখ্যা ১৬—৩১ অক্টোবৰ '৮৭ | মূল্য চাৰি টকা

ডাকঘৰ ঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

আমি ভাৰতীয় বুলি এটা শব্দ ব্যৱহাৰ কৰোঁ; কিন্তু ভাৰতীয় বুলি এটা জাতি আৰু এটা ভাষা আছেনে? ভাৰতত কিয় আঞ্চলিক দলৰ ৰাজনীতিয়ে গা কৰি উঠিছে? এখন ৰাজ্যৰ এটা আঞ্চলিক দলৰ সমস্যা আৰু উদ্দেশ্য অইন এখন ৰাজ্যৰ আঞ্চলিক দলৰ লগত নিমিলে। এনে অৱস্থাত দেশখনৰ ৰাজনীতিয়ে কি ৰূপ ল'ব?

**দিলীপ কুমাৰ মহন্তৰ** আলোচনা
**আঞ্চলিক ৰাজনীতি, ৰাষ্ট্ৰীয় ৰাজনৈতিক বিকল্প আৰু অসম**

শিৱসাগৰৰ কুঞ্জিবালিৰ **গুৰুপ্ৰসাদ বৰঠাকুৰে** ১৯২৯ চনত নাঙলৰ মুঠিত ধৰি খেতি কৰিবলৈ আৰম্ভ কৰিছিল। সুদীৰ্ঘ কাল প্ৰত্যক্ষ অভিজ্ঞতা অৰ্জন কৰি কৃষিকৰ্মত জ্ঞানী আৰু কৃতকাৰ্য হোৱা এই গৰাকী "বিপ্লৱী" কৃষকৰ লগত হোৱা সাক্ষাৎকাৰ। সাক্ষাৎকাৰ গ্ৰহণ কৰিছে **ৰাজেন্দ্ৰ কুমাৰ চৌধুৰী** আৰু **যোগানন্দ গোস্বামীয়ে।**

অসমৰ হাতীদাঁত শিল্পৰ জীয়াই থকাৰ যোগ্যতা আছেনে নাই? দক্ষিণ ভাৰতৰ হাতীদাঁত শিল্পই যে সংশ্লিষ্ট চৰকাৰৰ পৰা হাতীদাঁতৰ নিৰ্দিষ্ট ক'টা পায়, অসমৰ শিল্পটোৱে নাপায় কিয়? বৰপেটাৰ হাতীদাঁতৰ শিল্প সামগ্ৰীয়ে দক্ষিণৰ লগত ফেৰ মাৰিব নোৱাৰে?

**গণেশ দাসৰ** প্ৰবন্ধ ঃ **মৃত্যুৰ মুখত অসমৰ হাতীদাঁত শিল্প**

**ডিব্ৰুগড় চহৰখনক ব্ৰহ্মপুত্ৰই বৰ্তমানৰ ৰূপত থাকিবলৈ দিবনে?**
**ভুবন বৰুৱাৰ** পৰ্যালোচনা।

**পদাৰ্থৰ ক্ষুদ্ৰতম ৰূপ—কোৱাৰ্ক ঃ**
**ড° দিলীপ কুমাৰ চৌধুৰী**

## এই সংখ্যাত

এই পৃথিৱীক আণৱিক বিভীষিকাৰ পৰা মুক্ত কৰাৰ অৰ্থে ছোভিয়েট ইউনিয়ন আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মাজত এক ঐতিহাসিক চুক্তি হোৱাৰ বাট পুনৰ মুকলি হৈছে। ইতিমধ্যে দুয়োখন দেশেই মধ্যম দূৰত্বৰ আণৱিক ক্ষেপণাস্ত্ৰসমূহ নিষ্ক্ৰিয় কৰি পেলাবলৈ সন্মত হৈছে।

বিশ্ব পৰিক্ৰমাত **ড° সুনীল পৱন বৰুৱাৰ** প্ৰবন্ধ ঃ
**ছোভিয়েট-মাৰ্কিন প্ৰস্তাৱ ঃ নতুন দিনৰ প্ৰতিশ্ৰুতি** ।১২।

নিৰ্ধাৰিত বয়সৰ মানসিক যোগ্যতা, পৰিপক্কতা, বিকাশৰ ধাৰা আৰু গতিবেগ স্থিৰ কৰিহে উন্নত দেশবোৰত ব্যক্তিৰ বিভিন্নতাৰ ভিত্তিত শিক্ষাৰ ব্যৱস্থা কৰা হয়। আনহাতে আমাৰ দেশত শিক্ষাৰ প্ৰায়বোৰ কথাই অনুমানৰ ওপৰতে স্থিৰ কৰা হয়। পঠন-পাঠনৰ বিষয়বস্তু, পদ্ধতি, মূল্যায়ন আদি সকলো কথাই অনুমানৰ ওপৰত প্ৰতিষ্ঠিত হৈছে। অনুমানৰ ওপৰতে নাম লগোৱা বয়সো বান্ধি দিয়া হৈছে।

**ড° হৰেন শৰ্মাৰ** প্ৰবন্ধ ঃ
**প্ৰাথমিক বিদ্যালয়ত নাম লগোৱাৰ বয়স আৰু শিকনৰ অগ্ৰগতি** ।১৭।

শিক্ষক,—মোৰ মানত শিক্ষক এজনেই,—তেওঁ লাগিলে প্ৰাথমিক বা মাধ্যমিক বিদ্যালয়ৰে হওক, নতুবা মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰে হওক। শিক্ষকৰ এটাই গোষ্ঠী, এটাই জাত, এটাই ধৰ্ম—শিক্ষকতা। ...কিন্তু আজীৱন শিক্ষকতাৰ কালছোৱাতে মই কি আদৰ্শ দেখুৱালো? আদৰ্শ শিক্ষক হৈ যদি উপযুক্ত শিক্ষাদানেৰে ছাত্ৰ-ছাত্ৰীহঁতক মানুহ কৰিব পাৰিলোহেঁতেন তেন্তে সেই ছাত্ৰ-ছাত্ৰীয়েই মানুহ হৈ গঠন কৰা বৃহৎ সমাজখনে, মন্ত্ৰী-বিধায়ক-নেতৃবৃন্দই শিক্ষকজনক এনেকৈ অৱজ্ঞাৰ চকুৰে চাব পাৰেনে?

**এজন শিক্ষকৰ আত্মগ্লানি ঃ ড° গোলোক চন্দ্ৰ গোস্বামী** ।২০।


পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৮। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।১০। বিশ্ব পৰিক্ৰমা ।১২। বিজ্ঞান ।১৪। প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিৰ বয়স ।১৭। এজন শিক্ষকৰ আত্মগ্লানি ।২০। বাটৰ বাৰমিহলি ।২২। আমেৰিকাৰ চিঠি ।২৮। ঘণ্টাটো কোনে বজাব ।৩০। দৈনন্দিন ।৩২। গল্প ।৩৬। কবিতা ।৩৯। উপন্যাস ।৪০। অসমীয়া ভাষা শিকা আৰু কোৱা ।৪৪। কলা-সংস্কৃতি ।৪৫। ক্ৰীড়াংগন ।৪৮। শেষ পৃষ্ঠা ।৫০।


বেটুপাতৰ ৰঙীন ছবি ঃ দীপক বেজবৰুৱা


মুখ্য সম্পাদক ঃ ড° ভবেন্দ্ৰনাথ শইকীয়া

নিবন্ধকাৰ ঃ কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * গণেশ দাস * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

সহকাৰী সম্পাদক ঃ ইমৰান হুছেইন

অংগ সজ্জা ঃ দেৱানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা আলোকচিত্ৰ ঃ দীপক বেজবৰুৱা

মুদ্ৰাংকন ঃ ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ

প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Vol VI No. 22. 16—31 October '87

*Prantik*
The Assamese Fortnightly

P.O. Silpukhuri, Guwahati—781003 Phone: 28751


CKDISC

## অনুকৰণ— ইপিঠি আৰু সিপিঠি

প্ৰায় দুশ বছৰ কাল জুৰি ভাৰতবৰ্ষ শাসন কৰা ইংৰাজ জাতিৰ লোকসকলৰ কিছুমান বৰ প্ৰশংসনীয় গুণ আছিল। এক সুদীৰ্ঘ কাল প্ৰশাসনত থকা বাবেই হয়তো তেওঁলোকৰ অনেক আদব-কায়দা, চাল-চলনৰ গতি-বিধি, আচাৰ-ব্যৱহাৰৰ ৰীতি স্বতঃস্ফূৰ্তভাৱেই হওক বা আৰোপিতভাৱেই হওক ভাৰতীয় লোকৰ জীৱনধাৰাত ওতপ্ৰোত-ভাৱে সাঙোৰ খাই পৰিল অথবা ভাৰতীয় লোকে সেইবোৰ আহৰণ কৰি লবলৈ সক্ষম হ'ল। তাৰে বহুখিনি আজিও আমাৰ দৈনন্দিন জীৱনৰ লগত নিবিড়ভাৱে জড়িত; —বিশেষকৈ নগৰীয়া জীৱনত। ইংৰাজসকলৰ কিছুমান অত্যাৱশ্যকীয় গুণ বা ৰীতি কিন্তু আমি আহৰণ কৰি লব নোৱাৰিলোঁ। সেইবোৰ হ'ল— সততা, নৈতিকতা, কৰ্তব্য পৰায়ণতা, সময়-নিষ্ঠা, শিষ্টাচাৰ আদি। প্ৰণিধানযোগ্য কথা হ'ল— এইবোৰৰ প্ৰত্যেকটোৰেই ব্যক্তি বিশেষৰ, একোখন সমাজৰ, এটা জাতিৰ বা এখন দেশৰ প্ৰকৃত চৰিত্ৰ প্ৰতিফলিত কৰিব পৰা শক্তি আছে।

এই দৰকাৰী গুণবোৰ আমি কিয় আয়ত্ত কৰি লব নোৱাৰিলোঁ? তাৰ কাৰণ আমাৰ জাতীয় দুৰ্বলতা, আজন্ম দুৰ্নীতিগ্ৰস্ত পৰিবেশৰ শক্তিশালী প্ৰাচীৰ নে সংগুণৰ প্ৰতি স্বাভাৱিক অনীহা?

মটৰেৰে গৈ ৰেলৰ প্ৰথম শ্ৰেণীৰ ভ্ৰমণ বানচ আদায় কৰিবলৈ, নিজ স্বাৰ্থত আঘাত পৰাৰ বাবে অশুভ কাম কৰিবলৈ, কৰ্তব্য পালনত হেমাহি কৰিবলৈ আমি অকণো কুণ্ঠাবোধ নকৰোঁ কিয়? "চাৰি বজাত সময় দিছে যেতিয়া সভাখন চাৰে চাৰিমান বজাতহে আৰম্ভ হ'ব চাগৈ"— লেখীয়া ভাবটো প্ৰথমেই আমাৰ মনলৈ আহে কিয়? অথবা আহ্বায়কসকলে সভাৰ কাম সময়মতে আৰম্ভ কৰিব নোৱৰা সত্বেও সময়নিষ্ঠ উপস্থিত ব্যক্তিসকলৰ ওচৰত যথা সময়ত ক্ষমা বিচৰাৰ সৎ সাহসকণ গোটাব নোৱাৰে কিয়? অথবা বাৰান্দাৰে আহি থকা ছাত্ৰ-ছাত্ৰীৰ সমদলটোৰ মুখামুখি হ'লে শিক্ষক-জনেহে একাষৰীয়া হৈ বাট এৰি দিব লগীয়া হয় কিয়? —সুৰেণ তালুকদাৰ, প্ৰবক্তা, কটন মহাবিদ্যালয়, গুৱাহাটী

## কোমোৰা বেপাৰীৰেই মৰণ!

আপোনাৰ তিনিশ টকীয়া ঘড়িটো বন্ধ হৈ আছে! কাণৰ কাষলৈ নি দুবাৰমান জোকাৰি দিলে ছেকেণ্ডৰ কাঁটাডাল দুপাকমান ঘূৰি আকৌ বন্ধ হৈ থাকে। আপুনি ভাবিছে, কিমাননো পৰিব চাগৈ, বৰ বেছি ২০-২৫ টকা! সেইকেইটা টকাৰ কাৰণে ঘড়িটো পেলাই থবনে আৰু! কিন্তু দোকানত মেৰামতি কৰিবলৈ দিয়াৰ পাছত আপুনি বুজিলে, মুঠ পঁচাশী টকা পৰিবগৈ। ঘড়িটো আচলতে বা কিমান বেয়া হৈছিল আপুনি নাজানে। বেয়া হোৱা পাৰ্টছবোৰ কিনিবলৈ কোনটোত কিমান টকা লাগে সেই বিষয়েও আপুনি ধাৰণা কৰিব নোৱৰাটোৱেই স্বাভাৱিক। গতিকে সেই পঁচাশী টকাৰ ৰহস্য আপুনি ভেদ কৰিব নোৱাৰে।

দুদিনৰপৰা ৰেডিঅ'টোৱে অদ্ভুত শব্দ একোটা কৰে। 'ছেণ্টাৰ' ঘূৰোৱা চাবিটো আপুনি এমূৰৰপৰা আনটো মূৰলৈ পকাই যাওক, সেই ঘেৰ-ঘেৰ-ঘেৰ-ঘেৰ শব্দ। এদিন ৰেডিঅ'টো মেৰামতিৰ বাবে নিয়া হ'ল। কিমান টকাৰ 'বিল' হল? সিমান টকা কেনেকৈ হ'ল? অমুকটো ডেমেজ হৈ আছে, তমুকটো ক্ষয় গৈ গৈ একেবাৰে নাইকিয়া হ'ল,— ইত্যাদি। এইবোৰ মিছা বুলি আপুনি সন্দেহ কৰে কেনেকৈ? বিশ্বাস কৰে কেনেকৈ?

মেৰামতিৰ ব্যৱসায় কৰা সকলৰ এক-বুজন অংশই এইটো সুযোগ লৈ ধন ঘটিছে। (লুটিছে!)।

কোমোৰা বেচিবলৈ অহা মানুহটোৱে বিছ পইচা বেছিকৈ নিব খুজিলে আমি জাঙুৰ খাই উঠোঁ; কিন্তু কেইবাখনো বিছটকীয়া নোট আমাৰ হাতৰ মাজেৰে কেৱল নিজৰ অজ্ঞতাৰ বাবেই সৰকি গৈ আছে। —অতনু ভট্টাচাৰ্য গোৱালপাৰা

## সাহাৰ্য্যই ভৰি ভাঙিলে

যোৱা ১৪ আগষ্টৰ কথা। মাজুলীত প্ৰলয়ংকাৰী বানপানী হোৱাৰ বাবে হেলিকপ্টাৰে সাহায্য-সামগ্ৰী বিতৰণ কৰে। বিশেষকৈ চাউলহে বেছিকৈ বিতৰণ কৰা আমি দেখিবলৈ পাইছোঁ। সেইদিনা দুপৰীয়া ১২ মান বজাত এখন হেলিকপ্টাৰে ঘূৰি ঘূৰি আকাশৰ পৰাই ২০ কেজি ওজনৰ চাউলৰ বস্তা মাটিত পেলায়। চাউল পৰা দেখি এজন ল'ৰাই দৌৰি চাউল আনিবলৈ যোৱাত তেওঁৰ গাতে এটা বস্তা পৰে। ফলত ল'ৰাজনৰ হাতৰ বাউসী আৰু ভৰি ভাগে। বৰ্তমান তেওঁ চিকিৎসাধীন হৈ আছে। আকৌ সেইদিনাই অন্য এঠাইত সেই একেদৰে বানপানী হোৱাৰ বাবে ৰাস্তাৰ্ত ৰখা কিছুমান গৰুৰ ওপৰতে ২০ কেজি ওজনৰ চাউলৰ বস্তা পেলাই দিয়াৰ ফলত ৪-৫ টা মান গৰুৰ পিঠি আৰু ভৰি ভাগি যায়।

তদুপৰি হেলিকপ্টাৰে যিখিনি চাউল ওপৰৰ পৰা বিতৰণ কৰিলে সেইখিনিৰ বেছিভাগ পানীতহে পৰা আমি দেখিবলৈ পাইছোঁ। আমি আশা কৰোঁ,—ভৱিষ্যতে যেন সাহায্যই এনে ক্ষতি নকৰে।

—প্ৰশান্ত শৰ্মা, মাজুলী

## টোৱাং অভিযান

"মেকমাহন লাইনৰ ইপাৰে সিপাৰে" বুলি প্ৰান্তিকত শ্ৰীঘনশ্যাম পৰদেশীয়ে লিখা বিশেষ প্ৰবন্ধটো (১৬।৭।৮৬) কালি মোৰ চকুত পৰিল। তাত লিখা এটা ঐতিহাসিক তথ্য ভুল। সেইটো হল টোৱাং অভিযান। শ্ৰীপৰদেশীয়ে যদি ১৯৫১ চনত মেজৰ খাটিঙে টোৱাং ভাৰতৰ অন্তৰ্ভুক্ত কৰা বুলি তথ্য পৰিবেশন কৰে, তেন্তে চীনৰ, ওচৰত ভাৰত জগৰীয়া হ'ব। কথাটো প্ৰকৃততে এনেকুৱাঃ

বালিপাৰা সীমান্ত ভূভাগ ইংৰাজৰ শাসনত "ৰাজনৈতিক" তত্বাৱধানত আছিল। চাৰিদুৱাৰত এজন "পলিটিকেল অফিছাৰ" আৰু ওচৰেৰে লোক্ৰাত পঞ্চম অসম ৰাইফলছ বাহিনী ৰাখি শাসন চলাইছিল। মই ১৯৩৪ চনৰে পৰা "ষ্টেটছমেন" কাকতৰ তেজপুৰৰ সংবাদদাতা আছিলোঁ। তেতিয়া ১৯৩৫ চনৰ এপ্ৰিলত চাৰিদুৱাৰত থকা পলিটিকেল অফিছাৰ মেজৰ ব্ৰাউনে ৫ম অসম ৰাইফলছৰ ১৫০ জনীয়া খণ্ড বাহিনী এটাৰ নেতৃত্ব কৰি টোৱাং অভিমুখে যাত্ৰা কৰে; কাৰণ তেওঁ টোৱাঙৰ প্ৰাকৃতিক দৃশ্য মনোমোহা বুলি তথ্য পাইছিল। তেওঁ বাট কটাই, পদাতিক যোগনিয়াৰৰ শাৰী পতাই ৰচদ-পাতিৰ যোগান ধৰা আৰু দিনে-দিনে চাৰিদুৱাৰ সদৰলৈ বতৰা পঠিওৱাৰ ব্যৱস্থা কৰিছিল।

মেজৰ ব্ৰাউনে নিজ হাতে পেনছিলেৰে লিখা টোৱাং অভিযানৰ ডায়েৰি কটকীৰ হাতেৰে তেওঁৰ কাৰ্যালয়ৰ বৰকেৰাণী স্বৰ্গীয় গোবিন্দ চন্দ্ৰ গোস্বামীলৈ পঠাই আছিল আৰু গোস্বামীয়ে টাইপ কৰাই অসমৰ ইংৰাজ ৰাজ্যপালক মুখ্য সচিবৰ জৰিয়তে অৱগত কৰাই আছিল।

ষোলহাজাৰ ওখ গিৰিসংকট (যাক চে-লা পৰ্বতৰ মাজেদি যোৱা কাৰণে চে-লা পাছ বোলা হয়) পাৰ হৈ তেওঁ দুখন মনপা গাঁও পায়। প্ৰথমখন আজি ওপৰ টোৱাং আৰু গুম্ফাৰ চৌদিশে অৱস্থিত খনৰ নাম টোৱাং। গুম্ফাটো আৱৰি থকা গাঁও-খনৰ মাজেদি বৈ যোৱা স্ফটিকজলৰ নৈখনৰ দুয়োপাৰে চিৰবসন্তৰ মনোমোহা ফুলনি, সেউজীয়া বননি আৰু নাতিশীতোষ্ণ জলবায়ুৰে পৰিবেষ্টিত উপত্যকাটোৰ মেজৰ ব্ৰাউনে কবিত্বসুলভ বিৱৰণ দি যিবোৰ প্ৰতিবেদন পঠাইছিল, ভিতৰ বিশ্বাসত গোস্বামীয়ে সেইবোৰ মোক পঢ়িবলৈ দিছিল। তাৰে ভিত্তিত মই "টোৱাং এক্সপিডিশ্যন" শীৰ্ষক এক স্তম্ভ জোৰা এটা বাতৰি ১৯৩৫-৩৬ চনৰ কোনোবা এটা সংখ্যা ষ্টেটছমেনত পৰিবেশন কৰিছিলোঁ। কোনোবাই চাব খুজিলে কলিকাতাৰ ষ্টেটছমেন কাৰ্যালয়ত পাব।

মেজৰ ব্ৰাউনে টোৱাং গুম্ফাৰ চাৰিওফালে এখন শান্ত, সুপ্ত আৰু বিশ্বৰ কোনো সংঘাতৰ দ্বাৰা অপ্ৰভাৱিত মনপা গাঁও পাইছিল। তাত কোনো ৰাজনৈতিক প্ৰশাসন নাছিল। লাছাত থকা দলৈ লামাৰ ধৰ্মীয় অনুশাসনত "ত-হাই" লামাই টোৱাং আৰু তাবৎ ভূখণ্ডৰ ওপৰত কৰ্তৃত্ব (সিও ধৰ্মীয়হে) চলাইছিল। মেজৰ ব্ৰাউনে কোনো বাধা পোৱা নাছিল।

তিব্বত, ভোটৰাজ্য আৰু ভাৰতৰ ত্ৰিসংগম সংলগ্ন টোৱাং উপত্যকা ১৯৩৫ চনতে ইংৰাজে বালিপাৰা সীমান্ত ভূভাগৰ ভিতৰ সুমুৱাই লৈছিল। ভাৰত স্বাধীন হোৱাৰ পাছত মেজৰ খাটিঙে টোৱাং ভাৰতত সুমুৱাই লোৱা বুলি ক'লে, ইতিহাস ভুল হ'ব আৰু ৰাজনৈতিক জটিলতা বঢ়োৱা হ'ব। ভাৰত ১৯৪৭ চনত স্বাধীন হৈছিল। নিজৰ অখণ্ডতা ভংগ কৰি পাকিস্তানক দুইখণ্ড এৰি দিয়া হৈছিল। কাশ্মীৰ আৰু আকচাই চীনত বিৰাট ভূখণ্ড ভাৰতে হেৰুৱাইছে। নিজৰ ঘোষণামতে পৰৰ অঞ্চল দখল কৰি লোৱা নাই। টোৱাং ১৯৩৫ চনৰে পৰা নিশ্চিতভাৱে ভাৰতৰ অংশ হৈ আছিল। অন্যৰ পৰা শুনা মতে শ্ৰীপৰদেশীয়ে লিখা কথাৰ সংশোধন হোৱা উচিত। —ডঃ পূৰ্ণনাৰায়ণ সিংহ, তেজপুৰ

## মৃগী আৰু হাঁপানিৰ বিখ্যাত চিকিৎসক?

আজি কেইবছৰমানৰ পৰা অসমৰ প্ৰায় প্ৰতি মহকুমাতে প্ৰতিমাহৰ বিভিন্ন তাৰিখত লক্ষ্ণৌৰ আয়ুৰ্বেদিক ডাক্তৰ দুজনে মৃগী আৰু হাঁপানি বেমাৰৰ ভুৱা চিকিৎসা কৰি ৰোগীৰ পৰা বহুত টকা লৈ আছে। মই নিজে এজন তেনে বেমাৰীক তেখেতসকলৰ হতুৱাই চিকিৎসা কৰাইছিলো। প্ৰথমতে তেখেতসকলে ১৫ মাহৰ ভিতৰতে ভাল হ'ব বুলি কৈ পাছত সেই সময় ৩ বছৰলৈ বঢ়ালে। তাৰ পাছত ৫ বছৰলৈ। আৰু ৫ বছৰৰ পাছত এতিয়া "দৰৱ খুৱাই থাকক, ভাল হ'ব বুলি কয়। সেই সময়ছোৱাৰ ভিতৰুত আৰু কিছুমান তেনে বেমাৰীক লগ পাইছোঁ; তেওঁলোকৰ অৱস্থাও মই দেখুউৱা বেমাৰীৰ দৰেই একে।

ডাক্তৰসকলে কাণ ফুটাই তাৰ বাবদ ২০ টকা লয় আৰু মাহে-মাহে ৬০ টকাৰ দৰৱ তেখেতসকলৰ পৰাই কিনি আনিব লাগে। এইদৰে বহুত ধন এই ভুৱা চিকিৎসকসকলে ৰাইজৰ পৰা লৈ আছে।

এই বিষয়টো আপোনাৰ কাকতত প্ৰকাশ কৰি ৰাইজক সতৰ্ক কৰাৰ উপৰিও স্বাস্থ্য বিভাগৰ মন্ত্ৰীমহোদয়ক তদন্ত তথা বিহিত ব্যৱস্থা লবৰ বাবে অনুৰোধ জনালোঁ।

—আজিমুদ্দিন আহমেদ,
অৰ্জুনগুৰি গাঁও শিৱসাগৰ

## যাদৃশী ভাবনা যস্য…

অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা অনুমোদিত 'সুবোধ-সংস্কৃত-পাঠঃ' নামৰ পুথিখন অষ্টম শ্ৰেণীৰ এখন সংস্কৃত পাঠ্য-পুথি। এই পুথিখনৰ 'নীতিমালা' নামৰ পাঠটিত সন্নিৱিষ্ট শ্লোক এটিৰ অৰ্থ এনেকুৱাঃ 'মন্ত্ৰ, তীৰ্থ, ব্ৰাহ্মণ, দেৱতা, দৈবজ্ঞ ব্ৰাহ্মণ, দৰৱ আৰু গুৰুৰ ওচৰত যিয়ে যিধৰণে বাঞ্ছা কৰে, তেওঁৰ সেই ধৰণে সিদ্ধি হয়।' এই শ্লোকটিৰ জৰিয়তে 'বিশ্বাসে মিলয় হৰি' জাতীয় নীতিজ্ঞান পাব পাৰি; কিন্তু আজিৰ ছুপাৰ কম্পিউটাৰৰ যুগত এনে নীতিজ্ঞানৰ গ্ৰহণযোগ্যতা টুটি আহিছে। শ্লোকটিত 'দ্বিজ' আৰু 'দৈবজ্ঞ' শব্দ দুটা ক্ৰমে জ্ঞানীজন আৰু দুৰদৰ্শী পণ্ডিতজনক বুজাবলৈ ব্যৱহাৰ কৰাটো সম্ভৱ। সৰহভাগ শিক্ষকে কিন্তু ইয়াৰ পোনপটীয়া অৰ্থহে কৰে। অষ্টম শ্ৰেণীৰ ছাত্ৰৰ পক্ষে শব্দ দুটাৰ তাত্বিক অৰ্থও সহজবোধ্য নহয়। ফলত, দ্বিজ-দৈবজ্ঞ সম্প্ৰদায়ৰ লোকসকল অলৌকিক শক্তি-সম্পন্ন লোক বুলিয়েই তেওঁলোকে শিকনি পায়। আনহাতে উক্ত শ্লোকৰ অৰ্থ অন্যান্য সম্প্ৰদায়ৰ বহু ছাত্ৰৰ বদ-হজম হয়।

কাজেই, উক্ত শ্লোকটি পাঠ্যকিতাপৰ পৰা অবিলম্বে আঁতৰাব লাগে।

—ৰাণীকান্ত চক্ৰবৰ্তী, (শিক্ষক)
উত্তৰ গুৱাহাটী

## হে'লথ গাইড ডাক্তৰ হ'ল

গাঁও অঞ্চলত বাস কৰা লোকসকলক বৈজ্ঞানিক চিকিৎসাৰ বিষয়ে অৱগত কৰাবলৈ চৰকাৰে এক বিশেষ আঁচনি গ্ৰহণ কৰিছে। এই উদ্দেশ্যে চিকিৎসা পদ্ধতিৰ সীমিত জ্ঞান প্ৰদান কৰি কিছুমান নিবনুৱা অল্প-শিক্ষিত যুবক-যুৱতীক একোটা নিৰ্ধাৰিত এলেকাৰ দায়িত্ব অৰ্পণ কৰা হয়। তেওঁলোকে সেই এলেকাটোৰ জনসাধাৰণক বিভিন্ন অসুখৰ বিষয়ে আৰু ল'বলগা সাৱধানতাৰ বিষয়ে জনাব লাগে; সেই অঞ্চলটোৰ কোনো লোকৰ অসুখ হ'লে প্ৰাথমিক চিকিৎসা আৰু পৰামৰ্শ প্ৰদান কৰি ওচৰতে থকা চিকিৎসালয়ত চিকিৎসা লোৱাবলৈ উৎসাহ যোগাব লাগে, এনে কাৰ্যই অশিক্ষিত ৰাইজক উৎসাহ যোগোৱাৰ উপৰিও একোজন লোকৰ জীৱন বচোৱাত সহায় কৰে। বৈজ্ঞানিক চিকিৎসা-পদ্ধতিৰ প্ৰতি আকৰ্ষিত কৰোৱাই একোজন হে'লথ গাইডৰ প্ৰকৃত কৰ্তব্য।

কিন্তু হে'লথ গাইড কিছুমানৰ বৰ্তমান কাৰ্যকলাপে গাঁও অঞ্চলত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। তেওঁলোকে অসুখৰ চিকিৎসাৰ ভাৰ নিজে গ্ৰহণ কৰি ৰোগীক প্ৰেছক্ৰিপশ্যন দিয়ে। কোনো কোনো ক্ষেত্ৰত তেওঁলোকে বেজী দিয়াৰ কথাও শুনা যায়। বিশেষকৈ মিছিং সম্প্ৰদায়ৰ অশিক্ষিত চামে এনে হে'লথ গাইডৰ পৰা চিকিৎসা গ্ৰহণ কৰে। এনে হে'লথ গাইডে ছিৰিঞ্জ একোটা কোনো প্ৰকাৰে সংগ্ৰহ কৰি গাঁও অঞ্চলত একধৰণৰ "চিকিৎসা" চলাই আছে। তেওঁলোকে গাঁৱত হয়তো নিজকে একোজন ডাক্তৰ বুলিহে পৰিচয় দিয়ে। এনে গাইডৰ কাৰ্যৰ বাবে গাঁও অঞ্চলত ভয়ানক দুৰ্ঘটনা ঘটাৰ সম্ভাৱনাই দেখা দিছে।

— প্ৰশান্ত কুমাৰ ভাগৱতী,
কমলাবাৰী, মাজুলী

## "অসম ৰেচম উদ্যোগ…"

ডঃ প্ৰবীণ বৈশ্যৰ "অসমৰ ৰেচম উদ্যোগ আৰু ৰেচম বিধেয়ক" (১৬।৮।৮৭) নামৰ প্ৰবন্ধটি পঢ়িলো। এই সন্দৰ্ভত আমি উজনি অসমৰ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাত মুগা পোহাৰ ক্ষেত্ৰত কিছুদিনৰপৰা দেখা দিয়া দুটামান সমস্যাৰ কথা উল্লেখ কৰিব খুজিছোঁ।

(১) দূষিত জলবায়ুঃ মুগা পুহিৰৰ বাবে এক অনুকূল বাতাবৰণৰ প্ৰয়োজন। বিভিন্ন উদ্যোগৰ কল কাৰখানাৰ পৰা ওলোৱা বিষাক্ত পদাৰ্থসমূহৰ বাবে প্ৰাকৃতিক পৰিবেশ নষ্ট হৈছে। শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাত গঢ় লৈ উঠা তেল উদ্যোগ মুগা উদ্যোগৰ শত্ৰু ৰূপে থিয় দিছে। দুয়োখন জিলাতে বিভিন্ন তেল খাদৰপৰা ওলোৱা গেছৰ দ্বাৰা বায়ুমণ্ডল দুষিত হৈছে আৰু

OKDISCD

মুগা পোহাৰ আগ্ৰহী লোকসকলক এই ঘটনাই চিন্তিত কৰিছে। ২৫/৩০ বছৰৰ আগেয়ে এখন (১০০০ টা মুগাক এখন বোলে) সচৌৰা মুগাৰপৰা ৮০ খনলৈকে (৮০ হাজাৰ) মুগা উৎপন্ন হোৱা দেখা গৈছিল। কিন্তু আজিকালি এখন মুগাৰপৰা ৫ খন মুগাও উৎপন্ন হোৱা দেখা নাযায়। পলু অৱস্থাতেই মুগাবোৰ মৰি যায়, অথবা কণীবিলাক নুফুটেই। ইয়াৰ মূল কাৰণ দূষিত জলবায়ু বুলিয়েই আমাৰ ধাৰণা।

(২) বাদুলিৰ উপদ্ৰৱ : ২৫/৩০ বছৰৰ আগতে নিশাচৰ প্ৰাণীৰ বিশেষ উপদ্ৰৱ নাছিল। সেই কাৰণে মুগা পোহা লোকসকলে দিনটো মুগা চোমনিত মুগাৰ প্ৰতিপাল কৰি নিশাটো ঘৰত জিৰণি লব পাৰিছিল। গতিকে এজন লোকেই পৰিয়ালৰ ল'ৰা-ছোৱালীৰ সহযোগিতাত মুগা পুহিব পাৰিছিল। কিন্তু আজিকালি বাদুলি আদি নিশাচৰ প্ৰাণীবিলাকৰ উপদ্ৰৱ ইমান বেছি হ'ল যে নিশাও চোমনিত মানুহ থাকিবলগীয়া হয়। গতিকে কেইবাজনো লোকৰ সহযোগিতাতহে এবাহ মুগা পুহিব পাৰি।

(৩) উদ্যোগটোৰ প্ৰতি অনীহা : মুগা উদ্যোগ দুৰ্দশাগ্ৰস্ত হোৱাৰ অন্যতম কাৰণ হ'ল উঠি অহা চামটোৰ উদ্যোগটোৰ প্ৰতি অনীহা। মুগা পোহাটো তেওঁলোকে লাজৰ কথা বুলি ভাবে। তেওঁলোকৰ ধাৰণা হয়তো এনেধৰণৰ : মুগা পোহাটো গাঁৱলীয়া অশিক্ষিত (?) শ্ৰেণীৰ এক পুৰণি বৃত্তি ; তেওঁলোকে ইয়াত কিয় হাত দিব ?

—ভৰত সন্দিকৈ, মথুৰাপুৰ

## সূত্ৰ, সংজ্ঞা ইত্যাদি

শিক্ষক : মাটিফুটি ওলোৱাকে উদ্ভিদ বোলে। বুজিছনে ল'ৰাহঁত ?

ল'ৰাহঁত : বুজিছোঁ ছাৰ।

শিক্ষক : উঁ, তেনেহ'লে তই ভাস্কৰে কচোন উদ্ভিদ কাক বোলে ?

ভাস্কৰ : মাটি ফুটি ওলোৱাকে উদ্ভিদ বোলে।

শিক্ষক : যেনে ?

ভাস্কৰ : যেনে কেঁচু ছাৰ।

শিক্ষক : কেঁচু ?

ভাস্কৰ : হয় ছাৰ, কেঁচুওতো মাটি ফুটি ওলায়।

শিক্ষক : হেৰ তোৰ মূৰত গোবৰ আছেনে কি ?

ভাস্কৰ : হয় ছাৰ।

শিক্ষক : হয় ছাৰ? সঁচাকৈয়ে গোবৰ আছে!

ভাস্কৰ : সিদিনাৰ পাঠত আপুনিয়েই কৈছিল নহয় ছাৰ গোবৰ এবিধ উৎকৃষ্ট সাৰ বুলি!

শিক্ষক : আও— ই দেখোন একেবাৰে···

ভাস্কৰ : ছাৰ, পানীত যে ওপঙি থাকে দল, পুনি, মেটেকা আৰু গছৰ ওপৰতে যে গজে কপৌফুল, ভাটৌফুল, আকৌ ৰংঘৰ-কাৰেংঘৰৰ ওপৰত যে গজে ঢেকীয়া শেলাই— সেইবোৰ উদ্ভিদ নহয় নে কি বাৰু ? সেইবোৰতো মাটিফুটি নোলায় !

শিক্ষক : হেৰৌ তোক সেইবোৰ কেলৈ লাগিছে ? কিতাপত কি লিখা আছে দেখা নাই গাধ ! ভালকৈ সূত্ৰটো মুখস্থ কৰ। কিতাপৰ মতেহে হ'ব বুইছ ? বেছি কথা ক'লে— চেকনি দেখিছ ? ভালে ভালে বহি থাক বুলিছোঁ নহয়।

ধেমেলীয়া হ'লেও ইয়াৰ মূল কথাটো কিন্তু কম মাৰাত্মক নহয়। পাঠ্য-পুথিৰ এনে ভুল সূত্ৰ কিছুমানে ভাস্কৰৰ দৰে অনুসন্ধিৎসু ছাত্ৰবোৰৰ কিমান ক্ষতিসাধন কৰে সেয়া সহজেই অনুমান কৰিব পাৰি। এই ক্ষেত্ৰত শতকৰা ৯৯ জন শিক্ষকৰে ভূমিকা এইজন শিক্ষকৰ দৰেই : "কিতাপত যি আছে সেই মতেহে।" এনে শিক্ষক আৰু পাঠ্যপুথি প্ৰণেতাসকলে ৪ৰ্থ শ্ৰেণীৰ ছাত্ৰ ভাস্কৰৰ পৰা শিক্ষা লোৱা উচিত।

—প্ৰবীণ শইকীয়া,
ভোগপুৰ চাৰিআলি, লক্ষীমপুৰ

## "পাটকাই"

বাস্তৱবাদী জ্ঞান প্ৰচাৰৰ বাবে ভাৰতীয় সমাজে কোনো দিন কিতাপ নিলিখিছিল। গতিকে কিতাপ পঢ়াৰ অভ্যাসো সেই সমাজৰ নাছিল ; এতিয়াও নাই। আমি জ্ঞান লভো শুনি। এই দৰে শুনি আহৰণ কৰা জ্ঞান আমি প্ৰচাৰ কৰাৰো হাবিয়াস কৰোঁ। ইয়াৰ দ্বাৰা সমাজত ভুল কথা প্ৰচাৰিত হয়। ভুল কথাৰ প্ৰচাৰে বৈজ্ঞানিক চিন্তাধাৰা ভ্ৰষ্ট কৰি, সমাজৰ বিশেষ ক্ষতি কৰে।

যোৱা ১৬ ছেপ্টেম্বৰৰ প্ৰান্তিকত পালোঁ, "ত্ৰয়োদশ শতিকাৰ প্ৰথমাৰ্ধত এই পাটকাই পৰ্বততে কুকুৰা বলি দি, কোনো দিন উভতি নোযোৱাৰ প্ৰতিশ্ৰুতিৰে, অসমত প্ৰৱেশ কৰিছিল প্ৰবল প্ৰতাপী চাও লুং চুকাফাই।"

চুকাফা আহোমৰ প্ৰথম ৰজা। ১৩৮৯ খৃষ্টাব্দত ৭ম জন ৰজা ত্যাওখামথিক হত্যা কৰা হয়। তেওঁৰ পাছত ৰজা হোৱাৰ উপযুক্ত লোক আছিল কোঁৱৰ ত্যাওচুলাই। তেওঁক কিন্তু ৰজা পতা নহ'ল। ন বছৰ ৰজা নোহোৱাকৈয়ে গ'ল। পাছত বামুণী কোঁৱৰ চুডাংফা ৰজা হয়। ইতিমধ্যে ত্যাওচুলাই গৈ নৰা ৰজাক জনালে যে অসমত তোমাৰ বংশৰ কোনো ৰজা নাই। ত্যাওচুলাইৰ কথা শুনি নৰা সৈন্য আগ বাঢ়ি আহিল। আমাৰ সৈন্যও আগুৱাই গ'ল। নৰাই ৰজা থকা বুলি জানি যুদ্ধ নকৰি মিত্ৰতাহে কৰিলে। (অন্য মতে নৰা হাৰে।) এই মিত্ৰতা কৰে ডই-কাউ-ৰং পৰ্বতত, কুকুৰা কাটি শপত খাই। ডই পৰ্বত, কাউ-নটা, ৰং-গোট খোৱা। কুকুৰা কাটি শপত খোৱা বাবে ডই-কাউ-ৰঙৰ নাম হয় পাট-কাই-চেংকান। পাট-কাটি, কাই— কুকুৰা, চেং— শপত, কান— লগালে। পাছলৈ নামটো মাত্ৰ পাটকাই হৈয়ে ৰয়। (বুৰঞ্জী— হৰকান্ত সদৰামিন)।

—নগেন হাজৰিকা, গুৱাহাটী

## কলেজৰ ঠিকনাত চিঠি

মহাবিদ্যালয়সমূহত বহু দূৰৰপৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা ল'বলৈ আহে। ছাত্ৰ নিবাস আৰু ছাত্ৰী নিবাসৰ অসুবিধাৰ বাবে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী ভাৰাঘৰত থাকিব লগীয়া হয়। ভাৰা ঘৰৰ নিৰ্ভৰযোগ্য ঠিকনাৰ অভাৱত ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ ঠিকনাকে ব্যৱহাৰ কৰে। কিন্তু দুখৰ বিষয় যে প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ ঠিকনাত চিঠি-পত্ৰ নাপায়। নোপোৱাৰ কাৰণ হ'ল, বেলেগ কোনোবা ছাত্ৰই সেই বিশেষ ছাত্ৰ বা ছাত্ৰীগৰাকীৰ চিঠিখন নি খুলি চোৱাৰ পাছত ফালি পেলাই দিয়ে বা নষ্ট কৰে। ছোৱালীৰ চিঠি হ'লেতো ক'বই নালাগে। কিন্তু চিঠি নষ্ট কৰা বা ফালি পেলোৱা ছাত্ৰসকলে বুজিব লাগে যে সেই বিশেষ ছাত্ৰ-ছাত্ৰীসকলৰ চিঠিবিলাক ঘৰৰপৰা— মাক, দেউতাক ককাইদেৱেক বা বন্ধু বান্ধৱীয়ে কিমান আশা কৰি ঘৰৰ বা অন্যান্য খবৰ লিখি পঠিয়ায় !

—অজিত চন্দ্ৰ সৰকাৰ,
টেঙাইগাঁও, বঙাইগাঁও

## "পহু মৰাৰ বান"

দৈনন্দিন শিতানত "পহু মৰাৰ বান" নামৰ গল্পটো (১।৯।৮৭) মোৰ নামত প্ৰকাশ পাইছে। প্ৰকৃততে মই তেনেকুৱা কোনো গল্প বা প্ৰবন্ধ কোনো কাগজ বা আলোচনীলৈ পঠোৱা নাই। কোনোবা লোকে মোৰ বিভাগৰ উচ্চ বিষয়াৰ মাজত শত্ৰুতা অনাৰ উদ্দেশ্যৰে মোৰ নামত এই লেখাটো প্ৰকাশ কৰিছে। গতিকে মই আপোনাৰ জনপ্ৰিয় পষেকীয়া প্ৰান্তিক আলোচনীৰ জৰিয়তে কথাটো সকলোকে জনাবলৈ অনুৰোধ কৰিলো।

—ড° ৰণীধৰ বৰ্মন,
মহকুমা পশু-পালন আৰু
পশু-চিকিৎসা বিষয়া, নলবাৰী



## নৃশংস মানসিকতা

অন্ততঃ পাঁচ বছৰমান আগলৈকে আমাৰ ইয়াত ডাউক, গুঁই, শহা, বনৰৌ, বিভিন্ন জাতৰ চৰাই, সাপ আদি দেখা গৈছিল। কিন্তু বৰ্তমান সেইবোৰ মানুহৰ অত্যাচাৰৰ ফলত লোপ পাইছে। আজিৰ মানুহৰ মানসিকতা হ'ল— মাৰ-কাট-খাওঁ। নিৰীহ গুঁই, ডাউক চৰাই, শহা আদি দেখিলেই হ'ল, খেদি-কুৰি হ'লেও মাৰিহে এৰিব। সিদিনা ভুলক্ৰমে আমাৰ ইয়াত বুঢ়া গুঁই এজনী ওলাল। সেইজনীক ৫-৬ জনমান ডেকা-বুঢ়াই মাৰিবলৈ খেদি ফুৰিছিল। শেষত নিৰ্মমভাৱে মাৰিলেও। গুঁইজনীৰ পেটত ২১ টা কণী ওলাল। মই তেওঁলোকক বাধা দিলত মোক ছুইহে নিকিলালে।

এই মানসিকতা মানুহৰ কিয় হৈছে ? এইদৰে মানুহৰ অত্যাচাৰ চলি থাকিলে প্ৰকৃতিৰ জীৱ-জন্তুবোৰ শেষ হবগৈ দেখোন !

সেইদৰে শেষ হৈ যাব খুজিছে জানজুৰি, খাল-বিলৰ মাছ-কাছবোৰ। তাৰ ঠাইত বাঁহ হৈছে গেলেকনিৰ, মহৰ, বিভিন্ন মাৰাত্মক, বীজাণুৰ।

যোৰহাট নগৰৰ মাজেদি বৈ যোৱা টোকলাই, তৰাজান আজি গেলেকনি হ'ল। তাত ২০ বছৰমান আগতে ককাইঁতে মাছ-পুথি ধৰিছিল ; মানুহে তাৰ পানী খাইছিল। এতিয়া সেইবোৰ মহৰ উৎপাদন-ক্ষেত্ৰ হ'ল। টোকলাইৰ অৱস্থা জৰাজীৰ্ণ। ব্যৱসায়ী কিছুমানে সেইখন নিৰ্মমভাৱে পুতিলে ; সংসাৰৰ আৱৰ্জনা পেলোৱা থলী কৰিলে। আজিৰপৰা ২০ বছৰৰ পাছত কি অৱস্থা হব বাৰু ? জনসংখ্যাটো বাঢ়ি গৈয়ে আছে ! এই বিষয়ে চিন্তা কৰিবলৈ কাৰো সময়েই নাই। এনেকুৱা দিন হ'ল— আমাৰ ইয়াত শিয়াল এটাৰ হোৱাৰ শব্দও শুনা হলো।

—ৰাতুল শৰ্মা,
তৰাজান কাকতি গাঁও, যোৰহাট

## "গোপীনাথ বৰদলৈৰ দেউতাক আৰু জন্মস্থান"

শ্ৰীবিৰাজ কুমাৰ ডেকাৰ উক্ত শিৰোনামাৰ চিঠিখন (৩১।৫।৮৭) পঢ়িলো।

অসমৰ সংকটময় মুহূৰ্তত গোপীনাথ বৰদলৈদেৱে তেখেতৰ সুদক্ষ নেতৃত্বৰে যুঁজ দিলে— অসম যাতে স্বাধীনতাৰ ন্যায্য প্ৰাপ্তিৰপৰা বঞ্চিত নহয়, অসমীয়া জাতি যাতে অৰ্থনীতি, ৰাজনীতি আৰু সামাজিক মৰ্যাদাৰ ক্ষেত্ৰত প্ৰতাৰিত হ'ব লগা নহয়, স্বাধীন অসমৰ প্ৰথম মুখ্যমন্ত্ৰিত্বৰ গুৰু দায়িত্ব কান্ধত লৈ, তেখেতে আশাশুধীয়াকৈ কাম কৰি গ'ল,— অসমক নকৈ গঢ় দি আগশাৰীলৈ আগবঢ়াই নিবলৈ, আৰু বিশেষকৈ, অসমক বৌদ্ধিক জগতত প্ৰতিষ্ঠা কৰিবলৈ। দেশে "লোকপ্ৰিয়"— এই মধুৰ সম্ভাষণেৰে আকোঁৱালি লোৱা এই বিৰল ব্যক্তিত্ব সম্পন্ন পুৰুষজনৰ বিষয়ে দেশৰ কণ-কণ ল'ৰা-ছোৱালীহঁতক পাঠ্যপুথিৰ জৰিয়তে ভুল তথ্য পৰিবেশন কৰাটো অতিশয় দুখৰ কথা।

মই তেখেতৰ জিয়ৰী হিচাপে জনাওঁ যে দেউতাৰ জন্ম হৈছিল ১৮৯০ চনত। ককাদেউতাৰ ঘৰ আছিল গুৱাহাটীত ; নাম বুদ্ধেশ্বৰ বৰদলৈ। চৰকাৰী ডাক্তৰ হিচাপে ককাদেউতাই নগাঁৱৰ ৰহাত চাকৰি কৰা কালত দেউতাৰ জন্ম হয়।

—অৰুণা মজিন্দাৰ বৰুৱা,
'নীৰদালয়', শ্ৰীপুৰীয়া, তিনিচুকীয়া টাউন

## বদভ্যাস

এয়া হ'ল এটি পুথিভঁৰালৰ কথা। নিতৌ নগ'লেও সপ্তাহত দুই-এদিন পুথিভঁৰালটোলৈ যোৱা হয়। বিশেষকৈ বাতৰিকাকতখনৰ ধান্দাত। তাত প্ৰায়েই দেখোঁ,— একোজন পঢ়ুৱৈয়ে পঢ়াৰ আমেজত নে অন্য কিবা ফুৰ্তিতে পঢ়ি থকা অৱস্থাতে পঢ়া টেবুলখনত টুকটুকাই থাকে। কোনোৱে মুখত ভৰাই অহা খৈনীৰ টেপাটো লাহেকৈ হাতেৰে উকটি ভৰিৰ কাষতে পেলাই দিয়ে। কোনোৱে বহি থকা চকীখনকে হেলনীয়া কৰি লৰাই থাকে বা ভৰি দি থকা ষ্টেণ্ডডালকে কঁপাই থাকে। কোনো পঢ়ুৱৈয়ে আকৌ পঢ়া শেষ কৰি উঠি আহোঁতে ভৰি চোঁচোৰাই খোজ কঢ়াৰ লগতে তালত তাল মিলাই হাতৰ টিলিকিটোও বজাই যায়। এইবোৰ পুথিভঁৰালৰ নিচিনা ৰাজহুৱা ঠাইত বৰ্জনীয় অভ্যাস।

—দুলাল চন্দ্ৰ দাস,
এচ. চি. হোষ্টেল, যোৰহাট

## বিদায় ৰেগিং

মহাবিদ্যালয়সমূহত শিক্ষা জীৱন আৰম্ভ কৰিবলৈ অহি নবাগত সকলে সন্মুখীন হোৱা ৰেগিঙৰ বিৰুদ্ধে সুধী সমাজে মাত মতাৰ সুফল পৰিলক্ষিত হৈছে। দৰং মহাবিদ্যালয়ত এই বছৰ নবাগত সকলক যাতে ৰেগিঙে আমনি নকৰে তাৰ বাবে কেইবাজনো অধ্যাপক আৰু ছাত্ৰ একতা সভাৰ সদস্যৰ লগতে সচেতন ছাত্ৰ-ছাত্ৰীসকলে সততে চোকা দৃষ্টি ৰাখিছিল। ফলত এইবেলি মহাবিদ্যালয়খনত ৰেগিং সম্পূৰ্ণৰূপে নাইকিয়া হ'ল। আনকি ছাত্ৰাবাস আৰু ছাত্ৰীবাসতো ৰেগিঙৰ কদৰ্য ৰূপটো নথকাত নবাগতসকল অধ্যাপক আৰু ছাত্ৰ ছাত্ৰীসকলৰ ভূমিকাত আনন্দিত হৈছে। বহুতো মহাবিদ্যালয়ত এইবছৰো ৰেগিঙৰ প্ৰকোপ নকমা বুলি বাতৰি ওলোৱাৰ সময়ত দৰং মহাবিদ্যালয়ৰ এই ব্যতিক্ৰম সঁচাকৈয়ে শুভলক্ষণ।

—খনীন চন্দ্ৰ ৰায়ন,
দৰং মহাবিদ্যালয়, তেজপুৰ

## শ্বহীদনে ছহিদ ?

শ্ৰীঅপূৰ্ব খাটনিয়াৰে লিখা "শ্বহীদ নে ছহিদ" শীৰ্ষক চিঠিখন (১৬।১২।৮৬) সম্পৰ্কে এটা কথা উনুকিয়াব খুজিছোঁ। লেখকে লিখা মতে শ্বহীদ শব্দটো অসমীয়া অভিধানত নাথাকিলেও আচলতে শব্দটো "শ্বহীদ"। এই শব্দটোৰ মূল হ'ল আৰবী ভাষাৰ " شَهِيْدٌ " শব্দটো। সেই শব্দটো অসমীয়া ভাষালৈ নিওঁতে 'শ্বহীদ' হয়।

ৰূপান্তৰটো এনেকুৱা :

شَ = শ্বা
ه = হি
يْ = য়ি
دٌ = দুন্

উচ্চাৰণৰ সময়ত 'শ্বা'ৰ উচ্চাৰণ 'শ্ব' বুলি ধৰা হয়। 'হি আৰু য়ি' মিলি 'হী' উচ্চাৰণ হয় ; আৰু আৰবীৰ শেষ আখৰৰ স্বৰচিহ্ন অৰ্থাৎ 'দুন্' অৰ 'দ' উচ্চাৰণটো অকলে কৰিব লাগে।

—ছিৰাজ উদ্দিন আহমেদ, শিক্ষক,
যমুনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়,
যমুনামুখ, নগাঁও

### দুই

এই শব্দটো মূলতঃ আৰবী শব্দ। ইয়াৰ অৰ্থ হ'ল ঈশ্বৰ বা ধৰ্মৰ কাৰণে প্ৰাণ দিওঁতা। নিহত হোৱা, মৰা।

ইয়াৰ শুদ্ধ বানানটো "শ্বহীদ" নহয় "ছহিদো" নহয়, "শহীদ" হে। ওচমানিয়া কলেজৰ শ্ৰীবংশীধৰ বিদ্যালংকাৰৰ ভূমিকা আৰু শ্ৰীৰামচন্দ্ৰ বৰ্মাৰ প্ৰস্তাৱনাৰে ১৯৩৯/৪০ চনতে প্ৰকাশিত উৰ্দু-হিন্দী কোষত "শ্বহীদ" শব্দটোৰ বানান আৰু অৰ্থ দিয়া আছে।

—তৰুণচন্দ্ৰ শইকীয়া,
অৱসৰ প্ৰাপ্ত হিন্দী শিক্ষক, চতিয়া,

## শুদ্ধৰণী

"১।৮।৮৭ তাৰিখৰ প্ৰান্তিকৰ ৩৫ পৃষ্ঠাত সুদূৰ সংবেদন সম্বন্ধীয় প্ৰবন্ধৰ শেষৰ অনুচ্ছেদত ৬০ মি. মি. বুলি ছপা হৈছে ; হ'ব লাগিছিল ৬০ কি. মি. (কিল'মিটাৰ)।"

—ড° যোগেন শৰ্মা, ডিব্ৰুগড় বিশ্ববিদ্যালয়



OKDISCD

# শ্ৰীলংকা ভাৰতৰ ভিয়েটনাম

শ্ৰীলংকা-চুক্তি স্বাক্ষৰিত হোৱাৰ আগেয়ে নতুন দিল্লী আৰু কলম্বোৰ কুটনীতিবিদসকলৰ মাজত এনে এটা কথা প্ৰচাৰ হৈছিল যে ৰাষ্ট্ৰপতি জয়েবৰ্ধনেই আমেৰিকাৰ সাহায্য বিচাৰিছিল, কিন্তু ৱাশ্বিংটনে তেওঁলোকৰ পৰিবৰ্তে ভাৰতৰহে কাষ চাপিবলৈ পৰামৰ্শ দিলে। এইটো সঁচা হয় নে নহয় নাজানো কিন্তু শ্ৰীলংকাৰ জাতিগত সমস্যাৰ যিকোনো সমাধানৰ বাবে যে নতুন দিল্লীৰ সাহায্যৰ প্ৰয়োজন আছিল সেই বিষয়ে কোনো সন্দেহ নাই।

সমস্যাটোৰ সৈতে ভাৰত কেইবাধৰণেও জড়িত হৈ আছে। শ্ৰীলংকাত বাস কৰা তামিলসকলে যেতিয়াই তেওঁলোকক তেওঁলোকৰ অধিকাৰৰপৰা বঞ্চিত কৰা হয় অথবা কলম্বো চৰকাৰৰ দ্বাৰা তেওঁলোক নিপীড়িত হয় তেতিয়াই ভাৰতৰ মুখলৈ চাই থাকে। তেওঁলোকৰ মাজৰে উগ্ৰপন্থীসকলে ভাৰতৰপৰা আশ্ৰয় আৰু অস্ত্ৰ-শস্ত্ৰ বিচাৰে আৰু পায়ো। এটা সময়ত নতুন দিল্লীৰ চৰকাৰখনো তেওঁলোকলৈ অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰা আৰু এইবোৰৰ ব্যৱহাৰৰ প্ৰশিক্ষণ দিয়া কামত জড়িত আছিল।

কিছুদিনৰ আগলৈকে নতুন দিল্লীয়ে নিজৰ ভূমিকা ভালদৰেই পালন কৰিছিল। তামিল উগ্ৰপন্থীসকলৰ সৈতে মীমাংসালৈ আহিবলৈ নতুন দিল্লীয়ে জয়েবৰ্ধনেৰ ওপৰত হেঁচা দি আছিল আৰু সেই সময়ছোৱাৰ ভিতৰতে উগ্ৰপন্থীসকলৰ এখন স্বাধীন ৰাষ্ট্ৰৰ (ইলাম) দাবীটো শ্ৰীলংকাৰ ভিতৰতে এখন প্ৰদেশৰ মৰ্যাদাৰ দাবীলৈ পৰিবৰ্তিত কৰাইছিল।

ইতিমধ্যে ৰাজীৱ গান্ধীৰ বাবে ভাবুকিস্বৰূপ হৈ পৰা বফৰছ কামান আৰু অন্যান্য কেলেংকাৰীসমূহে দেখা দিলে। শ্ৰীলংকাত এটা সমাধান তেওঁৰ বাবে পৰম গৌৰৱৰ কথা হৈ পৰিল আৰু সেয়েহে লৰালৰিকৈ চুক্তিখন কৰা হ'ল।

চুক্তিখন স্বাক্ষৰিত হোৱাৰ লগে লগেই জাফনালৈ ভাৰতীয় শান্তিৰক্ষী বাহিনী পঠোৱা হয়। ইমান লৰালৰিকৈ আৰু অকল ভাৰতৰে সেনা পঠোৱাৰ কাৰণটো কি? আনদেশৰ, যেনে, নেপালৰ সেনা পঠোৱা নহ'ল কিয়? নিজাববীয়াকৈয়ে আগবাঢ়ি ভাৰতে দক্ষিণ এছিয়াত সমূহীয়া কাৰ্যব্যৱস্থা গ্ৰহণৰ অভ্যাস সুদৃঢ় কৰাৰ এক সুযোগ হেৰুৱালে।

এতিয়া শ্ৰীলংকা ভাৰতৰ ভিয়েটনাম হৈ পৰিছে। প্ৰথমতে ৬,০০০ সৈন্য (তেওঁলোকৰ সহায়ৰ বাবে টেংকো পঠোৱা হৈছে) পঠোৱা হ'ল। তাৰ লগত ছি· আৰ· পি· বাহিনীও যোগ দিয়া হ'ল। এতিয়া দুজন মেজৰ জেনেৰেলৰ সৈতে তাত এটা সম্পূৰ্ণ ডিভিজন (১৮,০০০ সৈন্যৰ) আছে। অস্ত্ৰ-শস্ত্ৰও পঠোৱা হৈছে। অতি শীঘ্ৰে বিমান বাহিনীকো, হয়তো প্ৰথমতে নিৰীক্ষণৰ বাবে আৰু পাছত বোমাবৰ্ষণৰ বাবে, কামত লগোৱা হ'ব। উগ্ৰপন্থীসকলৰ চলাচলত বাধা দিবলৈ নৌবাহিনীকো ব্যৱহাৰ কৰা হ'ব পাৰে। প্ৰশ্ন হ'ল— ৰাজীৱ গান্ধীয়ে প্ৰথমতেই ইয়াত কিয় জড়িত হৈ পৰিল? জয়বৰ্ধনেই কেৱল সমস্যাটোহে ভাৰতলৈ পাৰ কৰি দিলে। ভাৰতীয় শান্তিৰক্ষী বাহিনীয়ে এতিয়া শ্ৰীলংকাৰ সেনাবাহিনীৰ দৰে "অশান্তিসৃষ্টিকাৰীসকলক" হত্যা কৰিব লগীয়া হৈছে। অৰ্থাৎ, শ্ৰীলংকাৰ বাহিৰে-ভিতৰে থকা তামিলসকলৰ খংটো এতিয়া নতুন দিল্লীৰ প্ৰতিহে ঢাল খাব।

এল·টি· টি· ইৰ হিংসাত্মক কাৰ্যকলাপে দেখুৱাই দিছে যে তেওঁলোকৰ বাবে চুক্তিখন বন্দী অৱস্থাৰ পৰা নিজৰ লোকসকলক উদ্ধাৰ কৰাৰ এক চেলুহে আছিল। নতুন দিল্লীয়ে তেওঁলোকৰ খেলটো ভালদৰে লক্ষ্য কৰা উচিত। উত্তৰৰ প্ৰদেশত নিজৰ স্থিতি প্ৰতিষ্ঠা কৰাৰ পাছত তেওঁলোকে প্ৰণালীৱদ্ধভাৱে পূবৰ প্ৰদেশখনৰ পৰাও সিংহলীসকলক (প্ৰদেশখনত এওঁলোকৰ সংখ্যা শতকৰা ৩০ ভাগ) খেদি পঠোৱাৰ কামত লিপ্ত হৈছে।

কিছুদিনৰ আগলৈকে পূবৰ প্ৰদেশত মুছলমানসকলৰ জনসংখ্যাও শতকৰা ৩৩ ভাগ আছিল। সঘনে হত্যাকাণ্ড ঘটাই তেওঁলোকৰ ওপৰতো হেঁচা দিয়া হৈছে। অহা বছৰৰ আৰম্ভণিতে হ'বলগীয়া গণভোটৰ ওপৰত এল. টি· টি·ইয়ে চকু ৰাখিছে। কাৰণ সেই গণভোটৰ ওপৰতে উত্তৰ আৰু পূবৰ প্ৰদেশ দুখন একত্ৰিত কৰা সম্পৰ্কীয় তামিলসকলৰ প্ৰধান দাবীটোৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে।

নতুন দিল্লীয়ে সম্মুখীন হোৱা মূল প্ৰশ্নটো হ'ল— এল· টি· টি· ইক কেনেকৈ চম্ভালিব পৰা যায়? কাৰণ সেই দলটোৱে সম্পূৰ্ণ আবেগিক হৈ নিৰ্বিচাৰে হত্যা কৰাৰ মনোভাব লৈ আছে। তেওঁলোকক শান্ত নকৰিলে আৰু এনেবোৰ কামৰ যুক্তিযুক্ততা বিচাৰ কৰিবলৈ বাধ্য নকৰালে ভাৰত-শ্ৰীলংকা চুক্তিখনেই বিপন্ন হৈ পৰিব। সেইকাৰণেই শান্তিৰক্ষী বাহিনীৰ বাবে প্ৰভাকৰণৰ লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ আৱশ্যক হৈ পৰিল। নহলে জয়েবৰ্ধনে আৰু চুক্তিখনৰ শুভদিশসমূহ দেখা পোৱা, সিংহলীসকলেও ভাৰতৰ ওপৰত আস্থা হেৰুৱালেহেঁতেন।

চুক্তিখনৰ ভৱিষ্যতটোৱেই এতিয়া বিপদাপন্ন হৈ পৰিছে। সিংহলীসকলেও প্ৰতি ব্যৱস্থা গ্ৰহণ কৰিব পাৰে আৰু গোটেই দ্বীপটোৱেই আকৌ জাতিগত সংঘৰ্ষৰ মাজত সোমাই পৰিব পাৰে। ইয়াৰ ফলত তামিলসকলেই প্ৰকৃততে ক্ষতিগ্ৰস্ত হ'ব। অলপতে সিংহলীসকলক হত্যা কৰা ঘটনাৰ পাছত শ্ৰীলংকা আৰু তামিলনাডু দুয়োঠাইতে হোৱা বিৰূপ প্ৰতিক্ৰিয়াৰ পৰা দেখা যায় যে জনমত এল· টি· টি· ইৰ বিৰোধী হৈ পৰিছে।

শান্তিৰক্ষী বাহিনীয়ে উগ্ৰপন্থীসকলক যিমানেই শাসন কৰিব, প্ৰভাকৰণৰ লোকসকলে জাফনাত সিমানেই সহানুভূতি লাভ কৰিব। কাৰণ শ্ৰীলংকাৰ শান্তিমূলক ব্যৱস্থাৰ বিৰুদ্ধে যুদ্ধ কৰোঁতে তেওঁলোকে দেখুওৱা "সাহস"ৰ কথা জাফনাবাসীয়ে এতিয়াও সোঁৱৰে। এই বিশৃংখল অৱস্থাটোৰ পৰা ভাৰত যিমান সোনকালে ওলাই আহিব পাৰে, দেশখন আৰু অঞ্চলটোৰ সিমানেই মংগল হ'ব।

—কুলদীপ নায়াৰ

শেহতীয়া বাতৰি অনুসৰি শান্তিৰক্ষী বাহিনীয়ে শ্ৰীলংকাৰ সৈন্যবাহিনীৰ সৈতে যোৱা কেইদিনমানৰ অভিযানৰ যোগেদি জাফনা অৱবাহিকাত থকা লিবাৰেশ্যন টাইগাৰছ অৱ তামিল ইলামৰ ঘাটিসমূহ নিশ্চিহ্ন কৰি দিয়ে। বৰ্তমানলৈকে ৫৭ জন ভাৰতীয় সৈন্য নিহত আৰু ২২৫ জন লোক আহত হয়। আনহাতে এলটিটি· ইৰ ২০০ ৰ পৰা ২৫০ জন লোক নিহত হয় বুলি বাতৰিত প্ৰকাশ।

* বৃহৎ জলসিঞ্চন প্ৰকল্পসমূহ আৰ্থিকভাৱে সম্ভৱপৰ নোহোৱাৰ লগতে পাৰিপাৰ্শ্বিকতাৰ দিশৰপৰাও বিপজ্জনক বুলি শক্তি উপদেষ্টা ব'ৰ্ডৰ অধ্যক্ষ ডঃ বি· বি· ভোৰাই কয়। তদুপৰি এনেবোৰ প্ৰকল্প পৰিচালনা কৰিবলৈ অসুবিধা হোৱাৰ লগতে নিৰ্মাণ আৰু ফলাফল লাভ কৰোঁতেও যথেষ্ট সময় লয় বুলি তেওঁ কয়। ডঃ ভোৰাই এনেবোৰ প্ৰকল্পৰ সলনি ভূগৰ্ভস্থ জলসম্পদৰ অধিক ব্যৱহাৰৰ ওপৰত জোৰ দিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। তেওঁ সমগ্ৰ দেশৰে পাৰিপাৰ্শ্বিকতাবিদসকলৰ বিৰোধিতা সত্ত্বেও ২৫,০০০ কোটি টকা ব্যয় কৰি সাজিব লগীয়া নৰ্মদা প্ৰকল্পৰ দৰে বৃহৎ প্ৰকল্পৰ প্ৰতি চৰকাৰে অনুমোদন জনোৱা বাবে ক্ষোভ প্ৰকাশ কৰে। তেওঁ কয় যে ২৫ বছৰীয়া এই প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ সময়ত প্ৰকৃত নিৰ্মাণ ব্যয় ৮০,০০০ কোটি টকা হ'বগৈ। অৰ্থাৎ ইয়াৰ দ্বাৰা উপকৃত হ'ব লগীয়া দুই নিযুত হেক্টৰ মাটিৰ প্ৰতি হেক্টৰৰ বাবে জলসিঞ্চনৰ ব্যয় চাৰি লাখ টকালৈ পৰিব।

* যোৱা এক অক্টোবৰৰপৰা নতুন দিল্লীৰ নেশ্যনেল গেলেৰি অৱ মৰ্ডান আৰ্টত সমসাময়িক স্থাপত্যবিদ্যাৰ জনকৰূপে খ্যাত বৃটেইনৰ স্বৰ্গীয় হেনৰি মুৰৰ এখন প্ৰদৰ্শনী মুকলি কৰা হয়। প্ৰদৰ্শনী মুকলি কৰে প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে। মৃত্যুৰ পাছত বৃটেইনৰ বাহিৰত পতা মুৰৰ সৃষ্টিসমূহৰ এইখনেই প্ৰথম প্ৰদৰ্শনী। প্ৰদৰ্শনীত এশটা বৃহৎ মূৰ্তিৰ ক্ষুদ্ৰ মডেল (maquette), ভাস্কৰ্য আদি আৰু এশখন পেপাৰ-ৱৰ্ক প্ৰদৰ্শন কৰা হৈছে। সামগ্ৰীসমূহ তিনিখন বিশেষ বিমানেৰে ভাৰতলৈ অনা হয়। সামগ্ৰীসমূহৰ সৈতে হেনৰি মুৰ ফাউণ্ডেশ্যন আৰু লণ্ডনৰ বৃটিছ কাউন্সিলৰ পাঁচজন বিশেষজ্ঞও আহিছে।

* এক সমীক্ষা অনুসৰি সাত বছৰীয়া ইৰান-ইৰাক যুদ্ধৰ কালছোৱাত হোৱাৰ দৰে যোৱা কোনো এটা দশকতে বিশ্বৰ অস্ত্ৰ-শস্ত্ৰৰ বজাৰখনৰ ইমান উন্নতি ঘটা নাছিল। মাৰ্কিন অস্ত্ৰ নিয়ন্ত্ৰণ আৰু নিৰস্ত্ৰীকৰণ সংস্থাৰ অধ্যয়নৰ কথা উল্লেখ কৰি সমীক্ষাটোত কোৱা হৈছে যে ১৯৮১-৮৫ চনৰ কালছোৱাত পশ্চিম এছিয়াৰ দেশসমূহে ৭৬ বিলিয়ন ডলাৰ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ কিনে। অধ্যায়নটোৰ মতে ইৰান বিশ্বৰ ভিতৰতে আটাইতকৈ বেছি অস্ত্ৰ-শস্ত্ৰ আমদানি কৰা দেশ। এই দেশে আমদানি কৰা অস্ত্ৰ-শস্ত্ৰৰ পৰিমাণ ইৰাকৰ তুলনাত চাৰিগুণ। (২৯·৯ বিলিয়ন ডলাৰ)। বিশ্বৰ ত্ৰিছখন দেশে দুয়োখন দেশলৈ অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰে।

* মাৰ্কিন যুক্তৰাষ্ট্ৰ শিক্ষাৰ ক্ষেত্ৰত এতিয়াও বহু পিছ পৰি আছে বুলি অগষ্টাছ হকিনছ নামৰ ডেমক্ৰেটিক দলৰ এগৰাকী কংগ্ৰেছ সদস্যই প্ৰকাশ কৰিছে। মাৰ্কিন লোকৰ মাজত অশিক্ষিত আৰু স্কুল এৰা লোকৰ সংখ্যা বাঢ়ি যোৱাৰ ফলতে মাৰ্কিন যুক্তৰাষ্ট্ৰ শিক্ষাৰ ক্ষেত্ৰত পাৰদৰ্শীলোক সৃষ্টিৰ ক্ষেত্ৰত অন্যান্য দেশৰ তুলনাত পিছ পৰি গৈছে। এই অৱস্থাৰ উন্নতি নহ'লে অস্ত্ৰ নিয়ন্ত্ৰণৰ আলোচনা, মধ্য আমেৰিকাত শান্তি স্থাপন অথবা বিশ্ব বজাৰত সৃষ্টি হোৱা প্ৰতিযোগিতাত দেশখনে সফলতা লাভ কৰিব নোৱাৰে বুলি তেওঁ কয়।

## ধৰ্মৰ নামত নিষ্পেষণ চলায়েই আছে

বিজ্ঞান আৰু ধৰ্মনিৰপেক্ষতাৰ ব্যাপক প্ৰসাৰৰ দিনতো বিশ্বৰ চল্লিছখনৰো অধিক দেশত ধৰ্মীয় বৈষম্য আৰু অসহনশীলতা অব্যাহত আছে। ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ অধীনৰ মানৱ অধিকাৰ আয়োগৰ ৪৩ তম অধিবেশনত দাখিল কৰা এক প্ৰতিবেদনত এই কথা প্ৰকাশ কৰি কোৱা হৈছে যে বিভিন্ন দেশত জাৰী কৰা আইন আৰু প্ৰশাসনীয় ডিক্ৰিসমূহৰ জৰিয়তে সময়ে-সময়ে স্বাধীন চিন্তা আৰু ভাৱ প্ৰকাশৰ ক্ষেত্ৰত বাধা প্ৰদান কৰি অহা হৈছে। এনেবোৰ দেশত একোটা বিশেষ ধৰ্মক চৰকাৰীভাৱে পৃষ্ঠপোষকতা কৰি আন ধৰ্মসমূহৰ ক্ষেত্ৰত বাধা-নিষেধ আৰোপ কৰা হৈ আহিছে।

* কিতাপ আৰু কাৰিকৰী প্ৰকাশন তথা সামগ্ৰী আদি দানৰ জৰিয়তে ভাৰতৰ শিক্ষানুষ্ঠানসমূহলৈ কাৰিকৰী জ্ঞান হস্তান্তৰ কৰাৰ অৰ্থে আমেৰিকাত যোৱা বছৰ এটা বুক বেংক প্ৰতিষ্ঠা কৰা হয়।

ভাৰত-মাৰ্কিন বুক বেংক নামৰ এই বেংকটোৰ বিষয়ে তাত থকা ভাৰতীয়মূলৰ শিক্ষাবিদ, অভিযন্তা আৰু বিজ্ঞানীসকলে ১৯৮৪ চনতে ভাবিবলৈ লৈছিল। যোৱা তিনিবছৰ ধৰি তেওঁলোক কিতাপসমূহ সংগ্ৰহ, শৃংখলাবদ্ধভাৱে ৰখা আৰু বিতৰণ আদিৰ সুব্যৱস্থা কৰাৰ কামত লাগি আছিল।





OKDISCD

কুলদীপ নায়াৰ

# এক অসাধাৰণ আয়োগ

বাতৰি-কাকতৰ "আমোদ-প্ৰমোদ," "এণ্টাৰটেইনমেণ্ট" শিতানত নামটো নাপাব ; কিন্তু আপুনি যদি দিল্লীতে আছে, আৰু অকলে-অকলে কি কৰোঁ-কি নকৰোঁকৈ আমনি পাইছে, তেন্তে সৰ্বোচ্চ ন্যায়ালয় ভৱনৰ ৯ নম্বৰ আদালতলৈ যাওক। তাতেই ফেয়াৰ-ফেক্সৰ বিষয়টো অনুসন্ধান কৰা তদন্ত আয়োগ বহিছে। প্ৰবেশ সকলোৰে বাবে মুকলি নহয়, কিন্তু বিনামূলীয়া।

আৰম্ভণিতে আয়োগৰ বৈঠক ন্যায়াধীশ এছ· নটৰাজনৰে সৈতে ন্যায়াধীশ এম· পি· থক্কৰৰ ঘৰতে বহিছিল। সেই বৈঠকত সাক্ষীসকলক পেৰি-পেৰি জেৰা কৰা হৈছিল ; তেওঁলোকৰ উকীলসকলক লগত উপস্থিত থাকিবলৈ দিয়া নহৈছিল। কিন্তু তাৰ পাছতে বৈঠকখন ৰাজহুৱা কৰা হ'ল। আৰু তাত এতিয়া কেতবোৰ ব্যাখ্যাতীত ঘটনা ঘটিব লাগিছে। সিদিনা আয়োগে দহদিনলৈ বৈঠক স্থগিত ৰাখিলে, কাৰণ আয়োগে ভাবিলে, ইলাষ্ট্ৰেটেড উইকলিত প্ৰকাশিত এটা প্ৰবন্ধই আয়োগৰ মৰ্যাদা হানি কৰিছে। আয়োগ পুনৰ মিলিত হ'লত অনেকে বজ্ৰনিনাদ হ'ব বুলিয়েই আশা কৰিছিল ; কিন্তু সময়ত ফুচফুচনি এটাও শুনা নগ'ল। আৰু এটা ৰহস্যৰ বিষয় হ'ল : আয়োগেনো আচলতে কি বিচাৰিছে আৰু ইয়াৰ কাম-কাজবোৰনো কেনেকৈ আগবঢ়াব খুজিছে, এই বিষয়ে কোনেও নাজানে।

ঘটনা আগবঢ়াৰ লগে লগে, আয়োগে ২৫ বছৰৰ পুৰণি "তদন্ত আয়োগ আইনখনৰ সীমা কিমানলৈ বহলাইছে সেই বিষয়ে ভালেমান প্ৰশ্ন উত্থাপিত হৈছে। এইটো সঁচা যে আগৰ কেতবোৰ তদন্ত আয়োগে আইনখনৰ পৰিধি তেওঁলোকৰ নিজা ব্যাখ্যাৰে বঢ়োৱা-টুটোৱা কৰিছিল ; আৰু একোখন আয়োগক তেওঁলোকৰ নিজা নিয়ম আৰু কাৰ্যপন্থা নিৰ্ধাৰণ কৰি লবলৈ কৰ্তৃত্ব দিয়া হৈছিল। কিন্তু থক্কৰ-নটৰাজন আয়োগে যি পথ লৈছে সি সকলোকে হতভম্ব কৰিছে।

সাক্ষী সম্পৰ্কীয় আইনখন (Evidence Act) ইয়াৰ কাৰ্য-প্ৰণালীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় বুলি আয়োগে লোৱা সিদ্ধান্তটোৰ কথাকে ধৰক। জৰুৰী অৱস্থা সম্পৰ্কীয় শ্বাহ আয়োগে নিঃসন্দেহে কৈছিল যে এখন তদন্ত আয়োগৰ ইয়াৰ নিজা নীতি-নিয়ম ঠিক কৰি লোৱাৰ অধিকাৰ আছে। কিন্তু তামিলনাডুৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী এম· কৰুণানিধিৰ বিৰুদ্ধে উঠা অভিযোগৰ তদন্ত কৰা আৰ. এছ· চাৰকাৰিয়া আয়োগে কৈছিল, "সাক্ষী সম্পৰ্কীয় আইনৰ মূল ব্যৱস্থাসমূহত থকা ৰাষ্ট্ৰীয় ন্যায়ৰ মূলনীতিসমূহক নীতিনিৰ্দেশক হিচাপে অনুসৰণ কৰা হ'ব।"

ন্যায়াধীশ মেথিৱে তদন্ত আয়োগ সম্পৰ্কীয় এখন কিতাপৰ পাতনিত অধিক স্পষ্ট মত প্ৰকাশ কৰিছে। তেওঁ কৈছে যে একোখন আয়োগৰ কাৰ্যপ্ৰণালীৰ ধৰণ আৰু "একেটা বিষয়ৰ ক্ষেত্ৰত হাতত লোৱা ফৌজদাৰী কাৰ্য প্ৰণালী"ৰ ধৰণৰ মাজত "নিচেই কম পৰিমাণৰহে পাৰ্থক্য আছে।" তেনেহ'লে, সাক্ষী আইনখন আয়োগৰ ক্ষেত্ৰত কিয় অপ্ৰয়োজনীয় বুলি বিবেচিত হয় আৰু আদালতত্বনো কিয় প্ৰয়োজনীয় হৈ পৰে? সু-বিচাৰে যিখিনি বিচাৰে সাক্ষী আইনে মাথোঁ সেইখিনিহে লিপিবদ্ধ কৰিছে ; আৰু ইয়াক আদালতত ব্যৱহাৰ কৰা হৈছেনে আয়োগত ব্যৱহাৰ কৰা হৈছে, সেইটো ডাঙৰ কথা নহয়।

যেতিয়া "ৰাজহুৱা গুৰুত্ব থকা এটা বিষয়" (আইনখনত হুবহু এইকেইটা শব্দই আছে) বিচাৰ কৰিব লগীয়া হয় তেতিয়া যে ৰাইজো এটা পক্ষ হৈ পৰে আৰু তেওঁলোকক যে আঁতৰাই ৰাখিব নোৱাৰি,— এইটো যুক্তিযুক্ত কথা। ভাৰতৰ মুখ্য ন্যায়াধীশ আৰ. এছ· পাঠকে আয়োগখনক নিযুক্তি দিবলৈ সন্মতি দিয়াৰ আগেয়ে হেনো ইয়াৰ কাম-কাজবিলাক সকলোৱে দেখাকৈ হ'ব লাগিব বুলি ভাৰতৰ এটৰ্নি জেনেৰেলক স্পষ্টকৈ কৈছিল। কিন্তু থক্কৰ-নটৰাজন আয়োগে প্ৰথমতে ৰাইজক আঁতৰাই ৰাখিলে। চোৰাংচোৱা সংস্থা ফেয়াৰফেক্সক ভাৰালৈ নিযুক্তি দিয়া ভুৰেলালক, তেওঁৰ উকীলক লগত নিবলৈ নিদিয়াকৈয়ে, থক্কৰৰ বাসস্থানত কেইবাঘণ্টাও ধৰি জেৰা কৰা হয়। ফলত স্বাভাৱিকতে "কিবা এটা লুকুৱাই ৰখা" আৰু অন্যান্য অভিযোগে গা কৰি উঠিল। সৌভাগ্যক্ৰমে বৈঠকসমূহ পাছত ৰাজহুৱা কৰা হ'ল। আৰু ভুৰেলালক পুনৰ জেৰা কৰা হ'ল।

ৰাজহুৱা শুনানীৰ গুৰুত্বক উপেক্ষা কৰিব নোৱাৰি। ১৯৬৩ চনত ভাৰতৰ ভূতপূৰ্ব মুখ্য ন্যায়াধীশ এছ. আৰ· দাসে পঞ্জাৱৰ তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰতাপ সিং কাইৰোঁৰ বিৰুদ্ধে উঠা অভিযোগৰ তদন্ত কৰোঁতে গোপনে শুনানী লব লাগে বুলি এখন আবেদন কৰা হৈছিল। দাবীটোৰ কিছু গুৰুত্ব আছিল, কাৰণ মুখ্যমন্ত্ৰীৰ সততা সম্বন্ধে শুনানীৰ বাতৰিসমূহ বাতৰি কাকতত প্ৰকাশিত হ'লে প্ৰশাসনৰ মনোবল ভাঙি পেলোৱা হ'লহেঁতেন। কিন্তু ন্যায়াধীশ শ্ৰীদাসে এই বুলি কৈ অনুৰোধটো অগ্ৰাহ্য কৰিলে যে তদন্ত গোপনে চলালে পদ্ধতিটোত ন্যায়ৰ উপস্থিতি হ্ৰাস পোৱা যেন লাগে। থক্কৰ-নটৰাজন আয়োগে তদন্তটো "ৰাজহুৱা" কৰিবলৈ সময় লোৱাটো আচৰিত কথা।

ইলাষ্ট্ৰেটেড উইকলিত উদ্যোগপতি হুছলি ৱাডিয়া (এওঁ ফেয়াৰফেক্সৰ বিষয়ত জড়িত বুলি অভিযুক্ত) সম্পৰ্কীয় প্ৰবন্ধটো আয়োগে বিৰূপ দৃষ্টিৰে চোৱা কথাটো ভাতোতৈকৈ আশ্চৰ্যজনক। একোখন তদন্ত আয়োগ আদালত নহয় ; ই এক তথ্য-সন্ধানী গোটহে ; ইয়াৰ কাম হ'ল তদন্ত কৰা আৰু ই পোৱা তথ্যসমূহৰ প্ৰতিবেদন দাখিল কৰা। অন্য ভাষাত কবলৈ গ'লে, ই হ'ল প্ৰাসংগিক তথ্যপাতি সংগ্ৰহ কৰি চৰকাৰক দিয়া এটা ব্যৱস্থা। উইকলিৰ প্ৰবন্ধটো এনে এক তথ্যপাতিৰে অংশ ; আয়োগে ইয়াক ব্যৱহাৰ কৰিব পাৰে। অতিমাত্ৰাই "ন্যায়িক" দৃষ্টিভংগীয়ে তদন্ত আয়োগৰ কামত বাধাৰহে সৃষ্টি কৰিব পাৰে। আয়োগে জালখন বহলাবহে লাগে।

উইকলিৰ সম্পাদক প্ৰীতিশ নন্দী বা প্ৰবন্ধটোৰ লেখক শৈলেশ কোঠাৰিয়ে সম্ভৱতঃ আয়োগ অথবা ইয়াৰ ন্যায়াধীশসকলৰ প্ৰতি অসন্মান প্ৰদৰ্শন কৰাৰ ইচ্ছা কৰা নাছিল। কৰা হলে তেওঁলোকে ন্যায়াধীশ থক্কৰ আৰু নটৰাজনৰ জ্যেষ্ঠ সহযোগী আৰু সৰ্বোচ্চ ন্যায়ালয়ৰ ভূতপূৰ্ব ন্যায়াধীশ এজনৰ অধ্যক্ষতাত অলপতে বহা প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াৰ আগত হাজিৰ নহ'লহেঁতেন। কৰুণানিধিৰ বিৰুদ্ধে উঠা অভিযোগৰ তদন্ত কৰা আয়োগৰ নেতৃত্ব কৰা ন্যায়াধীশ চাৰকাৰিয়াই ১৯৭৬ চনতে আঙুলিয়াই দিছিল যে তদন্ত আয়োগৰ কাৰ্য-প্ৰণালীৰ প্ৰকৃতিয়ে "ফৌজদাৰী আদালতৰ মৰ্যাদা নাপায় ; আয়োগৰ আগত হাজিৰ হোৱা এজন প্ৰতিবাদীক বিচাৰৰ সম্মুখীন হোৱা এজন আচামীৰ পৰ্যায়লৈ কোনোমতেই অৱনমিত কৰিব নোৱাৰি।"

অন্যান্য আয়োগৰ দৰে ভেওঁলোকৰ আয়োগো যে উচ্চ ন্যায়ালয়ৰ নিয়ন্ত্ৰণাধীন, এই কথা থক্কৰ আৰু নটৰাজনে পাহৰা অনুচিত। ধৰক, আয়োগে এটা নিৰ্দেশ জাৰী কৰিলে, আৰু সেই নিৰ্দেশটো সংশ্লিষ্ট পক্ষৰ গ্ৰহণযোগ্য নহ'ল। তেতিয়া সেই পক্ষটো দিল্লী উচ্চ ন্যায়ালয়লৈ যাব পাৰিব। অন্য ভাষাত কবলৈ গলে,—সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলে জাৰী কৰা এটা নিৰ্দেশ উচ্চ ন্যায়ালয়ৰ খণ্ড আদালতৰ দ্বাৰা পুংখানুপুংখভাৱে পৰীক্ষা কৰা হ'ব!

থক্কৰ-নটৰাজন আয়োগৰ শুনানীসমূহে আগতকৈ অধিক স্পষ্টভাৱে উদঙাই দিয়া এটা কথা হ'ল— নিৰপেক্ষ তদন্তকাৰীৰ আৱশ্যকতা। তদন্ত আয়োগ আইন, ১৯৭১অত অন্তভুৰ্ক্ত কৰা ৫ (ক) ধাৰাই আয়োগসমূহক চৰকাৰৰ বিষয়া আৰু অনুসন্ধানকাৰী সংস্থাসমূহৰ সেৱা ব্যৱহাৰ কৰিবলৈ ক্ষমতা প্ৰদান কৰিছে। গতিকে থক্কৰ-নটৰাজন আয়োগে এজন কেন্দ্ৰীয় আইন বিষয়াক যে নিজৰ পৰামৰ্শদাতা হিচাপে আৰু কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাক (CBI) অনুসন্ধানকাৰী সংস্থা হিচাপে নিযুক্তি দিছে, সেয়া নিজৰ আইনগত অধিকাৰৰ সীমাৰ ভিতৰত থাকিয়েই কৰিছে। কিন্তু চৰকাৰ নিজেই আচামীৰ কাঠ গড়াত উঠা অৱস্থাত তদন্তৰ বাবে নিযুক্তি পোৱা এটা চৰকাৰী সংস্থাইনো কেনেকৈ নিৰপেক্ষভাৱে কাম কৰিব? কৰুণানিধিৰ তদন্তৰ কালছোৱাতো অনুৰূপ মনোভাব প্ৰকাশ কৰা হৈছিল। চাৰকাৰিয়া আয়োগে তেওঁৰ (কৰুণানিধিৰ) বিৰুদ্ধে উঠা ২৮ টা অভিযোগৰ আটাইকেইটা চৰকাৰী তদন্ত সংস্থালৈ পঠাই দিছিল ; সকলো ক্ষমতা এক ধৰণৰ "মিনি কমিছন"লৈ হস্তান্তৰ কৰিছিল। এনে কামে ন্যায়ৰ আদৰ্শ ৰক্ষা কৰেনে?

আইন আয়োগে ইয়াৰ ২৪ তম প্ৰতিবেদনত তদন্ত আয়োগসমূহক সহায় কৰাৰ অৰ্থে ইংলণ্ডত থকাৰ দৰে ট্ৰেজাৰি ছলিছিটৰ আৰু তেওঁৰ ব্যক্তিগত কৰ্মচাৰীসকলৰ ব্যৱস্থা ভাৰততো প্ৰবৰ্তন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। তথ্যসমূহ সূক্ষ্মভাৱে পৰীক্ষা কৰি কেনে ধৰণৰ সাক্ষীক জেৰা কৰিব লাগে আৰু কেনে ধৰণৰ দলিল-পত্ৰ আৰু অন্যান্য তথ্য পাতি সংগ্ৰহ কৰিব লাগে সেইবোৰ ঠিক কৰিবলৈ এনে এটা গোটৰ প্ৰয়োজন। কিন্তু সংসদৰ এক যুটীয়া সমিতিয়ে পৰামৰ্শটো গ্ৰহণ নকৰিলে, কাৰণ ইতিমধ্যে তদন্ত আয়োগসমূহক প্ৰতিপক্ষক হাৰাশাস্তি কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল ; শ্ৰীমতী গান্ধীয়ে হাতত গোট খোৱা তথ্যসমূহ পৰীক্ষা কৰিবলৈ আৰু নতুন তথ্য সংগ্ৰহ কৰিবলৈ স্বাধীন ব্যৱস্থা প্ৰবৰ্তন কৰাটো সমৰ্থন কৰা নাছিল। কিন্তু যদিহে আয়োগসমূহে অৰ্থপূৰ্ণ ভূমিকা পালন কৰিব লাগে তেনেহলে (বিশেষকৈ যেতিয়া ৰাজনৈতিক বিবেচনাৰে ব্যাপক হাৰত তদন্ত আয়োগসমূহক নিযুক্তি দিয়া হৈছে) আইন আয়োগে পৰামৰ্শ দিয়া ধৰণৰ এক ব্যৱস্থা লাগিবই।

উচ্চ ন্যায়ালয় আৰু সৰ্বোচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশসকলে এই কামবোৰত বাধা দিব পাৰে,— যদিহে তেওঁলোকৰ নিজৰ মত দৃঢ়ভাৱে প্ৰকাশ কৰিব পাৰে। কাৰণ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰসমূহে আয়োগসমূহলৈ ন্যায়াধীশ মনোনীত কৰাৰ অৰ্থে তেওঁলোকৰ কাষ চাপে। ফেয়াৰফেক্স সম্পৰ্কীয় আয়োগৰ বাবে ভাৰত চৰকাৰে ন্যায়াধীশ থক্কৰৰ নাম বিশেষভাৱে উল্লেখ কৰি তেওঁক বিচাৰিছিল, কিন্তু মুখ্য ন্যায়াধীশ শ্ৰীপাঠকে নটৰাজনৰ নামটোও ভৰাই দিলে। তেওঁ তথ্যসমূহ পৰীক্ষা কৰাৰ ক্ষেত্ৰত আয়োগক সহায় কৰাৰ অৰ্থে এক স্বায়ত্তশাসিত ব্যৱস্থা নোহোৱা পৰ্যন্ত এজন ন্যায়াধীশ মনোনীত কৰিবলৈ অস্বীকাৰ কৰিব পাৰিলেহেঁতেন। পিছে মুখ্য ন্যায়াধীশ পাঠককে অকল দোষ দিব নোৱাৰি। তেওঁৰ পূৰ্ববৰ্তীসকলেও একেটা কামকে কৰি গৈছে। এনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰি মুখ্য ন্যায়াধীশসকলে ৰাজনৈতিক হেঁচাৰ মাজলৈহে ন্যায়াধীশসকলক ঠেলি দিছে।

আয়োগৰ প্ৰতিবেদনৰ বিষয়ত চৰকাৰে কেনে আচৰণ কৰে সেই ক্ষেত্ৰতো আকৌ ৰাজনীতিয়েই সিদ্ধান্ত লয়। ৰাজনীতিয়ে ইয়াক গোপন কৰিব পাৰে; আনকি প্ৰত্যাখ্যানো

৪৯ পৃষ্ঠাত চাওক





OKDISCD

## ছোভিয়েট মাৰ্কিন প্ৰস্তাৱ

# নতুন দিনৰ প্ৰতিশ্ৰুতি

—ডঃ স্থনীল পবন বৰুৱা

এই পৃথিৱীক আণৱিক বিভীষিকাৰপৰা মুক্ত কৰাৰ পথত এক দৃঢ় পদক্ষেপ হিচাপে যোৱা মাহত ছোভিয়েট ইউনিয়ন আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মাজত এক ঐতিহাসিক চুক্তি স্বাক্ষৰ হোৱাৰ বাট মুকলি হৈছে। উক্ত চুক্তি মতে বিশ্বৰ দুই বৃহৎ শক্তিয়ে নীতিগতভাৱে মধ্যম দূৰত্বৰ আণৱিক ক্ষেপণাস্ত্ৰসমূহ আঁতৰাই পেলাবলৈ সন্মতি প্ৰদান কৰিছে। মাৰ্কিন বৈদেশিক সচিব জৰ্জ শ্বুলজ আৰু ছোভিয়েট বৈদেশিক মন্ত্ৰী এডৱাৰ্ড চেভাৰনাড্জেৰ মাজত তিনিদিন ধৰি চলা আলোচনাৰ মূৰত মাৰ্কিন প্ৰেছিডেণ্ট ৰোনাল্ড ৰেগানে এই গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা ঘোষণা কৰে। উক্ত সিদ্ধান্তৰ পটভূমি ৰচনা কৰি আণৱিক উত্তেজনা হ্ৰাস কৰাৰ সন্দৰ্ভত ভালেমান এৰাধৰাৰ নতুন প্ৰস্তাৱ থকা ছোভিয়েট নেতা মিখাইল গৰবাচেভৰ এক দীঘলীয়া পত্ৰ লৈ মিঃ চেভাৰনাড্জে ৱাশ্বিংটনত উপস্থিত হোৱাৰ লগে লগে বিশ্ব-শান্তিৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলাব পৰা এক ঘোষণা আশা কৰি ৰাজনৈতিক পৰ্যৱেক্ষকসকলে ভালেমান জল্পনা-কল্পনা কৰিছিল। উল্লেখযোগ্য যে ইতিমধ্যে ৰিকয়াভিক শীৰ্ষ সন্মিলনত বাধাৰ সৃষ্টি কৰা প্ৰেছিডেণ্ট ৰেগানৰ "অন্তৰীক্ষ যুদ্ধ"ৰ বিষয়টো বৰ্তমান আন্দোলনৰপৰা পৃথক কৰি ৰাখিবলৈ আগতীয়াকৈ সিদ্ধান্ত লোৱা হৈছিল। এই ঘোষণাৰ ফল হিচাপে মাৰ্কিন আৰু ছোভিয়েট নেতা দুগৰাকীৰ মাজত আন এখন শীৰ্ষ সন্মিলনৰ বাট মুকলি হৈছে আৰু আলোচিত ঘোষণাপত্ৰত স্বাক্ষৰ দান কৰিবলৈ চলিত বছৰৰ শেহৰ ফালে যুক্তৰাষ্ট্ৰৰ ৰাজধানীত তেওঁলোক মিলিত হ'ব। প্ৰস্তাৱিত শীৰ্ষ সন্মিলনৰ বিতং কাৰ্যসূচী প্ৰস্তুত কৰাৰ বাবে চলিত মাহতে দুয়োগৰাকী বৈদেশিক মন্ত্ৰী মস্কোত একত্ৰিত হোৱাৰ কথা।

দুই বৃহৎ শক্তিৰ মাজত চলি থকা অবিশ্বাস আৰু তিক্ত বাদানুবাদৰ পৰিপ্ৰেক্ষিতত নতুন ইতিহাস ৰচনা কৰিবলৈ ওলোৱা এই চুক্তিৰ ফলত ইতিমধ্যে স্থাপন কৰা আৰু বৰ্তমান আঁতৰাবলৈ বিচৰা মধ্যম দূৰত্বৰ ক্ষেপণাস্ত্ৰৰ (I.N.F.) হিচাপত দীৰ্ঘ দূৰত্বৰ মজলীয়া ক্ষেপণাস্ত্ৰ (L.R.I.N.F.) আৰু কম দূৰত্বৰ মজলীয়া ক্ষেপণাস্ত্ৰ (S.R.I.N.F.) দুয়োবিধকে সামৰি লোৱা হৈছে। ইউৰোপত স্থাপন কৰা মাৰ্কিন দীৰ্ঘদূৰত্বৰ মজলীয়া ক্ষেপণাস্ত্ৰ হৈছে (L. R. I. N. F.) পাৰছিং-২ (Pershing-II) আৰু


ৰেগান


গৰবাচেভ

ভূস্থলৰ পৰা নিক্ষেপ কৰিব পৰা ক্ৰুইজ ক্ষেপণাস্ত্ৰ (G. L. C. M)। প্ৰথম বিধ ক্ষেপণাস্ত্ৰৰ লক্ষ্যভেদৰ দূৰত্ব ১,৮০০ কিল'মিটাৰ আৰু দ্বিতীয় বিধৰ ২,৫০০ কিল'মিটাৰ। মাৰ্কিন যুক্তৰাজ্যই এতিয়ালৈকে কম দূৰত্বৰ মজলীয়া ক্ষেপণাস্ত্ৰ, স্থাপন কৰা নাই। তেওঁলোকে পশ্চিম জাৰ্মেনিত ১০৮ টা পাৰছিং-২ আৰু বৃটেইন, বেলজিয়াম, ইটালি, নেদাৰলেণ্ড আৰু পশ্চিম জাৰ্মেনিত ১২৪ টা ক্ৰুইজ ক্ষেপণাস্ত্ৰ স্থাপন কৰিছে। দীৰ্ঘ দূৰত্বৰ ছোভিয়েট মজলীয়া ক্ষেপণাস্ত্ৰৰ ভিতৰত ২০০০ কিল'মিটাৰ দূৰত্ব অতিক্ৰম কৰিব পৰা এছ. এছ-৪ (S.S-4) আৰু ৫০০০ কিল'মিটাৰ দূৰত্ব অতিক্ৰম কৰিব পৰা এছ. এছ-২০ (S.S-20) ক্ষেপণাস্ত্ৰক অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ বাদেও কম দূৰত্বৰ মজলীয়া শ্ৰেণীৰ এছ. এছ-২৩ (S.S 23) আৰু স্কেলব'ৰ্ড (Scaleboard) নামৰ ক্ষেপণাস্ত্ৰও আছে। সেইমতে ইউৰোপত ছোভিয়েট ইউনিয়নে দুয়োবিধৰে ৪৬২ টা ক্ষেপণাস্ত্ৰ স্থাপন কৰিছে। ইয়াৰ বাদেও চীন আৰু জাপানৰ বিৰুদ্ধে ২২১ টা ছোভিয়েট ক্ষেপণাস্ত্ৰ আছে। প্ৰস্তাৱিত চুক্তি স্বাক্ষৰিত হ'লে প্ৰায় ৩৩২ টা মাৰ্কিন আৰু ৬৮৩ টা ছোভিয়েট ক্ষেপণাস্ত্ৰ আঁতৰোৱা হ'ব। এই হিচাপৰ বাদেও পশ্চিম জাৰ্মেনিৰ নিজস্ব ৭২ টা ভিন্ন শ্ৰেণীৰ কম দূৰত্বৰ মজলীয়া বিধৰ পাৰছিং ক্ষেপণাস্ত্ৰ আছে। কিন্তু মাৰ্কিন আণৱিক অস্ত্ৰৰে সজ্জিত যদিও এই ক্ষেপণাস্ত্ৰসমূহ আঁতৰোৱাৰ দায়িত্ব লবলৈ মাৰ্কিন যুক্তৰাজ্যই অস্বীকাৰ কৰাত আলোচনাত এক প্ৰকাৰৰ প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছিল। অৱশ্যে প্ৰস্তাৱিত চুক্তি ৰূপায়িত হোৱাৰ লগে লগে সেই ক্ষেপণাস্ত্ৰসমূহ আঁতৰাবলৈ পশ্চিম জাৰ্মেনিৰ চেঞ্চেলাৰ হেলমুট কলে প্ৰতিশ্ৰুতি দিয়াত সমস্যাটো সাময়িকভাৱে দূৰ হৈছে।

কোৱা বাহুল্য যে আলোচিত চুক্তিৰ যোগেদি আণৱিক অস্ত্ৰ কঢ়িয়াই নিয়া মধ্যম শ্ৰেণীৰ ক্ষেপণ যন্ত্ৰসমূহ ধ্বংস কৰা হ'ব আৰু ইয়াৰ লগত সংলগ্ন অস্ত্ৰসমূহো নিষ্ক্ৰিয় কৰা হ'ব। এনেকৈ নিস্ক্ৰিয় কৰিবলৈ বিচৰা আণৱিক যন্ত্ৰৰ সংখ্যা হ'ব প্ৰায় ১,৫০০।



প্ৰকাশিত তথ্য মতে সম্প্ৰতি বিশ্বত ৫০,০০০ আণৱিক অস্ত্ৰ মজুত থকা অৱস্থাত নিষ্ক্ৰিয় কৰিবলৈ বিচৰা অস্ত্ৰৰ পৰিমাণ হ'ব মজুত হৈ থকা সমগ্ৰ অস্ত্ৰৰ কেৱল শতকৰা ৩ ভাগ। সংখ্যাৰ ফালৰপৰা চালে এই পৰিমাণ নিচেই সামান্য; কিন্তু প্ৰস্তাৱিত চুক্তিখনৰ গুৰুত্ব কেৱল সংখ্যাৰে বিচাৰ কৰা উচিত নহব। আণৱিক অস্ত্ৰ সীমিতকৰণৰ বিষয়ে ইতিমধ্যে বৃহৎ শক্তিদ্বয়ৰ মাজত ভালেমান আলোচনা-বিলোচনা হৈছে; কিন্তু এনে আলোচনাত আণৱিক অস্ত্ৰ সীমিত অথবা নিয়ন্ত্ৰণৰ কথাহে উত্থাপিত হৈছিল। কেতিয়াও নিষ্ক্ৰিয় বা সম্পূৰ্ণ ধ্বংস কৰাৰ বিষয়ে আলোচনা হোৱা নাছিল। প্ৰথমবাৰৰ বাবে দুই বৃহৎ শক্তিয়ে "সীমিত" কৰাৰ সলনি প্ৰকৃত অৰ্থত কিছু সংখ্যক আণৱিক অস্ত্ৰ ধ্বংস কৰিবলৈ সন্মত হৈছে। ইয়াৰ ফলত দুটা শ্ৰেণীত ভগোৱা এক বিশেষ আণৱিক অস্ত্ৰৰ ব্যৱহাৰ নিষিদ্ধ হৈ পৰিব। মাৰ্কিন আৰু ছোভিয়েটৰ এই ঐতিহাসিক সিদ্ধান্তৰ প্ৰভাৱ আণৱিক অস্ত্ৰৰ অধিকাৰী আন আন শক্তিসমূহৰ ওপৰতো পৰিব পাৰে। উক্ত চুক্তিৰ ফলস্বৰূপে বিশেষকৈ ইউৰোপে আণৱিকমুক্ত অঞ্চলৰূপে কিছুপৰিমাণ নতুন মৰ্যাদা লাভ কৰিবলৈ সক্ষম হ'ব; কিয়নো, ছোভিয়েট অংশটোৰ বাদে এতিয়া সমগ্ৰ মহাদেশখন মাৰ্কিন আৰু ছোভিয়েট ক্ষেপণাস্ত্ৰৰ পোনপটীয়া সংঘৰ্ষৰপৰা মুক্ত হ'ব পাৰিব আৰু তাৰ সামৰিক তথা ৰাজনৈতিক প্ৰভাৱ নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ হ'ব। আনহাতে মজলীয়া বিধৰ ক্ষেপণাস্ত্ৰসমূহ অপসাৰণ কৰাৰ চুক্তি সফলতাৰে ৰূপায়িত হ'লে ভৱিষ্যতে আন্তঃমহাদেশীয় দীৰ্ঘদূৰত্বৰ ক্ষেপণাস্ত্ৰসমূহ নিষ্ক্ৰিয় কৰাৰ পথ মুকলি হ'ব পাৰে।

শেহতীয়াভাৱে মধ্যম দূৰত্বৰ আণৱিক ক্ষেপণাস্ত্ৰৰ ক্ষেত্ৰত মাৰ্কিন প্ৰেছিডেণ্ট ৰেগানে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তই মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মাৰ্কিন প্ৰেছিডেণ্টৰ দুটা ম্যাদৰ আঠ বছৰীয়া শাসন শেষ হ'বলৈ মাত্ৰ ১৬ মাহ বাকী আছে। উল্লেখযোগ্য যে মাৰ্কিন প্ৰেছিডেণ্টসকলৰ ভিতৰত এক কঠোৰ ছোভিয়েট-বিৰোধী নীতি গ্ৰহণ কৰা শাসকসকলৰ ভিতৰত অন্যতম ৰোনাল্ড ৰেগানৰ শাসন কালত প্ৰয়াত ছোভিয়েট নেতা ব্ৰেজনেভৰপৰা বৰ্তমানৰ মিখাইল গৰবাচেভলৈকে চাৰিজন ৰাষ্ট্ৰপ্ৰধানে ক্ৰেমলিনৰ নীতি নিৰ্ধাৰণৰ দায়িত্ব গ্ৰহণ কৰিছে। বিশ্ব-শান্তি তথা নিৰস্ত্ৰীকৰণৰ ক্ষেত্ৰত ব্ৰেজনেভৰ পৰৱৰ্তী ছোভিয়েট নীতিয়ে সম্প্ৰতি গৰবাচেভৰ আমোলত এক স্পষ্টৰূপ ধাৰণ কৰিছে। বৰ্তমান ছোভিয়েট প্ৰচাৰ মাধ্যমে বিশ্বব্যাপী চলোৱা ব্যাপক অভিযানৰ দ্বাৰা সাধাৰণভাৱে এনে এক ধাৰণাৰ সৃষ্টি কৰিছে যে বিশ্বশান্তি আৰু নিৰস্ত্ৰীকৰণৰ বাবে ছোভিয়েট ইউনিয়নে চলোৱা প্ৰচেষ্টাৰ প্ৰতি সঁহাৰি জনোৱাত মাৰ্কিন মহল ব্যৰ্থ হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত মাৰ্কিন প্ৰেছিডেণ্টৰ একাংশ ঘনিষ্ঠ পৰামৰ্শদাতাই তেওঁক পতিয়ন নিয়াবলৈ সক্ষম হৈছে যে বিশ্বশান্তিৰ বাবে চমকপ্ৰদ কিবা এটা কাম কৰাটো তেওঁৰ বাবে প্ৰয়োজন হৈছে,—যাতে ইতিহাসত ৰেগানেও নিজাববীয়াকৈ নাম থৈ যাব পাৰে। অৱশ্যে মাৰ্কিন প্ৰেছিডেণ্টৰ এনে সিদ্ধান্তই ৰিপাব্লিকান দলৰ উগ্ৰ সোঁপন্থী মহলক অসন্তুষ্ট কৰিছে। বিশেষকৈ মাৰ্কিন সামৰিক নীতিৰ মূল নিৰ্ধাৰক পেণ্টাগন আৰু পশ্চিম ইউৰোপত মাৰ্কিন যুক্তৰাজ্যৰ মিত্ৰশক্তি উত্তৰ আটলাণ্টিক চুক্তি সংস্থা (N.A.T.O.) বৰ্তমান সময়ত আণৱিক শক্তি হ্ৰাস কৰাত মুঠেই আগ্ৰহী নহয়। তেওঁলোকৰ আশংকা হৈছে,—ইউৰোপত মাৰ্কিন আণৱিক ৰক্ষণাবেক্ষণ নাইকিয়া হ'লে পশ্চিম ইউৰোপ ছোভিয়েট সামৰিক বাহিনীৰ আক্ৰমণৰ বাবে মুকলি হৈ পৰিব; কিয়নো, নাটো শক্তিবৰ্গই ছোভিয়েট সামৰিক বাহিনীৰ পৰম্পৰাগত শক্তিক সমীহ কৰি চলে। এনে অৱস্থাত ছোভিয়েট ইউনিয়নে বিশেষ গুৰুত্ব আৰোপ কৰা পাৰছিং-২ ক্ষেপণাস্ত্ৰৰ নিচিনা সক্ৰিয় আণৱিক সমৰসজ্জা পৰিহাৰ কৰিবলৈ লোৱা সিদ্ধান্তত স্বাভাৱিকভাৱে ইউৰোপত মাৰ্কিন মিত্ৰশক্তিয়ে অস্বস্তিবোধ কৰিছে।

তথাপি যোৱা ছবছৰৰ তুলনাত শেহতীয়াভাৱে দুই বৃহৎ শক্তিৰ মাজত সম্পৰ্ক ভালেখিনি উন্নত হোৱাৰ চিন পৰিলক্ষিত হৈছে। মধ্য দূৰত্বৰ ক্ষেপণাস্ত্ৰৰ বাদেও দুৰ্ঘটনাক্ৰমে হ'ব পৰা আণৱিক সংঘৰ্ষৰ পৰা হাত সাৰিব পৰাকৈ কিছু সংখ্যক আণৱিক বিপদ হ্ৰাস কৰিব পৰা কেন্দ্ৰ স্থাপনৰ সম্পৰ্কতো অনুকূল মত গ্ৰহণ কৰা হৈছে। ইতিমধ্যে দুয়োখন দেশে হাইস্কুল পৰ্যায়ত ছাত্ৰ বিনিময়ৰ আঁচনিত অনুমোদন জনাইছে। কেৱল ভাষা-জ্ঞান বিষয়ৰ মাজতে আবদ্ধ থকা বিশ্ববিদ্যালয় পৰ্যায়ৰ অধ্যয়ন, ৰসায়ন আৰু পদাৰ্থ বিজ্ঞানলৈও সম্প্ৰসাৰিত কৰা হৈছে আৰু লগতে দুয়োখন দেশৰ মাজত অধ্যাপক বিনিময়ৰ পৰিমাণো বৃদ্ধি কৰা হৈছে। পৌৰ বিষয়াসকলৰ অহা-যোৱাৰ সুবিধা থকা মহানগৰৰ সংখ্যা দুয়োখন দেশতে দুগুণ কৰিবলৈ চিন্তা কৰা হৈছে। বিশেষকৈ ছোভিয়েট ইহুদীসকলৰ ওপৰত বিদেশ যাত্ৰাৰ ক্ষেত্ৰত থকা বাধা-নিষেধ প্ৰত্যাহাৰ কৰিবলৈ গৰবাচেভে লোৱা সিদ্ধান্তই মাৰ্কিন ইহুদী মহলত থকা ছোভিয়েট-বিৰোধী মনোভাব হ্ৰাস কৰাত ভালেখিনি অৰিহণা যোগাইছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ইৰাক-ইৰান যুদ্ধৰ নিচিনা বিষয়ত দুয়োটা বৃহৎ শক্তিয়ে গ্ৰহণ কৰা দৃষ্টিভংগীতো পৰিবৰ্তনে দেখা দিছে। এনে অৱস্থাত আণৱিক ক্ষেপণাস্ত্ৰৰ ক্ষেত্ৰত শেহতীয়া ছোভিয়েট-মাৰ্কিন সিদ্ধান্তক এক প্ৰতীকধৰ্মী কাৰ্যৰূপে গণ্য কৰা হ'লেও অদূৰ ভৱিষ্যতে বিশ্বব্যাপী দেখা দিয়া আণৱিক সংকট দূৰ কৰাত ই সহায়ক হ'ব বুলি আশা কৰিব পাৰি।



OKDISCD

# বিজ্ঞান জন-সংযোগ

## ভাৰত জনবিজ্ঞান যাত্ৰা/ব্ৰহ্মপুত্ৰ বিজ্ঞান উত্তৰণ ভ্ৰমণ

ড° কুলেন্দু পাঠক

বিজ্ঞান জনপ্ৰিয়কৰণ নামৰ শব্দটো আজিকালি এলাগী হৈছে। এতিয়া প্ৰচলিত (পাশ্চাত্যত অৱশ্যে বহুত দিন আগতেই চলিছে) শব্দটো হ'ল বিজ্ঞান জনসংযোগ (Science Communication)। এই কামৰ বাবে সৰ্বভাৰতীয় পৰ্যায়ত ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জনসংযোগ পৰিষদ গঠন কৰা হৈছে। তদুপৰি ৰাজ্যিক বিজ্ঞান পৰিষদবোৰেও (অসমতো তেনে এখন পৰিষদ আছে যদিও এই পৰিষদে কি কৰিছে সেই বিষয়ে আমি নাজানো।) ৰাইজৰ হিতাৰ্থে বিজ্ঞানৰ প্ৰয়োগত আগভাগ ল'ব লাগে বুলি এনে পৰিষদবোৰক তথা ৰাজ্যিক বিজ্ঞান বিভাগবোৰকো ভাৰত চৰকাৰে টকা দিয়াৰ লগতে মনত পেলাই দি থাকে। সেই অনুপাতে কাম কিমান হৈছে, ৰাইজে সেই প্ৰশ্ন উত্থাপন কৰিব লাগে।

সৌভাগ্যৰ কথা যে আমাৰ দেশৰ এক সুনিৰ্দিষ্ট বিজ্ঞান-পলিছি আছে। এই পলিছি অনুসৰি বিজ্ঞান আৰু প্ৰযুক্তিৰ বাবে টকা খৰচো কৰা হয়। কিন্তু দুৰ্ভাগ্যৰ কথা হ'ল আন বহুতো ক্ষেত্ৰৰ দৰে, এই ক্ষেত্ৰতো টকা আদ বাটতে হেৰাই যায়; দেশৰ দৰিদ্ৰ জনগণে বিজ্ঞানৰ নামত নানা চমকপ্ৰদ কথা শুনে, কিন্তু জনগণৰ আৰ্থিক, বৌদ্ধিক, সামাজিক আৰু শৈক্ষিক উন্নতিৰ বাবে বিজ্ঞানৰ প্ৰয়োগ হোৱা তেওঁলোকে দেখা নাপায়। বহুতো সময়ত, ভগা স্কুলঘৰত কজমিক ৰে', কলপাতৰ ছামিয়ানাৰ তলত অ'জ'ন হ'ল (Oznne Hole), বা এসাজ ভাত নোখোৱাকৈ ব্লাড কলেষ্টেৰলৰ বিষয়ে "জনপ্ৰিয়" বক্তৃতা শুনি তেওঁলোকে হয়তো ভাবে,— "এই জনমত বিজ্ঞানে আমাৰ জীৱনত জোৱাৰ নানে; অংকত ভাল ল'ৰা বা ছোৱালীজনীকে বিজ্ঞান পঢ়ুৱাব পাৰিলে কিবা এটা হ'ব চাগৈ।"

অলপতে এটা সাক্ষাৎকাৰ প্ৰসংগত প্ৰখ্যাত বিজ্ঞানী আৰু প্ৰধান মন্ত্ৰীৰ বিজ্ঞান উপদেষ্টা অধ্যাপক মেননে কৈছিল, "বিজ্ঞানৰ প্ৰকৃত উপকাৰ দেশৰ অগণিত জনগণে সমভাৱে পোৱা নাই।" কেৱাল শাস্ত্ৰ সাহিত্য পৰিষদ, অসম বিজ্ঞান সমিতি প্ৰমুখ্যে বিজ্ঞান জনসংযোগৰ লগত জড়িত প্ৰতিটো অনুষ্ঠানে এই উক্তিৰ সত্যতা উপলব্ধি কৰে। সেয়েহে সৰ্বভাৰতীয় জনবিজ্ঞান যাথাৰ (যাত্ৰা) মুখ্য উদ্দেশ্য হ'ল ঃ

বিজ্ঞান আৰু দেশৰ জনগণৰ মাজত প্ৰকৃত সংযোগ স্থাপন কৰা আৰু এই কাৰ্যৰ জৰিয়তে ৰাইজক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যথাযথ প্ৰয়োগৰ দ্বাৰা জীৱন যাত্ৰাৰ ব্যাপক পৰিবৰ্তন অনাৰ সম্ভাৱনাৰ বিষয়ে জনোৱা।

ভাৰত জনবিজ্ঞান যাত্ৰাত কি কি কৰা হ'বঃ

### ভাৰত জন-বিজ্ঞান যাত্ৰাৰ বিষয় আৰু মাধ্যম

"এই যাত্ৰাত খেল-ধেমালি, থলুৱা গীত-মাত, শ্লাইড প্ৰদৰ্শনী, ভিডিঅ', প্ৰচাৰপত্ৰ, মডেল আৰু আন আহিলা, জনপ্ৰিয় বক্তৃতা, কিতাপ-পত্ৰ পুতলা, আলোচনা চক্ৰ, কুইজ, ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা আদি বিভিন্ন মাধ্যমৰ জৰিয়তে আত্মনিৰ্ভৰশীলতা, বৈজ্ঞানিক অনুসন্ধান, জন বিজ্ঞান আন্দোলন, মৌলিক বিজ্ঞান, বিজ্ঞানৰ নতুন নতুন ক্ষেত্ৰ, ভাৰতত বিজ্ঞানৰ চৰ্চা, স্বাস্থ্য আৰু ঔষধ, পৰিবেশ আৰু প্ৰদুষণ, পানী, আশ্ৰয়, শিল্প-উদ্যোগ, ধৰ্মনিৰপেক্ষতা আৰু শান্তি আদি বিষয়ৰ ওপৰত আলোকপাত কৰা হ'ব। বিশেষ গুৰুত্ব আৰোপ কৰা এই বিষয় আৰু মাধ্যমবোৰৰ দ্বাৰা নিম্নোল্লিখিত মুখ্য দিশসমূহ জনসাধাৰণৰ সন্মুখত উপস্থাপন কৰা হ'ব।

(ক) জনসাধাৰণৰ জীৱনৰ মান উন্নতকৰণৰ কাৰণে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই আগবঢ়োৱা সুযোগ গ্ৰহণ কৰিবলৈ হ'লে যিকোনো বিকাশমূলক কাৰ্যক্ৰমত জনসাধাৰণৰ অংশগ্ৰহণ অপৰিহাৰ্য।

(খ) বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানৰ সুপ্ৰয়োগৰ দ্বাৰাহে প্ৰাকৃতিক সম্পদ আৰু কাৰিকৰী কৌশলৰ শুভ ফল সকলোৰে সমানে পাব পাৰে। কিন্তু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অপপ্ৰয়োগে আজি এই আশা ম্লান কৰিছে।

(গ) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অপপ্ৰয়োগ বাধা দিবলৈ জনসাধাৰণৰ সচেতনতা বাঢ়িব লাগে।

(ঘ) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক সামাজিক প্ৰগতিৰ অস্ত্ৰ হিচাপে গঢ় দিবলৈ ব্যাপক জনমত গঢ়ি তুলিব লাগে।

(ঙ) দেশৰ সাধাৰণ জনগণৰ আশা-আকাংক্ষা পূৰণ কৰাৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ দায়বদ্ধতা বৃদ্ধি কৰিব লাগে।

(চ) বৈজ্ঞানিক জ্ঞান আৰু মূল্যবোধে সমগ্ৰ মানব জাতিৰ একক পৰিচয় আৰু ভৱিষ্যত স্পষ্ট কৰাৰ লগতে জাতি, বৰ্ণৰ মাজৰ ঘৃণা, বৈষম্য আৰু সংঘাতৰ সাৰশূন্যতা প্ৰতিপন্ন কৰে।

(ছ) বিজ্ঞান সমগ্ৰ মানব জাতিৰ এক উমৈহতীয়া ঐতিহ্যৰ প্ৰতীক। ইতিহাসৰ বিভিন্ন পৰিস্থিতিত পৃথিৱীৰ বিভিন্ন দেশৰ বিজ্ঞানীৰ লগতে আমাৰ ভাৰতীয় বিজ্ঞানীয়েও এই ঐতিহ্যৰ বিকাশলৈ নিজৰ অৱদান আগবঢ়াই আহিছে।

(জ) দেশখনৰ আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত বিজ্ঞানী আৰু প্ৰযুক্তিবিদসকলে লাভ কৰা সাম্প্ৰতিক উদ্ভাৱন আৰু সাফল্যসমূহৰ কথা জনগণে জানিব লাগে।

(ঝ) বৈজ্ঞানিক প্ৰণালী আৰু প্ৰমূল্যসমূহ উপলব্ধিৰ দ্বাৰা জনগণে আমাৰ চৌপাশৰ পৃথিৱীখন আবিষ্কাৰ কৰাৰ নিৰ্মল আনন্দ আৰু উত্তেজনা অনুভৱ কৰিবলৈ সমৰ্থ হ'ব লাগে।

দেশৰ বিভিন্ন অঞ্চলৰপৰা এই যাত্ৰা বাপুজীৰ জন্ম দিবসত আৰম্ভ হৈ সাত নৱেম্বৰৰ (ৰমনৰ জন্ম-দিন) দিনাখন ভুপালত আটাইবোৰ যাত্ৰা (উত্তৰ, পশ্চিম, দক্ষিণ, পূব আৰু উত্তৰ-পূব) মিলিত হ'ব আৰু তাতে এক বিৰাট জনবিজ্ঞান সমাৰোহ পালন কৰা হ'ব। দেশৰ প্ৰায় পঞ্চাছ লাখ মানুহে এই যাত্ৰাৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰিব আৰু ৰেডিঅ' টি. ভি. আদিৰ জৰিয়তে প্ৰায় পাঁচ




## ভাৰত জনবিজ্ঞান যাত্ৰাৰ উত্তৰ-পূব অঞ্চলৰ কাৰ্যসূচী

২।১০।৮৭ঃ আগৰতলা আৰু ইম্ফলৰপৰা যাত্ৰাৰ আৰম্ভ।

অসমৰ যাত্ৰা ৫।১০।৮৭ তাৰিখে ডিফুৰপৰা আৰম্ভ। অসমৰ নিম্নলিখিত ঠাইবোৰত আঞ্চলিক, ৰাজ্যিক আৰু স্থানীয় কমিটিৰ সহযোগত বিজ্ঞান সম্পৰ্কীয় বিভিন্ন অনুষ্ঠান পতা হৈছে।

ডিফু, গোলাঘাট, দেৰগাঁও, যোৰহাট, বাহনা, তিতাবৰ, শিৱসাগৰ, ডিমৌ, মৰাণ, নামৰূপ, ডুলিয়াজান, তিনিচুকীয়া, ডিব্ৰুগড়, ধেমাজি, উত্তৰ লক্ষীমপুৰ, লালুক, নাৰায়ণপুৰ, বৰঙাবাৰী, বিশ্বনাথ চাৰিআলি, জামুগুৰিহাট, তেজপুৰ, নগাঁও, ৰহা, জাগীৰোড, ক্ষেত্ৰী, গুৱাহাটী, শিলছৰ, মিৰ্জা, নলবাৰী, টিহু, পাঠশালা, বৰপেটা, অভয়াপুৰী, বঙাইগাঁও, কোকৰাঝাৰ, চাপৰ আৰু ধুবুৰী।



কোটি মানুহে যাত্ৰাৰ কাৰ্যাৱলীৰ কথা গম পাব। এই কামৰ বাবে বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ ৰাষ্ট্ৰীয় কাউন্সিলে ৬৭ লাখ টকাৰ অনুদান আগবঢ়াইছে।

আশা কৰা হৈছে যে এই যাত্ৰাৰ ফল হিচাপে দেশত এক স্থায়ী আৰু প্ৰকৃত জন-বিজ্ঞান আন্দোলন গঢ়ি উঠিব আৰু "বিজ্ঞান জনসাধাৰণৰ বাবে, বিজ্ঞান আত্ম নিৰ্ভৰশীলতাৰ বাবে, বিজ্ঞান সামাজিক প্ৰগতিৰ বাবে"— আদি শ্লʼগানসমূহ বাস্তৱত ৰূপায়িত কৰিবলৈ দেশবাসী আৰু জনসাধাৰণ আগবাঢ়ি আহিব।

উত্তৰ-পূৰ্বাঞ্চলত যাত্ৰা সংগঠিত কৰাত অসম বিজ্ঞান সমিতিয়ে আগ-ভাগ লৈছে। ইতিমধ্যে ত্ৰিপুৰা, মণিপুৰ আৰু মেঘালয়তো ৰাজ্যিক পৰ্যায়ৰ কমিটি গঠিত হৈছে আৰু অসমৰ বহুতো ঠাইৰ মাজেদি এই যাত্ৰা পৰি-চালনা কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। ৰাইজৰ সহায়-সহাঁৰিয়েহে এনে অভূত-পূৰ্ব আন্দোলন সফল কৰিব পাৰে।


**ব্ৰহ্মপুত্ৰ বিজ্ঞান উত্তৰণ ভ্ৰমণ ঃ** ২০/২৫ বছৰীয়া ডেকা-গাভৰুৰ দল এটা। ভাবী কালত তেওঁলোক হʼব আমাৰ ৰাজ্যৰ ইঞ্জিনিয়াৰ, ডাক্তৰ, বিজ্ঞানী, কৃষি বিজ্ঞানী, পশু বিজ্ঞানী তেওঁলোকে অসম আৰু ওচৰ-চুবুৰীয়া ৰাজ্যৰ দূৰৱৰ্তী ঠাইবোৰলৈ ওলাইছে ; —ৰাইজক হাতে-কামে দেখুৱাব খুজিছে যে বিজ্ঞানৰ সৰু-বৰ আবিষ্কাৰবোৰ ব্যৱহাৰ কৰি জীৱন যাত্ৰা আৰু গ্ৰাম্য অৰ্থনীতিৰ উন্নতি সম্ভৱপৰ। "ইনষ্টাৰ" নামৰ ছাত্ৰ সংগঠনৰ দ্বাৰা আয়োজিত "ব্ৰহ্মপুত্ৰ বিজ্ঞান উত্তৰণ ভ্ৰমণ" অক্টোবৰ মাহৰ শেষৰ ফালে আৰম্ভ হʼব।

অভিযাত্ৰী দলটোৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কেইবাটাও অঞ্চলত সেৱা আগবঢ়োৱাৰ লগতে মেঘালয় (গাৰো পাহাৰ) আৰু অৰুণাচলৰ দুই এখন ঠাই চুই যোৱাৰ পৰিকল্পনা হাতত লৈছে। এই অঞ্চলৰ জনগণৰ অৰ্থ-নৈতিক মুক্তিৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই কেনেকৈ সহায় আগ-বঢ়াব পাৰে, সেই দিশলৈ এওঁলোকে চকু ৰাখিব।

আমাৰ বোধেৰে যিবোৰ ঠাইত এওঁলোকে দুই-তিনি দিন থাকিব, সেই অঞ্চলৰ ৰাইজে এওঁলোকৰপৰা নতুন কথাবোৰ চালিজাৰি চাই বুজি-বাজি লোৱা উচিত। এই ভ্ৰমণৰ প্ৰধান লক্ষ্য হʼব অসম তথা ওচৰ-চুবুৰীয়া ৰাজ্যৰ মানুহৰ জীৱনত বিজ্ঞান-প্ৰয়োগৰ পথ সুগম কৰি তোলা। এই ভ্ৰমণৰ ফলত যদি এশজন থলুৱা ডেকা গাভৰুও যদি বিভিন্ন প্ৰযুক্তিমূলক জীৱিকাৰ প্ৰতি আগ্ৰহান্বিত হয়, যদি প্ৰতিটো অঞ্চলতে জনস্বাস্থ্য সচেতনতা বাঢ়ে, যদি আমাৰ কৃষকসকল শীত কালৰ জলসিঞ্চন ভিত্তিক কৃষি পদ্ধতিৰ পিনে আগুৱাই যায়, তেনেহলে এনে ভ্ৰমণ কাৰ্যসূচীৰ আৰম্ভণি সাৰ্থক হোৱা বুলি কব পৰা যাব। আশা কৰা হৈছে যে ভৱিষ্যতেও বিভিন্ন বিজ্ঞান-প্ৰেমী সংগঠনে এনে ভ্ৰমণ বা যাত্ৰাৰ আয়োজন কৰিব।


আপোনাৰ আঙুলিত যদিহে কুচি থাকিলহেঁতেন...

...তেতিয়া হলে আপুনি দাঁতৰ পাছফালো পৰিষ্কাৰ কৰিব পাৰিলেহেঁতেন, যʼত দন্তক্ষয় প্ৰথমেই আৰম্ভ হয়। অধিকাংশ টুথব্ৰাছেইতো আপোনাৰ আঙুলিৰ দৰে ভাজ খাব নোৱাৰে যে পাছফালে ঘূৰি পৰিষ্কাৰ কৰিব। কিন্তু এতিয়া ওলাল প্ৰমিছ 15 —যাৰ আছে আগডোখৰত অনন্য ১৫° কোণ যাতে আপোনাৰ দাঁতৰ পাছফাল পৰিষ্কাৰ কৰাটো লৰা—ধেমালিৰ দৰেই সহজ হৈ পৰে। দন্ত চিকিৎসকেও যে ইয়াক অতিকে বিজ্ঞানসম্মত বুলি বিবেচনা কৰে, তাত আচৰিত হবলৈ একো নাই।



CHAITRA-B-BLS-678 ASM




# প্ৰাথমিক বিদ্যালয়ত

# নামভৰ্তিৰ বয়স আৰু শিকনৰ অগ্ৰগতি

ডঃ হৰেন শৰ্মা

প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিৰ বয়স কিমান হোৱা উচিত, বয়সৰ লগত শিকনৰ অগ্ৰগতিৰ কেনেধৰণৰ সম্পৰ্ক আছে, কম বয়সত প্ৰাথমিক বিদ্যালয়ত নাম লগালে ছাত্ৰ-ছাত্ৰীৰ শিকনৰ অগ্ৰগতিত কিবা বিৰূপ প্ৰভাৱ পৰিব পাৰেনে কি, নাম লগোৱা বয়সৰ তাৰতম্যৰ কাৰণে শিকনৰ অগ্ৰগতিত কিবা তাৰতম্য ঘটিব পাৰেনেকি ইত্যাদি বিষয়ে কোনো প্ৰণালীবদ্ধ অধ্যয়ন বা সমীক্ষা আমি জনাত আমাৰ ৰাজ্যত কতো হোৱা নাই। ভাৰতৰ আন ৰাজ্যতো যদি কৰবাত হৈছে চকুত পৰা নাই। কিন্তু উন্নত দেশবোৰত এই দিশত প্ৰচুৰ গৱেষণা হৈছে। সেই অনুক্ৰমে পঠন-পাঠনৰ ব্যৱস্থা কৰা হৈছে। এইবোৰ দেশত বয়স অনুযায়ী শিকনৰ প্ৰয়োজনীয় মানসিক যোগ্যতা নিৰ্ণয় কৰিব পৰা পৰিমাপক সঁজুলি আছে। নিৰ্ধাৰিত বয়সৰ মান-সিক যোগ্যতা, পৰিপক্কতা, বিকাশৰ ধাৰা আৰু গতিবেগ স্থিৰ কৰিহে উন্নত দেশবোৰত ব্যক্তিৰ বিভিন্নতাৰ ভিত্তিত শিক্ষাৰ ব্যৱস্থা কৰা হয়। আনহাতে, আমাৰ দেশত শিক্ষাৰ প্ৰায়বোৰ কথাই অনুমানৰ ওপৰতে স্থিৰ কৰা হয়। পঠন-পাঠনৰ বিষয়বস্তু, পদ্ধতি, মূল্যায়ন আদি সকলো কথাই অনুমানৰ ওপৰত প্ৰতিষ্ঠিত হৈছে। অনুমানৰ ওপৰতে নাম লগোৱা বয়সো বান্ধি দিয়া হৈছে। ভাৰতৰ প্ৰায়বোৰ ৰাজ্যতে, জনামতে, প্ৰাথমিক বিদ্যালয়ত নাম লগোৱা বয়স ৫+ ; অৰ্থাৎ পাঁচ বছৰ বয়স উকলি গলেই লʼৰা-ছোৱালীয়ে আনু-ষ্ঠানিক শিক্ষাৰ কাৰণে প্ৰাথমিক বিদ্যালয়ত নাম লগাব পাৰে। এইবোৰ ৰাজ্যত প্ৰাথমিক পৰ্যায়ৰ পাঠ্যক্ৰমো পাঁচবছৰীয়া। আমাৰ ৰাজ্যতো আগতে প্ৰাথমিক পৰ্যায়ৰ পাঠ্যক্ৰম পাঁচবছৰীয়া; লʼৰা-ছোৱালীয়ে পাঁচবছৰ বয়স উকলি গলেই প্ৰাথমিক বিদ্যালয়ত নাম লগাই আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰিব পৰা নিয়ম আছিল। কিন্তু এটা সময়ত এই পৰ্যায়ৰ পাঠ্য-ক্ৰম চাৰিবছৰীয়া কৰা হয় আৰু বিদ্যালয়ত নাম লগোৱা বয়স ৬+ লৈ বঢ়াই দিয়া হয় ; অৰ্থাৎ ছবছৰ উকলি গলেহে লʼৰা-ছোৱালীক প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰিব পৰা নিয়ম কৰা হয়। কিন্তু নিয়ম বান্ধি দিলে যদিও প্ৰকৃততে বিদ্যালয়বোৰত চাৰি-পাঁচ বছৰ বয়সতে নাম লগোৱা লʼৰা-ছোৱালীও বহুত পোৱা যায়।

নাম লগোৱা বয়সৰ বিভিন্নতাৰ সুযোগ লৈ এটা সমীক্ষা কৰা হৈছিল। কম বয়সত নাম লগালে শিকনৰ অগ্ৰগতিত কিবা বিশেষ অসুবিধা হয় নেকি, লগত বয়সৰ তাৰতম্য আৰু শিকনৰ অগ্ৰগতিৰ মাজত সম্বন্ধ কেনেকুৱা, —এই দুয়োটা বিশেষ উদ্দেশ্য লৈ সমীক্ষাটো কৰা হয়। সমীক্ষাটোৰ পটভূমি আছিল যোৰহাট নগৰ আৰু নগৰৰ উপকণ্ঠ অঞ্চলত অৱস্থিত প্ৰাথমিক বিদ্যালয়সমূহ। বিদ্যালয়সমূহৰ প্ৰথম শ্ৰেণীত নাম লগোৱা ছাত্ৰ-ছাত্ৰী সকলৰ নাম; ঠিকনা আৰু তেওঁলোকে ব্যক্তিগতভাৱে শ্ৰেণীয়ে-শ্ৰেণীয়ে লাভ কৰা শিকন অগ্ৰগতিৰ ফলাফল আদি তথ্যসমূহ সংগ্ৰহ কৰা হয়। অনুসৰণৰ সুবিধাৰ কাৰণে যিসকল ছাত্ৰ-ছাত্ৰীয়ে অকৃতকাৰ্য নোহোৱাকৈ ক্ৰমশঃ প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ প্ৰমোছন পাই গৈছিল সেইসকল ছাত্ৰ-ছাত্ৰীয়েহে সমীক্ষাত স্থান পায়।

নগৰ আৰু উপকণ্ঠ দুয়োটা অঞ্চলৰ সাম্প্ৰদায়িক, আৰ্থ-সামাজিক আৰু শৈক্ষিক বিভিন্নতা প্ৰতিনিধিত্ব কৰিব পৰাকৈ এটা স্তৰীভূত যাদৃচ্ছিক-নমুনা (Stratified random sampling) প্ৰস্তুত কৰি লোৱা হয়। নমুনাটো চূড়ান্ত কৰাৰ পাছত নমুনাত অন্তৰ্ভুক্ত হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰকৃত সোঁৱৰণী বয়স সংগ্ৰহ কৰা হয়, আৰু নমুনাৰ ছাত্ৰ-ছাত্ৰীসকলক এই সোঁৱৰণী বয়সৰ ভিত্তিত ভাগ কৰা হয়। চাৰি বছৰ, পাঁচ বছৰ আৰু ছবছৰ,— এই তিনিটা বয়সৰ তিনিটা ভাগ পোৱা হʼল।

এক নম্বৰ তালিকাত বয়সৰ বিভিন্নতা অনুযায়ী ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীয়ে-শ্ৰেণীয়ে লাভ কৰা গড় নম্বৰৰ ভিত্তিত তেওঁলোকৰ শৈক্ষিক অগ্ৰগতি দেখুউৱা হৈছে। চাৰ্ট-খনৰ তথ্যসমূহ উপৰুৱাভাৱে পৰ্যবেক্ষণ কৰিলেও দেখা যায় যে আমাৰ প্ৰচলিত শিক্ষাত প্ৰাথমিক বিদ্যালয়ত নাম-লগোৱা বয়সৰ তাৰতম্য থাকিলেও ই ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক অগ্ৰ-গতিত অসুবিধাৰ সৃষ্টি নকৰে। কম বয়সত নাম লগোৱা সকলে বয়সীয়া-সকলৰ তুলনাত নিম্নমানৰ অগ্ৰগতি দেখুউৱা নাই। তৃতীয় শ্ৰেণীৰ পৰা

তালিকা ১

বয়সৰ বিভিন্নতা অনুযায়ী শ্ৰেণীয়ে-শ্ৰেণীয়ে লাভ কৰা শৈক্ষিক অগ্ৰগতি

| শ্ৰেণী | 8 বছৰ | ৫ বছৰ | ৬ বছৰ |
|---|---|---|---|
| ১ম | ৭৮·৭৭ | ৭৩·০৮ | ৬৯·৫০ |
| ২য় | ৭৫·৯৭ | ৭৮·৮৭ | ৭৮·১২ |
| ৩য় | ৬৫·০৯ | ৬৬·৩৪ | ৬৬·৫৪ |
| ৪ৰ্থ | ৪৭·৮৫ | ৪৯·৫৭ | ৪৬·৩৮ |



OKDISCD

আটাই কেইটা বয়সৰ ছাত্ৰ-ছাত্ৰীৰে শৈক্ষিক অগ্ৰগতি প্ৰায় একে অনুপাতে নিম্নগামী হোৱা পৰিলক্ষিত হৈছে।

দুই নম্বৰ তালিকাত তথ্যসমূহে বিভিন্ন বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা গড় নম্বৰৰ মাজত পাৰ্থক্য আৰু এনে পাৰ্থক্যৰ সাংখ্যগাণিতিক ভিত্তিত তাৎপৰ্য আছেনেকি দেখুৱাইছে। ইয়াৰ বাবে 't' test প্ৰয়োগ কৰা হৈছিল। নিৰ্ধাৰিত Table Value ৰ লগত তুলনা কৰি কোনো ক্ষেত্ৰতে গড় নম্বৰসমূহৰ মাজত তাৎপৰ্যমূলক পাৰ্থক্য পোৱা নহ'ল।

তিনি নম্বৰ তালিকাৰ তথ্যসমূহে একেবয়সৰে ছাত্ৰ-ছাত্ৰীৰ ফলাফলৰ ক্ষেত্ৰত স্কেলৰ অৱস্থানসমূহ কেনেকৈ প্ৰসাৰণ হয় সেয়া দেখুৱাইছে। প্ৰতিটো বয়সৰে প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়েই ফলাফলৰ ক্ষেত্ৰত নিজ-নিজ অৱস্থানৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ একেবাৰে সক্ষম নহয়। এই পৰিস্থিতি কেৱল প্ৰাথমিক পৰ্যায়তে নহয়, মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ শিকন-অগ্ৰগতি বিশ্লেষণ কৰিলেও দেখা যায়। তালিকাত দেখুওৱা তথ্যসমূহ উপৰুৱাকৈ পৰ্যবেক্ষণ কৰিলেও প্ৰসাৰণৰ ক্ষেত্ৰত কোনোটো বয়সৰ ছাত্ৰ-ছাত্ৰীৰে তুলনামূলক শ্ৰেষ্ঠতা দেখা নাযায়। গড় নম্বৰৰ মাজত যিহেতু পাৰ্থক্য নাই। এতেকে, সাংখ্যগাণিতিক বিধি অনুযায়ী বিভিন্ন বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে দেখুওৱা প্ৰসাৰণ ইটো বয়সৰ লগত সিটোৰ তুলনামূলকভাৱে বিবেচনা কৰাত বাধা নাই।

আকৌ, ছাত্ৰ-ছাত্ৰীয়ে শিকন-অগ্ৰগতিৰ ক্ষেত্ৰত প্ৰথম শ্ৰেণীত লাভ কৰা স্কেলৰ অৱস্থান দ্বিতীয় শ্ৰেণীত লাভ কৰিবলৈ কিমান দূৰ সমৰ্থ হৈছে, সেইদৰে দ্বিতীয় শ্ৰেণীৰ অৱস্থান তৃতীয় শ্ৰেণীত, তৃতীয় শ্ৰেণীৰ অৱস্থান চতুৰ্থ শ্ৰেণীত ৰক্ষা কৰিব পাৰিছেনে নাই তাক চাবৰ বাবে অৱস্থান সহ-সমন্বয় (Rank Correlation) কৰিও চোৱা হয়। দেখা যায়, প্ৰায়বোৰ

তালিকা ২

বিভিন্ন বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা গড় নম্বৰৰ মাজত পাৰ্থক্য আৰু তাৎপৰ্য

| শ্ৰেণী | ৪ আৰু ৫ বছৰ | ৪ আৰু ৬ বছৰ | ৫ আৰু ৬ বছৰ | তাৎপৰ্য |
|---|---|---|---|---|
| ১ম | ০·৭৫ | ০·৩৮ | ১·২৭ | নাই |
| ২য় | ০·৬৬ | ০·২৮ | ০·৪৪ | নাই |
| ৩য় | ০·৭২ | ০·০১ | ০·১৮ | নাই |
| ৪ৰ্থ | ১·৬৬ | ০·৪৫ | ০·২২ | নাই |

তালিকা ৩

বিভিন্ন বয়সৰ ছাত্ৰ-ছাত্ৰীৰ শিকন-অগ্ৰগতিৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা অৱস্থানৰ প্ৰসাৰণ শ্ৰেণীয়ে-শ্ৰেণীয়ে দেখুওৱা হৈছে।

| শ্ৰেণী | ৪ বছৰ | ৫ বছৰ | ৬ বছৰ |
|---|---|---|---|
| ১ম | ১২·১৩ | ২১·৪৬ | ১৪·০১ |
| ২য় | ৮·৯৮ | ৬·২৯ | ৩·৭৯ |
| ৩য় | ১৫·৮৬ | ৬·৯৬ | ১৪·৩৬ |
| ৪ৰ্থ | ১৫·০৫ | ১২·৬৩ | ১১·৬২ |

ছাত্ৰ-ছাত্ৰীয়েই শিকন-অগ্ৰগতিত নিজ-নিজ অৱস্থানৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ সক্ষম নহয়। এই দৃষ্টিকোণৰ পৰাও বয়সৰ তাৰতম্যই কোনো পাৰ্থক্য নেদেখুৱায়।

সমীক্ষাটোৰপৰা দেখা গ'ল,— আমাৰ প্ৰচলিত শিক্ষাব্যৱস্থাত কম বয়সত প্ৰাথমিক বিদ্যালয়ত নাম লগালেও শিকন-অগ্ৰগতিত বিশেষ অসুবিধাৰ সৃষ্টি নহয়। আনহাতে বয়সৰ তাৰতম্য হ'লেও এই পৰ্যায়ৰ শিক্ষাত ছাত্ৰ-ছাত্ৰীসকলৰ শিকন-অগ্ৰগতিত তাৎপৰ্যমূলক তাৰতম্য পৰিলক্ষিত নহয়। তেনেহ'লে, সময়ৰ অপচয় হ'বলৈ নিদি ৪ বছৰ বয়স হ'লেই ল'ৰা-ছোৱালীক আনুষ্ঠানিক শিক্ষাৰ কাৰণে প্ৰাথমিক বিদ্যালয়ত ভৰ্তি কৰিব পাৰিনেকি? এনে সিদ্ধান্ত গ্ৰহণ যোগ্য নহ'ব। মনস্তত্ত্বিদসকলে সোঁৱৰণীৰ বয়সৰ লগত যোগ্যতাৰ এটা দৃঢ় সম্পৰ্ক স্থাপন কৰিছে। যিমানেই অন্তৰ্নিহিতভাৱে প্ৰতিভাসম্পন্ন নহওক কিয়, এটা নিৰ্ধাৰিত বয়সত উপনীত নহ'লে ল'ৰা-ছোৱালীয়ে নিৰ্দিষ্ট স্তৰৰ মানসিক বিকাশৰ বাবে প্ৰয়োজনীয় যোগ্যতা আৰু মানসিক পৰিপক্কতা লাভ কৰিব নোৱাৰে। এই প্ৰসংগত বিখ্যাত গৱেষক Inez, B. King অৰ অধ্যয়ন উল্লেখযোগ্য। গৱেষকজনে প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম বৰ্গত নাম ভৰ্তি কৰা কিছুমান ছাত্ৰ-ছাত্ৰীৰ এটা দীৰ্ঘম্যাদী অধ্যয়ন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ এটা গ্ৰুপৰ গড় বয়স ৬বছৰ ৭ মাহ, আনটো গ্ৰুপৰ ৫ বছৰ ১০ মাহ। বয়সীয়াসকলৰ গড় বুদ্ধিমত্তা আছিল ১০০·৪ আনহাতে কম বয়সীয়াসকলৰ আছিল ১০২·০৪। গৱেষকজনে প্ৰথম বৰ্গৰপৰা যষ্ঠ বৰ্গ পৰ্যন্ত দুয়োটা গ্ৰুপৰ শিকন-অগ্ৰগতি অনুসৰণ কৰে। যষ্ঠ বৰ্গ সম্পূৰ্ণ কৰাৰ পাছত দুয়োটা গ্ৰুপকে ষ্টেনফৰ্ড ফলাফল মূল্যায়ন পৰীক্ষাৰ (Stand ford Achievement test) সন্মুখীন হ'বলৈ দিয়া হয়। মূল্যায়ন স্কেলত কম বয়সীয়াসকলৰ ফলাফলৰ প্ৰসাৰণ হয় ৩·৮ অৰ পৰা ৯·৬ লৈ; গড় নম্বৰ আছিল ৬·২। আনহাতে বয়সীয়াসকলে ৫·৪ৰ পৰা ১১·৩ লৈ প্ৰসাৰিত হৈ নিজ-নিজ অৱস্থান লাভ কৰে; গড়



নম্বৰ লাভ কৰে ৭·৬৮। ছবছৰ শিক্ষাকালৰ ভিতৰত কম বয়সীয়াসকলৰ ১০·[illegible] অকৃতকাৰ্য হয় আৰু বেছি বয়সীয়াসকলৰ মাথোন এজনহে অকৃতকাৰ্য হয়। এতেকে মানসিক বয়স আৰু অন্তৰ্নিহিত যোগ্যতা নতুবা বুদ্ধিমত্তা বেছি হ'লেও কম বয়সত নাম ভৰ্তি কৰিলে ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যত শিকন-অগ্ৰগতিত বাধাৰ সন্মুখীন হোৱাৰ সম্ভাৱনাই বেছি। বৰ্তমানৰ সমীক্ষাত বয়সভেদে ছাত্ৰ-ছাত্ৰীৰ শিকন অগ্ৰগতিৰ তাৰতম্য নেদেখাৰ মূল কাৰণ হ'ল শিক্ষাদানৰ গতানুগতিকতা আৰু এই পৰ্যায়ত বিশেষকৈ মুখস্থ বিদ্যাৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা। এই পৰ্যায়ত পাঠ্যক্ৰমৰ বহুতো কথা মুখস্থ কৰিও আহৰণ কৰিব পাৰি; যোগ্যতাৰ বিশেষ সহায় নহ'লেও চলি যায়। সেয়ে, সকলো বয়সৰ ছাত্ৰী-ছাত্ৰীয়ে প্ৰায় একে অগ্ৰগতি দেখুৱাবলৈ সমৰ্থ হৈছে। কিন্তু পাছলৈ যেতিয়া বিষয়বস্তুৰ জটিলতা বৃদ্ধি পাই যাব, শিকনৰ ক্ষেত্ৰত বোধ, ধাৰণা আদি আহৰণ কৰাৰ গুৰুত্ব বাঢ়ি যাব তেতিয়া কম বয়সীয়াসকল শিকন-অগ্ৰগতিত পিছপৰি যোৱাৰ সম্ভাৱনাই বেছি। আমাৰ শ্ৰেণীকক্ষসমূহত পিছপৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কম বয়সত প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰি শিকনৰ ক্ষেত্ৰত নানান দুৰ্বলতা বহন কৰা ছাত্ৰ-ছাত্ৰী বহুত লগ পোৱা যাব।

প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিকৰণৰ বয়স নিৰ্ধাৰণৰ ক্ষেত্ৰত বিখ্যাত মনস্তত্ত্বিদ পিয়াজেৰ অধ্যয়ন উল্লেখ কৰিব পাৰি। মনস্তত্ত্ববিদজনে সোঁৱৰণী বয়স অনুযায়ী মানসিক বিকাশক চাৰিটা স্তৰত ভাগ কৰি দেখুৱাইছে। তেখেতৰ অধ্যয়ন মতে ০-২ বছৰ বয়সৰ কালছোৱা শিশু জীৱনৰ স্নায়ু-পেশীয় স্তৰ। এই স্তৰত শিশুটো মানসিকভাৱে একেবাৰে অপৰিপক্ক। দৈহিকভাৱেহে হাত ভৰি এচাৰি, কান্দি-কাতি সি নিজৰ প্ৰয়োজনৰ কথা প্ৰকাশ কৰা দেখা যায়। এবছৰ-ডেৰ বছৰ মানৰপৰা কোনো শিশু এটা-দুটা শব্দ ক'ব পৰা হয় যদিও মানসিকভাৱে সি সমন্বয় কৰিব পৰা ক্ষমতা লাভ নকৰে। তিনি-চাৰি বয়সৰ কালছোৱা পূৰ্ব দেহ-মানসিক স্তৰ (pre-operational stage); এই বয়সত শিশুটোৱে জ্ঞানেন্দ্ৰিয়সমূহৰ জৰিয়তে প্ৰত্যক্ষভাৱে ওচৰৰ বাস্তৱ পৰিৱেশৰ লগত পৰিচয় হ'ব পৰা ক্ষমতা আহৰণ কৰে। এই কালছোৱাত শিশুহঁতক প্ৰাক-বিদ্যালয় শিক্ষাৰ ভিত্তিত যাবতীয় অৰ্হতা আহৰণ কৰিবলৈ দি প্ৰাথমিক শিক্ষাৰ কাৰণে প্ৰস্তুত কৰিব পৰা যায়। পাঁচ-দহ বছৰ মান বয়সৰ কালছোৱা বাস্তৱভিত্তিক ভবা-চিন্তা কৰিব পৰা মানসিক স্তৰ (concrete operational stage)। এই স্তৰত মূৰ্ত পৰিস্থিতৰ সহায়েৰে শিকন প্ৰক্ৰিয়া সাধন কৰিব পৰা ক্ষমতা শিশুটোৱে লাভ কৰে। সেয়ে এই স্তৰৰ শিক্ষাত বাস্তৱ বস্তু, পৰিচিত অভিজ্ঞতা, মূৰ্ত পৰিস্থিতি, পৰিবেশ অধ্যয়ন, প্ৰদীপন আদিৰ ভিত্তিত শিক্ষাদানৰ ওপৰত অত্যাধিক গুৰুত্ব দিওহঁক। দহ বছৰ মান বয়সৰপৰা ওপৰলৈ ল'ৰা-ছোৱালীয়ে বস্তুনিৰপেক্ষভাৱে ভবা-চিন্তা কৰিবপৰা মানসিক পৰিপক্কতা (Stage of formal operation) লাভ কৰে। আমাৰ বাস্তৱ অভিজ্ঞতাৰ পৰাও পিয়াজেৰ দৃষ্টিভংগী গ্ৰহণ কৰিব পাৰি। এনে দৃষ্টিভংগীৰে শিশুহঁতে পাঁচ বছৰ বয়স লাভ কৰিলেই প্ৰাথমিক শিক্ষাৰ কাম আৰম্ভ কৰিব পৰা যায়। অৱশ্যে এই ক্ষেত্ৰত নিম্ন প্ৰাথমিক স্তৰৰ শিক্ষা চাৰি বছৰৰ পৰিবৰ্তে পাঁচ বছৰীয়া কৰাৰ প্ৰয়োজন হ'ব। ইয়াৰ দ্বাৰা শিশুহঁতৰ পাঁচ বছৰ বয়সৰ ভবা-চিন্তা কৰিব পৰা কালছোৱাৰ উপযুক্ত ব্যৱহাৰ কৰিব পৰা যাব। গাঁও অঞ্চলৰ ল'ৰা-ছোৱালীবোৰৰ ক্ষেত্ৰত বিশেষ সুবিধা হ'ব; কাৰণ গাঁও অঞ্চলত প্ৰাক-বিদ্যালয় শিক্ষাৰ ব্যৱস্থাৰ অভাৱৰ কাৰণে ল'ৰা-ছোৱালী ছবছৰ বয়সত উপনীত নোহোৱালৈকে ঘূৰি ফুৰিব লগা হয়। অৱশ্যে বহুক্ষেত্ৰত ফাক-ফুক কৰি কম বয়সতে নাম লগোৱাৰ প্ৰচুৰ উদাহৰণ বৰ্তমানৰ সমীক্ষাত প্ৰকাশ পাইছে। উপযুক্ত প্ৰাক-প্ৰাথমিক কাৰ্যসূচী প্ৰস্তুত কৰি পাঁচ বছৰীয়া পাঠ্যক্ৰমৰ ভিত্তিত পাঁচ বছৰ বয়সৰপৰা প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিকৰণৰ ব্যৱস্থা কৰিলে এনে সমস্যাও দূৰ হ'ব। আগতে আমাৰ ৰাজ্যত ক, খ, প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণী ধৰি পাঁচ বছৰীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা আছিলেই। উক্ত বিধান গ্ৰহণীয় বুলি ভাবিলে পুনৰ এই ব্যৱস্থা প্ৰৱৰ্তন কৰিব পাৰি। পাঁচ বছৰীয়া পাঠ্যক্ৰমৰ ভিত্তিত বিজ্ঞানসন্মত পঠন-পাঠন পদ্ধতি আৰু ধাৰাবাহিক মূল্যায়নৰ জৰিয়তে ধীৰে-সুস্থিৰে এই স্তৰতে ছাত্ৰ-ছাত্ৰীসকলক এটা সবল শৈক্ষিক গাঁথনিৰে প্ৰস্তুত কৰি ল'ব পাৰিলে, ভৱিষ্যত শিকন অগ্ৰগতিত বিশেষ সমস্যাৰ সন্মুখীন নোহোৱাকৈ ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যাব পাৰিব। মন কৰিব লগীয়া যে প্ৰাথমিক স্তৰৰ শিক্ষাই হ'ল ভৱিষ্যত শিকন-অগ্ৰগতিৰ ভেঁটিস্বৰূপ।

পুলক লাহিড়ীৰ—
ক্ৰিকেট তথা এ দিনীয়া ক্ৰিকেটৰ আইনৰ অসমীয়া ভাষাত একমাত্ৰ কিতাপ—
ক্ৰিকেট শিকোঁ আহক মূল্য—১০·০০ টকা
খ্যাতনামা খেলুৱৈসকলৰ জীৱনীৰে সমৃদ্ধ—
খেল জগতৰ তাৰকা
মূল্য—৮·০০ টকা
লয়াৰ্ছ বুক ষ্টল
পানবজাৰ, গুৱাহাটী-১



OLDISCD

# এজন শিক্ষকৰ আত্মগ্লানি

ড° গোলোকচন্দ্ৰ গোস্বামী

প্ৰতি বছৰে শিক্ষক দিৱস আমাৰ জাতীয় জীৱনৰ নিতান্ত গতানুগতিকতাৰে আহে আৰু যায়, দেশ জুৰি এক অন্তঃসাৰশূন্য আড়ম্বৰেৰে পাঁচ ছেপ্টেম্বৰ উদযাপিত হয়। ৰাষ্ট্ৰপতিৰে পৰা আৰম্ভ কৰি ৰাজ্যপাল, মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰীলৈকে শিক্ষকসকলৰ শিক্ষকতাৰ দৰে আদৰ্শ আৰু মহান সেৱাৰ প্ৰশংসা কৰি গুণ সুঁৱৰি প্ৰচাৰ কৰা সুৱলা বাণী আকাশে-বতাহে মুখৰিত হয় সেই দিনা! ধুনীয়া বক্তৃতাৰ ফুলজাৰি উৰে! "শিক্ষকসকলেই জাতিক গঢ় দিওঁতা, দেশৰ ধৰণী; সমাজৰ লাইখুঁটা। শিক্ষকতা অতি পবিত্ৰ সেৱা ধৰ্ম; সমাজত শিক্ষকৰ আসন সবাতোকৈ ওখ!" প্ৰাচীন ভাৰতীয় আদৰ্শ আৰু গুৰুৰ গুণ-গৰিমা সোঁৱৰণৰ এটাই দিন,—পাঁচ ছেপ্টেম্বৰ! দিল্লীৰ মাভলংকাৰ প্ৰেক্ষাগৃহত বা বিজ্ঞান ভৱনত আৰু বিভিন্ন ৰাজ্যৰ বিভিন্ন মঞ্চত সেইদিনা কৃতী শিক্ষাব্ৰতীসকলৰ প্ৰতি সমাজৰ নামত শাসকবৰ্গই সন্মান প্ৰদৰ্শন কৰে, মানপত্ৰ দিয়ে আৰু বিত্তীয় সাহায্যও আগ বঢ়ায়। এয়া আমাৰ শিক্ষকৰ সেৱাৰ স্বীকৃতি; জাতি গঠনত শিক্ষকৰ অৰিহণাৰ বিনিময়ত দেশে আমালৈ, শিক্ষক সমাজলৈ আগবঢ়োৱা দুস্বম্যাদী এককালীন মৰ্যাদা; বাৰ্ষিক তদৰ্থ সন্মানৰ এটা কিস্তি!

সেয়ে নহয় যদিনো কি? বাস্তৱ ক্ষেত্ৰত আজি কি ঘটিছে? আমাৰ মন্ত্ৰী-বিধায়ক প্ৰমুখ্যে নেতাসকলে যিমানেই যি বক্তৃতা নিদিয়ক, শিক্ষকক তেওঁলোকে, আৰু আমাৰ সমাজখনেও ওখ আসন দিছেনে? সন্মান দেখুৱাইছেনে? আজি সমাজত ওখ আসন লাভ কৰিছে কোনে? দেশজুৰি কেৱল ক্ষমতাৰ প্ৰভাৱ! এই ক্ষমতা কিহৰ? নৈতিক চৰিত্ৰৰ? জ্ঞানৰ? পাণ্ডিত্যৰ? নে চোৰাং ধনৰ ওখ দৌলৰ? আজি সমাজ তথা জাতিটোৰ পৃষ্ঠপোষক কোন? সাধাৰণ পূজা-পাৰ্বণেই বোলক বা সামাজিক উৎসৱ অনুষ্ঠানেই বোলক, এইবোৰৰ আগশাৰীত কোন? কোনে এইবোৰৰ পৃষ্ঠপোষকতা কৰিছে? ৰাইজে, সমাজে, কাক ওখ আসনত বহুৱাইছে? এইজন সঁচাকৈয়ে শিক্ষক নে?

শিক্ষকৰ আজি কি দুৰৱস্থা! শিক্ষক-দিৱসো গ'ল, আৰু গ'ল কথাও গুচিল! আনকি শিক্ষক-দিৱসৰ দিনাও যি সময়ত শিক্ষকৰ পবিত্ৰ দায়িত্ব, কৰ্তব্য আৰু গুণৰ প্ৰশংসাত আকাশ বতাহ মুখৰিত, সেই দিনাও এছাম শিক্ষকে ন্যায্য প্ৰাপ্যৰ দাবীত সাধাৰণ কৰ্মীৰ দৰে বিক্ষোভ প্ৰদৰ্শন কৰিব লগীয়া হয়! এয়ে নে শিক্ষকৰ প্ৰতি প্ৰশাসন তথা সমাজৰ দায়বদ্ধতাৰ পৰিচয়? আনহাতে, আমি শিক্ষকসকলেই বা কিহৰ নিদৰ্শন দাঙি ধৰিছোঁ! যি শিক্ষক হ'ব লাগিছিল ক্ষমাৰ, ত্যাগৰ, সহনশীলতাৰ মহান আদৰ্শ আৰু প্ৰতীক, সেই শিক্ষকেই আন্দোলনকাৰীত পৰিণত হৈছোঁ; বিক্ষোভ প্ৰদৰ্শন কৰিছোঁ, ধৰ্ণা দিছোঁ, অনশন কৰিছোঁ! আজি আমাৰ এনে পৰিস্থিতি হৈছে কিয়? কেনেকৈ? কিহৰ কাৰণে? দোষাৰোপ কৰোঁ কাক? যুগধৰ্মক?

শিক্ষাদান, জ্ঞান বিতৰণ সঁচাকৈয়ে পবিত্ৰ কৰ্ম। কিন্তু এনে পবিত্ৰ শিক্ষা ক্ষেত্ৰৰ সামগ্ৰিক পৰিস্থিতিৰ কথা ভাবিলেই নানান অপবিত্ৰ চিন্তাই মন উদ্বিগ্ন আৰু বিচলিত কৰি তোলে কিয়? শিক্ষক,—মোৰ মানত শিক্ষক এজনেই,—তেওঁ লাগিলে প্ৰাথমিক বা মাধ্যমিক বিদ্যালয়ৰে হওক, নতুবা মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰেই হওক: শিক্ষক মানে শিক্ষক। শিক্ষকৰ এটাই গোষ্ঠী, এটাই জাত, আৰু এটাই ধৰ্ম: এই ধৰ্মটো হৈছে শিক্ষকতা, যাক মই এটা পবিত্ৰ সেৱা ধৰ্ম বুলি মানো; যি কেতিয়াও বৃত্তি বা চাকৰি নহয়। এই শিক্ষকতা মোৰ কাৰণে এটা প্ৰবল নিচা; এই নিচাৰ কাৰণেই মই এজন আজীৱন শিক্ষক, চৌবিছ ঘণ্টীয়া শিক্ষক; পুৱা দহ বজাৰপৰা আবেলি চাৰি বজালৈ কেৱল ছঘণ্টীয়া শিক্ষক নহয়। সেয়েহে মোৰ ছাত্ৰ-ছাত্ৰীহঁতে সকলো সময়তে, সকলোতে,— শ্ৰেণীৰ কোঠাতে হওক, বাটে-পথে হওক, বা মোৰ ঘৰতে হওক, বিনা সংকোচে মোক লগ ধৰিব পাৰে, পঢ়া-শুনাৰ উপৰিও জীৱনৰ সকলো সমস্যাৰ কথা মোৰ লগত আলোচনা কৰিব পাৰে। এই ছাত্ৰ-ছাত্ৰীহঁতক লৈয়েইতো মই জীয়াই আছিলোঁ! অৱসৰৰ পাছতো, সেয়েহে, সিহঁতে মোক এৰা দিয়া নাই; মোক আনন্দ দি জীয়াই ৰাখিছে!

কিন্তু মোৰ চাৰিওফালে মই কি দেখিছোঁ? এই আজীৱন শিক্ষকতাৰ কালছোৱাতে বা মই কি আদৰ্শ দেখুৱাব পাৰিলোঁ? কি শিক্ষা দিলোঁ? মই আদৰ্শ শিক্ষক হৈ যদি উপযুক্ত শিক্ষাদান কৰি ছাত্ৰ-ছাত্ৰীহঁতক মানুহ কৰিব পাৰিলোঁহেঁতেন, তেনেহ'লে সেই ছাত্ৰ-ছাত্ৰীহঁতেই মানুহ হৈ গঠন কৰা বৃহৎ সমাজখনে, মন্ত্ৰী-বিধায়ক নেতৃবৃন্দই শিক্ষকজনক এনেকৈ অৱজ্ঞাৰ চকুৰে চাব পাৰেনে? শিক্ষকে নিজৰ প্ৰাপ্য দাবী সাব্যস্ত কৰিবলৈ বিক্ষোভৰ পন্থা ল'ব লগা হ'ব পাৰেনে? মোৰ ছাত্ৰ-ছাত্ৰীয়েই শিক্ষা মন্ত্ৰী হৈ মোকেই অপমান কৰিব পাৰে নে? দুশ্চৰিত্ৰই গোটেই সমাজখনকে কলুষিত কৰি তুলিব পাৰে নে? কিয় বাৰু আজি আমাৰ জাতীয় জীৱনৰ স্তৰে-স্তৰে ইমান বিশৃংখলা ঘটিছে? মূল কাৰণ কি? সমস্যাৰ কেৰোণ ক'ত?

এই সমস্ত পৰিস্থিতিৰ অন্তৰালত কি এটা প্ৰবল কুচক্ৰৰ সৃষ্টি হৈছে সেইটো মই উপলব্ধি কৰিছোঁ; আৰু সেইকাৰণেই এই চক্ৰভেদ কৰিবলৈ হ'লে শিক্ষক-জনৰেই আৰম্ভ কৰিব লাগিব বুলি ধাৰণা। আৰু, সেয়েহে, মোৰ একান্ত বিশ্বাস, আমি শিক্ষকসকলে যদি আমাৰ চিন্তা, কথা আৰু কামৰ মাজত সংগতি ৰক্ষা কৰি প্ৰকৃত আদৰ্শ দেখুৱাব পাৰিলোঁহেঁতেন, তেনেহ'লে দেশখনৰ এনে দুৰৱস্থা কেতিয়াও নহ'লহেঁতেন। কাৰণ, মোৰ বোধেৰে শিক্ষকজনৰ ভূমিকাই প্ৰকাৰান্তৰে প্ৰধান: শিক্ষকজন এহাতে যেনেদৰে শিক্ষক, আনহাতে তেনেদৰেই এজন অভিভাৱক; আকৌ তেৱেঁই সমাজৰো এজন নহয়নে? শিক্ষকজনতে একেধাৰে এই ত্ৰিবেণীসংগম হোৱা নাইনে বাৰু?

এজন সজাগ-সচেতন শিক্ষক হিচাপে মই মোৰ নিজৰ দোষ-ত্ৰুটীবোৰকেইহে বেছিকৈ দেখা পাওঁ; আৰু সেয়েহে পোন প্ৰথমেই মই নিজকহে অপৰাধী জ্ঞান কৰোঁ। মই শিক্ষক: পাঠদান মোৰ কৰ্তব্য, যাৰ কাৰণে সমাজে শিক্ষানুষ্ঠানটোৰ জৰিয়তে মোক পোহপাল দিছে। কিন্তু মই কৰিছোঁ কি? —ঘৰত পঢ়া-শুনা কৰি প্ৰস্তুত হৈ মই কোনো দিনে শ্ৰেণীলৈ নাযাওঁ; প্ৰস্তুতিৰ সময়েই বা ক'ত? দিনে ৰাতিয়ে টিউশ্যন কৰি ধন নঘটিলেও যে নহয়! সময়মতে শ্ৰেণীলৈ নাযাওঁ; গ'লেও পাল মাৰি সোনকালে ওলাই আহোঁ! বিভাগলৈ গৈ মোৰ নিজা কাম কৰি শ্ৰেণীলৈ নোযোৱাকৈ থাকোঁ; ছাত্ৰ-ছাত্ৰীয়ে আহি বিভাগীয় মুৰব্বীৰ ওচৰত আপত্তি কৰে যদিও কৰক? মোকনো কোনে কি কৰিব পাৰে? মোৰ নিজৰ ঢোল নিজে পিটি শুনাই থাকিম! বিভাগলৈকো নাযাওঁ, ছুটীও নলওঁ তাৰ কাৰণে কোনেও কৈফিয়ৎ তলব কৰিব নোৱাৰে; কৰিলেওতো শুদাই নেৰোঁ মই মোৰ অভাৱ-অভিযোগৰ প্ৰতি অতি সচেতন; কিন্তু মোৰ শিক্ষকতাৰ প্ৰতি, ছাত্ৰ-ছাত্ৰীহঁতৰ প্ৰতি,— যাক মানুহ কৰাৰ গুৰু দায়িত্ব মোৰ ওপৰত আৰোপিত হৈছে,— তাৰ প্ৰতি কিন্তু মোৰ লেশমানো চিন্তা নাই!

মই এজন বিদ্যালয়ৰ প্ৰধান শিক্ষক, বা মহাবিদ্যালয়ৰ অধ্যক্ষ; ছাত্ৰ-ছাত্ৰীক সদাচৰণ কৰিবলৈ, মিছালি-বেশ্যালি, ঠগ-প্ৰবঞ্চনাৰ পৰা আঁতৰি থাকিবলৈ দিয়া উপদেশৰ অন্ত নাই। কিন্তু কাৰ্যতঃ মই নিজে আদৰ্শ দেখুৱাইছোঁ কি? —মোৰ ছাত্ৰ-ছাত্ৰীহঁতৰ বৃত্তিৰ টকা আত্মসাৎ কৰি সিহঁতৰ আগতে ধৰা পৰিছোঁ, নিলম্বিত বা বৰখাস্ত হৈছোঁ! সুৰা পান কৰি মতলীয়া হৈছোঁ; ছাত্ৰ-ছাত্ৰীৰ আগতে উদুণ্ডালি কৰিছোঁ! শিক্ষকৰ লগত শাৰীৰিক শক্তিৰ পৰীক্ষা কৰিছোঁ; বাটে-ঘাটে পৰৰ কুৎসা ৰটনা কৰিছোঁ। ক'তা মই দেখোন মৰা নাই, সগৌৰৱে জীয়াই আছোঁ,— ব'ট ক্লাবত ধৰ্ণা দিবলৈ?

শিক্ষক হৈ মই কৰা নাই কি? মোকনো কোনে চেৰ পেলাব পাৰিছে? অন্য অসৎ ব্যৱসায়ৰ যদি সুবিধা পোৱা নাই তেনেহ'লে বিনামূলীয়া পাঠ্যপুথিৰে চোৰাং বেপাৰ কৰিছোঁ! শিক্ষক হৈ মই মিছা ছাৰ্টিফিকেট দিছোঁ, মিছাকৈ ভ্ৰমণ বানচ লৈছোঁ; নিজৰ যশস্যা বঢ়াবলৈকে টকা খাই ছাত্ৰ-ছাত্ৰীৰ গৱেষণাপত্ৰ লিখি দিছোঁ; সুবিধা পালেই ৰাজহুৱা ধন আত্মসাৎ কৰিছোঁ; আনকি প্ৰাকৃতিক দুৰ্যোগত যথাসৰ্বস্ব হেৰুউৱা দুৰ্গত লোকৰ মুখৰ চাউল মুঠিকো চুৰি কৰি গ্ৰেপ্তাৰ হৈছোঁ! অকল সেয়ে নে, মই দেখোন হত্যাকাণ্ডতো লিপ্ত! মোৰ বিবেক গ'ল ক'লৈ? শিক্ষক ৰূপে নহ'লেও সাধাৰণ মানুহ হিচাপেওতো মোৰ মনুষ্যত্ব বোলা কিবা এৰুণ থাকিব লাগিছিল!

শিক্ষকতাৰ কালছোৱাত ছাত্ৰ-ছাত্ৰীৰ পৰা কেইবাৰ অপদস্থ হৈছোঁ! পিছে, ছাত্ৰ-ছাত্ৰীহঁতৰ ওপৰত মোৰ লেশমানো ৰোষ নাই, ক্ষোভ নাই; আছে মাথোন অন্তৰত দুঃখ, কেৱল দুঃখ আৰু বেদনাহে। ছাত্ৰ-ছাত্ৰীহঁতৰ এনে অপমান মোৰ প্ৰাপ্য নহয় নে? আমি শিক্ষক-সকলে যদি তলৰে পৰা নিজেই আদৰ্শ হৈ উচিত শিক্ষা দিব পাৰিলোঁহেঁতেন, তেনেহ'লে ছাত্ৰ-ছাত্ৰীহঁতে কেতিয়াও শিক্ষকক অপমান কৰিব নোৱাৰিলেহেঁতেন; আৰু, সমাজখনেও আমাক প্ৰাপ্যৰ পৰা বঞ্চিত কৰিব নোৱাৰিলেহেঁতেন। এতিয়া দুখ কৰিলেই বা হ'ব কি? সমাজে আমাৰ প্ৰাপ্য খিনিকেই দিছে; ইয়াতোকৈ অধিক বিচাৰিলে পাম কিয়?

আজি আমি এখন অবাস্তৱ জগতত শূন্যত ভাঁহি আছোঁহঁক: আমাৰ চিন্তা, কথা আৰু কামৰ মাজত কোনো সংগতি নোহোৱা হৈছে। আমি যাৰ জন্ম-দিৱসৰ সোঁৱৰণত শিক্ষক দিৱস পালন কৰোঁহঁক, সেই গৰাকী মহান দাৰ্শনিক পণ্ডিত, আদৰ্শ শিক্ষক সৰ্বপল্লী ৰাধাকৃষ্ণণৰ "কল্কী অৰ্ ফিউশ্যাৰ অৱ ছিভিলাইজেশ্যন" বোলা পুথিখনৰ ছাত্ৰ অৱস্থাতে পঢ়া কথা একাষাৰেৰে সামৰণি মাৰিব খুজিছোঁ: "আজি আমি আকাশত উৰিবলৈ শিকিলোঁ সঁচা, পিছে, মাটিত খোজ কাঢ়িবলৈহে পাহৰি গ'লোঁ।" কথাষাৰ ইমান সঁচা!


গায়ক, গীতিকাৰ আৰু সুৰকাৰ

ভূপেন হাজৰিকাৰ গদ্য
হৈছে সৰল বাক্যেৰে,
সৰু কথাৰে জটিল
বিষয়ৰ প্ৰকাশ থকা গদ্য
নিজৰাৰ দৰে স্বতঃস্ফূৰ্ত্ত

**সুন্দৰৰ ন দিগন্ত**

মূল্য—১৫·০০ টকা

**লয়াৰ্ছ বুক ষ্টল**

পানবজাৰ, গুৱাহাটী-১

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

# নৈনিতাল ঃ দৃষ্ট, শ্ৰুত, পঠিত,

১৯৮৪ চনৰ ৬ জুন। দিল্লীৰ ফৰকাল পুৰা। সোনকালে উঠি নৈনিতাললৈ যাবলৈ ওলালো। ৰাতি মই বিশ্ব যুবক কেন্দ্ৰৰ ৰুম এটাত আছিলো। চাহৰ হোটেলৰ দোকান তেতিয়াও খোলা নাই। ফটিকৰ দৰে ফটফটীয়া ঠাণ্ডা পানী খাই পিয়াহ পলুৱালো। তাৰ পাছত এখন অট'-ৰিক্সাত উঠি গলো ফৰিদকোট হাউছলৈ। তাতে প্ৰেছ কাউন্সিলৰ অফিছ।

এখন বাছ। বিশ্বম্, ৰাঘৱন, তিৰ্থা, সকলোকে দেখিলো। আৰু দেখিলো কলিকাতাৰ প্ৰবীণ সাংবাদিক ৰণজিৎ ৰায় চৌধুৰীক। কেইবাজনেও পৰিয়াল লৈ আহিছে। মোক দেখি কোনোবা এজনে সুধিলে, "ঘৰৰ মানুহক নানিলে নেকি ?"

'অস্ত্ৰীক্' মই ক'লো, "নাই অনা।"

অলপ পাছতে আমাৰ যাত্ৰা আৰম্ভ হ'ল। নৈনিতালৰ অভিমুখে।

মীৰাট পোৱাৰ আগতে কোনোবা এঠাইত আমি ৰাতিপুৱাৰ আহাৰ খালো। প্ৰেছ কাউন্সিলৰ সভাপতি ন্যায়াধীশ গ্ৰভাৰে ক'লে, "আপুনি মোৰ লগতে বহক।" তেখেতৰ পত্নীও বহিল। ৰুটি খালো। চাহদোকানখনত মাখিৰ ভোন্‌ভোননি। মাখিয়ে আধুনিক ভাৰতীয় সভ্যতা মলিয়ন কৰিছে।

বাহিৰত বৰ গৰম। বাছখন অৱশ্যে শীত-তাপ নিয়ন্ত্ৰিত। কাজেই বাছৰ ভিতৰত গৰম অনুভৱ কৰা নাছিলো। মাজে মাজে কল্ডড্ৰিংক।

মোৰ কাষত এগৰাকী বৃদ্ধা বহিছিল। নাম উষা মেহতা।

মই মাত লগালো, এগৰাকী উষা মেহতাৰ নাম বিয়াল্লিছৰ বিপ্লৱৰ সময়ত শুনিছিলো। আপুনি সেই উষা মেহতা নে কি ?"

তেওঁ হাঁহি ক'লে, "হয়।"

ৰামমনোহৰ লোহিয়াৰ লগত তেওঁ বোম্বাইত তেতিয়া এটি আণ্ডাৰ গ্ৰাউণ্ড ৰেডিঅ' ষ্টেশ্যন চলাইছিল— বিপ্লৱৰ খবৰ ৰাইজক দিবৰ বাবে। তেতিয়া আৰু এটি ৰেডিঅ' ছিংগাপুৰত আছিল। আই· এন· এ· ই চলাইছিল। বোম্বাইৰ ৰেডিঅ'টো কিছু দিন চলাৰ পাছতে পুলিচে গৈ ধৰা পেলায়। উষা তেতিয়া গাভৰু। ৰেডিঅ' গ্ৰেপ্তাৰ হোৱাৰ লগেলগে উষাও গ্ৰেপ্তাৰ হ'ল।

উষা এতিয়া সমাজকৰ্মী। প্ৰেছ কাউন্সিলত ইউ. জি· ছিৰ মনোনীতা সদস্য। আজিও অবিবাহিতা। সুন্দৰ বক্তা।

আমি বাছত বহুতপৰ ধৰি পুৰণি কথা পাতিলো। লোহিয়া, অচ্যুত পটৱৰ্ধন, জয়প্ৰকাশ আদিৰ কথা। বাছৰ গতিৰ লগে লগে সেই সমাজবাদী আন্দোলনৰ বোলছবিখনৰ দৃশ্যবোৰো ওলাই গৈ আছিল। ড্ৰাইভাৰজন বৰ সাৱধান। লাহে লাহে গাড়ী চলাইছে।

পঞ্জাবৰ স্বৰ্ণমন্দিৰত যুদ্ধ চলিছিল। মীৰাটত কোনোবাই খবৰ সংগ্ৰহ কৰি আমাক দিলে। মানুহ মৰিছে। বৰ জটিল পৰিস্থিতি।

আমাৰ মনত এচপৰা ডাৱৰ।

নৈনিতাল পোৱাৰ কিছু আগৰে পৰা পপ্‌লাৰ গছৰ হাবি। মনত বৰ শান্তি লাগিল। নতুন সামাজিক বনানীকৰণৰ ফল।

বাছতেই পেকেট লাঞ্চ খাইছিলো।

আবেলি গৈ নৈনিতালত প্ৰবেশ কৰিলো।

প্ৰায় শ্বিলঙৰ দৰে এখন পৰ্বতীয়া নগৰ। উঠা-নমা একা-বেকা পথ। হোটেলখনৰ নাম নৈনিতাল ক্লাব। মোক ৪৭ নং ৰুমত থাকিবলৈ দিলে। খটখটীয়েদি উঠি গৈ ৰুমত সোমাওঁতে ভাগৰ লাগিছিল। মোৰ ৰুমৰ আলধৰা জনৰ নাম শ্যাম দত্ত যোশী। তাৰ ঘৰ নৈনিতালৰ পৰা দূৰত, ওখ পাহাৰত। গাঁৱৰ পৰা এদিন কাম বিচাৰি হোটেল পাইছিলহি। এতিয়াও নিগাজী কাম পোৱা নাই। মোক ক'লে, "চাহাব এখন ছাৰ্টিফিকেট দিব। কাম সোনকালে হ'ব।" মই ৰাগ-জঞ্জাল নোহোৱা মানুহ। কাজেই মোক শুশ্ৰূষা কৰি সন্তুষ্ট কৰাত তেওঁৰ বেছি সময় নালাগিল। (নৈনিতাল এৰাৰ আগে আগে এখন ছাৰ্টিফিকেট দি আহিছিলো। তাত কি লিখিছিলো নক'লেও হ'ব।

পাছদিনাও ছুটী। সভাৰ অধিবেশন নাই।

ৰণজিৎ ৰায় চৌধুৰী মানুহজন লেংলেঙীয়া, নম্ৰ, মিতভাষী আৰু পুৰণি (প্ৰাক্তন) কমিউনিষ্ট। আনন্দ বাজাৰ পত্ৰিকাৰ দিল্লী-স্থিত সাংবাদদাতা।

তেওঁৰ লগত বজাৰ কৰিবলৈ গ'লো। কিন্তু বজাৰ কৰাৰ নামত চচমাৰ সাধাৰণ বাকচ এটাহে কিনিলো। বজাৰ কৰাত আমাৰ আগ্ৰহ নাছিল।

ৰণজিতৰ অসমৰ প্ৰতি মৰম আৰু শ্ৰদ্ধা আছে। এবাৰ ডিব্ৰুগড়লৈ আহিছিল। আকৌ আহিবৰ মন আছে। অকল মনেই যথেষ্ট নহয়, সুযোগো লাগে। অসম তেতিয়া আন্দোলনত তল-ওপৰ।

কথাকে পাতিলো। নৈনিতালৰ একা-বেকা আলিবাটৰ দৰে আমাৰ কথাও আছিল একা-বেকা।

প্ৰথমতে তেওঁৰ কমিউনিষ্ট আন্দোলনৰ অভিজ্ঞতাৰ কথা ওলাল। ৰণজিত আছিল আগশাৰীৰ কমিউনিষ্ট। ছোভিয়েট ৰুছিয়াই কংগ্ৰেছ চৰকাৰক নীতিগত সমৰ্থন জনোৱাৰ পাছৰপৰাই তেওঁৰ মনত খুদুৱনি উপজিছিল। খুদুৱনিটো হ'ল ঃ স্বাধীনতাৰ আগত ভাৰতবৰ্ষত যিমান মানুহ দাৰিদ্ৰ্য ৰেখাৰ তলত আছিল, স্বাধীনতাৰ পাছত কংগ্ৰেছী চৰকাৰৰ শাসন কালত তাতকৈ সৰহ মানুহে দাৰিদ্ৰ্য ৰেখাৰ তলত বাস কৰিছে। এবাৰ তেওঁ মস্কোলৈ যাওঁতে তাৰ এজন ভাৰত-বিশেষজ্ঞৰ লগত কথাটো আলোচনাও কৰিছিল। তেওঁ হেনো ক'লে, ভাৰতৰ বৈদেশিক নীতিৰ ভেটিতহে সমৰ্থন আগবঢ়োৱা হৈছে। ৰণজিৎ এই উত্তৰত সন্তুষ্ট নহ'ল। তেওঁৰ মতে চৰকাৰৰ গৃহনীতিহে ৰাইজৰ দৃষ্টিৰ পৰা অধিক গুৰুত্বপূৰ্ণ বিষয়। তেওঁৰ খুদুৱনি বাঢ়ি বিৰাগত পৰিণত হ'ল। ফলত তেওঁ দলৰ সদস্য পদ এৰি দিলে।

ৰণজিৎ বুঢ়া হ'ল। মোতকৈও ডাঙৰ। তেওঁ এতিয়াও সাংবাদিকতা কৰে।

ৰণজিতৰ আটাইতকৈ প্ৰিয় বিষয় হ'ল, পূবৰ ৰাজ্য কেইখনৰ অৰ্থনৈতিক উন্নতিৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ উদাসীনতা। এই ৰাজ্যবোৰৰ কেঁচামাল কম দামত কিনি পশ্চিম ভাৰতৰ পুঁজিপতিসকলে পন্যদ্ৰব্য উৎপাদন কৰি পুনৰ চৰা দামত এই ৰাজ্যবোৰৰ (তথা ভাৰতৰ) গ্ৰাহকক বেচে। একপ্ৰকাৰ ঔপনিবেশিক শোষণ। পশ্চিম বংগ আৰু উত্তৰ-পূব ভাৰতৰ উদ্যোগ বিকাশত কেন্দ্ৰীয় চৰকাৰৰ বিত্ত নীতিয়ে বাধাৰ সৃষ্টি কৰি আহিছে। কৃষ্ণমাচাৰীৰ দিনত দক্ষিণৰ পুঁজিপতিসকলে উঠিবলৈ কিছু সুযোগ পালে। কিন্তু পূবৰ হৈ মাতোতা কেও নাই। ৰণজিতৰ মতে উদ্বাস্তু সমস্যা সমাধানতো কেন্দ্ৰৰ পক্ষপাতিতা পৰিলক্ষিত হৈছিল। পাঞ্জাবী উদ্বাস্তুক চৰকাৰে যিমান টকা আৰু সুযোগ দিছিল, বাঙালী উদ্বাস্তুসকলক তাতকৈ কম টকা আৰু সুযোগ দিলে। তেওঁ ভাবে অসম আৰু উত্তৰ-পূব ভাৰতৰ ক্ষেত্ৰত বঞ্চনাৰ কথা আৰু সঁচা।

বিষয়টোৰ ওপৰত তেওঁ দুখন কিতাপো লিখিছে। কিতাপ দুখন পাছত মোলৈ পঠাই দিছিল।

আমি ফুৰি ফুৰি নৈনী হ্ৰদ পাইছিলো গৈ। এই হ্ৰদটো এটি চকুৰ দৰে। শিৱই সতীৰ মৰাশ কান্ধত লৈ ঘূৰি ফুৰোঁতে বিষ্ণুৱে সুদৰ্শন চক্ৰ মাৰি ডোখৰা-ডোখৰ কৰিছিল। বিচ্ছিন্ন অংগবোৰ উফৰি গৈ ভাৰতৰ ঠায়ে-ঠায়ে পৰিল। কামাখ্যাত যোনি আৰু নৈনিতালত নয়ন। তাল শব্দৰ অৰ্থ বোধহয় স্থান। নৈনিতালৰ ওচৰত বহুত তাল। নৌকুছিয়া তাল, সাত তাল, নল-দময়ন্তী তাল, ভীম তাল ইত্যাদি। সাত তালত হেনো ৰামচন্দ্ৰই বনবাস খাটিছিলহি। নল দময়ন্তী তালত জুৱা খেলত সৰ্বস্বান্ত হৈ আহি নল ৰজাই বাস কৰিছিলহি। তেওঁ তাতে ক'ৰবাত এটা সৰোবৰো খনালে। ভীম তালত হেনো আমাৰ ভীম সেন আহি আছিলহি। তেৱেঁই বোলে ঠাই টুকুৰা অভাই-মেলি মানুহ থাকিব পৰা কৰি থৈ গ'ল। নৈনিতাল অঞ্চলত সভ্যতাৰ পাতনি ভীম সেনেই মেলে।

ওচৰতে ক'ৰবাত কৰ্কোটৰ মন্দিৰ (নাগ দেৱতাৰ মন্দিৰ) আছে। ইয়াত 'বেইতা' বুলি এবিধ সাপৰ এসময়ত অবাধ ৰাজত্ব আছিল। সৰ্প দংশনত যথেষ্ট মানুহ মৰিছিল। ক'ৰবাৰ এজন সাধু আহি নাক্কোৰা বাদ্য বজাই মন্ত্ৰৰ সহায়ত মৰা মানুহ জীওৱা বন্দবস্ত কৰিলে। তাতেই হ'ল এটা মন্দিৰ। এই ঠাইটুকুৰালৈ বোলে বিশ্বকৰ্মাও আহিছিল। তেৱেঁই চিত্ৰশিলাত চিত্ৰেশ্বৰ মহাদেৱৰ মন্দিৰ সাজিছিলহি। ঋষি-মুনি সকলো থিৰেৰে বহি থকা নাছিল। ৰাণী বাগৰ পশ্চিমে 'ছোট' নামেৰে এটুকুৰা ঠাই আছে। তাতে হেনো মাৰ্কণ্ডেয় মুনিৰ আশ্ৰম আছিল। শাস্ত্ৰ অনুসৰি অগস্ত্য, পুলস্য (পুলস্ত্য ?) আৰু পুলঃ (পুলহ ?) আদি মুনিয়ে নৈনী দেৱীৰ সাক্ষাৎ লাভৰ বাবে নৈনিতালত কঠোৰ তপস্যা কৰিব লগা হৈছিল।

নৈনী দেৱীৰ এটা মন্দিৰ নগৰত আজিও আছে। এই মন্দিৰটো হাবিত চিকাৰ কৰিবলৈ যোৱা এজন লোকে ১৮৪০ চনত হঠাতে আৱিষ্কাৰ কৰে। মানুহজনৰ নাম বৈৰণ। মাটি টুকুৰাৰ মালিক আছিল ঠাকুৰ সিংহ। বৈৰণে ঠাকুৰ সিংহক ছল কৰি হ্ৰদৰ মাজলৈ নি ভয় খুৱাই মাটি টুকুৰা নিজৰ নামত লিখাই ল'লে। বৈৰণে ১৮৮০ চনত মন্দিৰটো পুনৰ নিৰ্মাণ কৰে। মোতীলাল শ্বাহী হ'ল নৈনিতাল নগৰৰ প্ৰতিষ্ঠাতা। এওঁ মন্দিৰটো সজায়। নৈনী সৰোবৰটো মন্দিৰৰ কাষতে। ই দীঘে ১৫৬৭ মি·, পুতলে ১৬৮·৭ মি· আৰু দ ৩১ মি·। আমি থকা হোটেলটো পূৰ্বতে বিধান সভাৰ ভৱন আছিল। এতিয়া ইয়াৰ নাম নৈনিতাল ক্লাব। ক্লাবটো উত্তৰ প্ৰদেশ চৰকাৰে পৰিচালনা কৰে।

ক'ৰবাৰপৰা আহি কোনোবাখিনি পালোহি। উপায় নাই। ভাৰতবৰ্ষৰ য'লৈকে যাওক, ঋষি-মুনি, মহাকাব্যৰ নায়ক-নায়িকা, দেব-দেবীৱোৰে আপোনাক আহি লম্ভিবই। তদুপৰি ইতিহাসৰ পাত্ৰ-পাত্ৰীবোৰো মনে মনে বহি থকা ভকত নহয়। তেওঁলোকো ঢোল-খোল বজাই মনৰ বৰঘৰ সোমাই আপোনাক তেওঁলোকৰ কথা শুনিবলৈ বাধ্য কৰায়।

এইবোৰ কথা বাৰু যাওক। আজিৰ মানুহৰ কথালৈ আহোঁ। ৰণজিতৰ লগত মই বহুত কথা হৈছিলো।

মাজতে ৰণজিতে এটা অদ্ভুত কথা ক'লে। শিখবিলাকৰ সম্পৰ্কে। ভাৰতৰ জনসংখ্যাৰ এভাগ শিখ। কিন্তু সেনা বাহিনীত তেওঁলোকৰ সংখ্যা হ'ব শতকৰা ১৫ ভাগ। এতিয়া সৈন্য সংগ্ৰহৰ নীতি সলনি হৈছে। শিখসকলৰ মনত ভয়, কিজানি নতুন নীতি প্ৰবৰ্তন হ'লে সেনা বাহিনীত তেওঁলোকৰ আগৰ প্ৰতিপত্তি নাথাকে। কথাটো বৰ মিছা নহয়। বৃটিছসকলে ভাৰতবাসীক সামৰিক আৰু অসামৰিক দুটা ভাগত ভাগ কৰিছিল। এই বিভাজনৰ উদ্দেশ্য সৎ নাছিল। ই ৰাইজক ভাগ-ভাগ কৰি শাসন কৰাৰ এটা উপায় মাথোন। স্বাধীন ভাৰতত এনে বিভাজন সম্ভৱ নহয়। সকলো গোটৰ ভাৰতীয়কে সামৰিক বিভাগৰ চাকৰি দিয়া উচিত।

পাছদিনা প্ৰেছ কাউন্সিলৰ অধিবেশন হ'ল। স্বৰ্ণ মন্দিৰৰ ঘটনাৰ খবৰ দুই-এটা ইতিমধ্যে পাইছিলো।

OKDISCD

পঞ্জাবত ইতিমধ্যে প্ৰেছৰ ওপৰত কঠোৰ নিষেধাজ্ঞা জাৰি হৈছিল। আমি চৰকাৰী অধ্যাদেশখন অনুমোদন কৰিব নোৱাৰিলো। কাৰণ পঞ্জাবৰ বিষম পৰিস্থিতিতো ব্যক্তি আৰু প্ৰকাশৰ স্বাধীনতা ৰক্ষা কৰাটো আমি কৰ্তব্য বুলি বিবেচনা কৰিছিলো। সেই দিনা গধুলিলৈকে আমি গভীৰ আলোচনাত ব্যস্ত আছিলো।

পাছদিনাখন মই আনবিলাক যাত্ৰীৰ লগত ৰাণীখেতলৈ নগলো। কিতাপ পঢ়িবলৈ নাইনিতাল ক্লাবৰ পুথিভঁৰালত গৈ সোমালোগৈ। কিতাপ চাওঁতে চাওঁতে জে· এছ. লালৰ "দি হিমালয়" নামৰ সংকলন গ্ৰন্থখনত চকু পৰিল। পাত লুটিয়াওঁতে·লুটিয়াওঁতে এঠাইত চকু বৈ গ'ল।

লেখকজনৰ নাম এইচ· এন· চৌধুৰী। প্ৰবন্ধটোৰ শিতান "হিমালয় অঞ্চলৰ ভূঁইকপসমূহ।"

তাতে আছে ১৮৯৭ চনত হোৱা অসমৰ ভূঁইকপৰ কথা। ভূঁইকপটো হৈছিল ১৮৯৭ চনৰ ১২ জুনৰ আবেলি ৫—১৫ বজাত। ভূঁইকপটোৰ কথা দেউতা আৰু বৰদেউতাহঁতৰ মুখত শুনিছিলো। মাটি ফাটি বালি আৰু মাছ ওলাইছিল। ঘৰ বহি গৈছিল, নৈৰ পানী আন্দোলিত হৈ তালফাল খাই উফৰি পৰিছিল। বেজবৰুৱাৰ লেখাত পঢ়িছিলো, গুৱাহাটীৰ জজ পথাৰৰ (বৰ্তমান কুশল কোঁৱৰ পাৰ্কৰ মাজত) গীৰ্জাটো ভাগি পৰিছিল। শ্বিলং, শিলচৰ, গুৱাহাটী, বৰপেটা, ধুবুৰী আদি নগৰৰ আলৈ-আথানি হোৱাৰ কথা শুনিছিলো। মোৰ ১৯৫০ চনৰ বৰ ভূঁইকপৰ কথাহে মনত আছে। সেইদিনা দীঘলী পুখুৰীৰ পানীত কি খলকনি! ঢুয়োটা পাৰলৈ বৰ-বৰ লাহনিৰে কোনোবাই যেন পানীহে চটিয়াইছিল।

১৮৯৭ চনৰ ভূঁইকপটো বোলে পৃথিৱীৰ বৃহত্তম ভূঁইকপৰ এটা। এই ভূঁইকপৰ অধ্যয়ন কৰিবলৈ লোৱাৰ ফলত হেনো ভূঁইকপ বিজ্ঞানৰ প্ৰভূত উন্নতি সাধন হ'ল। এই ভূঁইকপটোৰ উপকেন্দ্ৰ আছিল পশ্চিম অসমত (স্থান টুকুৰাৰ দ্ৰাঘিমা হ'ল ৯০° আৰু অক্ষ ৰেখা হ'ল ২৬°)। বুৰঞ্জী মতে এনে ভয়ানক জোকাৰণি হেনো অভূতপূৰ্ব। পশ্চিম অসমত এই জোকাৰণি প্ৰায় আঢ়ৈ মিনিট সময় ধৰি আছিল। অৱশ্যে অতি সাংঘাতিক জোকাৰণিটো মাথোন এক মিনিটহে স্থায়ী হৈছিল। লঘু জোকাৰণি ঠায়ে-ঠায়ে তিনি মিনিট সময়লৈকে আছিল। আবেলি বেলিকা অহা বাবে মানুহৰ মৃত্যু সংখ্যা কম হ'ল। কাৰণ সেই সময়ত সৰহ ভাগ মানুহ ঘৰৰ বাহিৰত আছিল। এই ভূঁইকপত সৰ্বমুঠ ১৫০০ মানুহৰ প্ৰাণ গ'ল। শ্বিলং, নলবাৰী, মণ্ডলদৈত জোকাৰণি বৰ প্ৰবল হৈছিল। অৱশ্যে এই ভূঁইকপত প্ৰায়বোৰ ঠাইতে আনুভূমিক আৰু প্ৰলম্বিত জোকাৰণিৰ বেগ অনুভূত হৈছিল। শ্বিলঙৰ দাঁতিকাষৰীয়া ১৫০,০০০ বৰ্গ মাইল ঠাই ভূঁইকপত ক্ষতিগ্ৰস্ত হৈছিল। আলিবাটত যান-বাহন চলা অসম্ভৱ হৈ পৰিছিল। পাহাৰ ভাগি বৰকৈ মাটি খহিছিল, আৰু সমতল ভূমিত ভালেমান ছিদ্ৰ ওলাইছিল। এই ছিদ্ৰবোৰেদি বিপুল পৰিমাণৰ বালি আৰু পানী বাহিৰলৈ ওলাই আহিছিল। প্ৰায় দহ মিনিট মান সময়ৰ পাছতো (শ্বিলং তেতিয়া ধ্বংস প্ৰাপ্ত), প্ৰায় ডেৰ নিযুত বৰ্গ মাইল পৰ্যন্ত কঁপনি অনুভূত হৈছিল।

এই ভূঁইকঁপত মাটিত থিয় হৈ থকা মানুহবো আঘাত লাগি ঘা হৈছিল আৰু বহুত মানুহ অস্থিৰ হৈ মাটিত লুটি খাই পৰিছিল। প্ৰলম্বিত জোকাৰণিৰ ফলত মাটিৰ ডাঙৰ-ডাঙৰ শিল ওপৰলৈ উফৰি পৰিছিল। কিন্তু আচৰিত কথা শিল থকা গাঁতবোৰৰ কাষবোৰ ভগা নাছিল। কোমল মাটিত থকা বহুত ঘৰ তলত এনেকৈ সোমাই গৈছিল যে কেৱল ওপৰৰ চালবোৰহে মানুহৰ চকুৰ আগত জিলিকি আছিল।

মাটিৰ ওপৰত যিবোৰ প্ৰাকৃতিক চ্যুতি আছিল সেইবোৰ বাকৈকৈয়ে লৰিছিল, আৰু পৰ্বতৰ বৰ-বৰ শিলত প্ৰকাণ্ড ফাট মেলিছিল। শ্বিলঙৰ পৰা ১৬০ কিল'মিটাৰ দূৰত থকা চেড্ৰং চ্যুতিতো প্ৰায় ১৯.৩০ কিল'মিটাৰ ফাট মেলা দেখা গৈছিল। উপকেন্দ্ৰৰ আশে-পাশে থকা অঞ্চলত (খাছী আৰু গাৰোপাহাৰৰ দক্ষিণ দিশৰ ঠাইত) প্ৰবল মাটি খহনীয়া হৈছিল। এই খহনীয়াই পৰ্বতৰ হাবি মৰিমূৰ কৰি পৰ্বতবোৰ টকলা কৰি পেলাইছিল। ভালেমান খেতিৰ মাটিত বৰকৈ বালি ওলোৱা বাবে সেইবোৰত খেতি কৰা একেবাৰে অসম্ভৱ হৈ পৰিছিল। পলসুৱা মাটিত ইমান ফাট মেলিছিল যে এটা বিস্তৃত অঞ্চলত তাৰ ছাপ অনুভৱ হৈছিল। মাটিৰ আনুভূমিক স্খলন আটাইতকৈ বেছি হৈছিল শ্বিলং, ছিলেট আৰু গোৱালপাৰাত।

১৯৫০ চনত ভূঁইকপৰ উপকেন্দ্ৰ আছিল অৰুণাচলৰ ৰিমাত। এই ভূঁইকপ আহিছিল স্বাধীনতা দিবসৰ দিনা। এই ভূঁইকপত উত্তৰ-পূব অঞ্চলৰ প্ৰাকৃতিক ৰূপৰ বিৰাট সলনি ঘটিল। নৈবোৰত বানপানী প্ৰবল হৈ পৰিছিল। সোঁতত উটি আহিছিল বালি, বোকা, গছ আৰু সম্পত্তিৰ ধ্বংসাৱশেষ। সোৱণশিৰি, দিহং, আৰু তিডিং—ব্ৰহ্মপুত্ৰৰ এই তিনিখন উপনৈ পৰ্বতপ্ৰায় খহনীয়া মাটিয়ে পুতি পেলাই পানীৰ সোঁত বন্ধ কৰি থৈছিল। সোৱণশিৰি নৈ চাৰিদিন পৰ্বতৰ মাজত আৱদ্ধ হৈ ৰ'ল। চতুৰ্থ দিনৰ শেষতহে প্ৰকাণ্ড শব্দ তুলি নৈখন বিৰাট সাগৰৰ দৰে ভৈয়ামলৈ বৈ আহিল,—এক বিৰাট অঞ্চলত প্ৰলয়ৰ বান তুলি। এই প্ৰলয়ত ৮০০ বৰ্গ কিল'মিটাৰ এটা অঞ্চল প্ৰবল ধ্বংসৰ সন্মুখীন হ'ল। ঘৰ-দুৱাৰ, গাঁও, হাবি-বননি একো বাকী নৰ'ল। সেই সময়ত অসমৰ প্ৰায় ৪৬০০০ বৰ্গমাইল জুৰি ভূঁইকপৰ ধ্বংসলীলা চলিছিল। এই ভূঁইকপৰ জোকাৰণিয়ে সুদূৰ লক্ষ্ণৌ, এলাহাবাদ আৰু ৰেংগুন চহৰ পৰ্যন্ত ভেদিছিলগৈ। এই ফালৰ পৰা চালে ভূঁইকপৰ জোকাৰণি প্ৰায় ২৯২৭০০০ বৰ্গমাইল



পৰ্যন্ত বিয়পি পৰিছিল বুলি অনুমান কৰিব পাৰি।

অসমৰ ভূঁইকঁপৰ বিৱৰণী পঢ়ি পঢ়ি অনুভৱ হৈছিল যেন সেই ভূঁইকঁপৰ গৰাহত পৰি মৰাসকলৰ ভিতৰত ময়ো এজন। লগে লগে মনত পৰিছিল পৰশুৰামৰ কিম্বদন্তীলৈ। ব্ৰহ্মপুত্ৰ এদিন লোহিত কুণ্ডত সোৱণশিৰিৰ দৰেই পোত গৈ হয়তো কেইবাদিনলৈও আবদ্ধ হৈ আছিল! শেষত অবুজ প্ৰাকৃতিক শক্তিৰ বলত নৈখনে আকৌ স্ফূৰ্তি সলাই ভৈয়ামৰ ফালে বৈ আহিল। মানুহে এই ঘটনাকে হয়তো পৰশুৰামৰ কিম্বদন্তীৰ লগত মিলাই দিলে। কিম্বদন্তীটো সুন্দৰ। পৰশুৰামে ব্ৰহ্মপুত্ৰক কুণ্ডৰ পৰা মুকলি কৰি দিয়াৰ লগে-লগে তেওঁৰ মাতৃহত্যাৰ পাপ মোচন হ'ল। প্ৰাকৃতিক ঘটনাটোৰ লগত অৱশ্যে ইয়াৰ সম্পৰ্ক দূৰণীয়া।

অসমৰ ধেমাজিত ভূঁইকপ হ'ব বুলি অধ্যাপক বাপটে বুকু ডাঠি কৈছে। আন বিশেষজ্ঞসকলে অৱশ্যে তেওঁৰ ভৱিষ্যতবাণীত সন্দেহ প্ৰকাশ কৰিছে। কিন্তু এটা-দুটা সৰু ভূঁইকপ আহি থকা আমি নিজেই গম পাইছোঁ। বৰ ভূঁইকপ নাহে বুলিও কোনেও ক'ব নোৱাৰে। জাপানীসকলৰ মাজত এটা কথা প্ৰচলিত আছে। মানুহে ভূঁইকপৰ কথা যেতিয়াই পাহৰে, তেতিয়াই ভূঁইকপ আহে। যদি সেয়ে হয়, তেন্তে আমি ভূঁইকপৰ নাম নিতৌ এবাৰ লোৱাটো বোধহয় বেয়া নহয়।

অসম বুৰঞ্জীত ভালেমান পুৰণি ভূঁইকঁপৰ উল্লেখ পোৱা যায়। মহাপুৰুষ শংকৰদেৱৰ দিনত এটা ভূঁইকঁপ হৈছিল। তেতিয়া গড়গাঁৱত স্বৰ্গদেউ শুক্লেংমুং আৰু কোচবেহাৰত ৰজা নৰনাৰায়ণে ৰাজত্ব কৰিছিল। ভূঁইকঁপটো আহিছিল ১৫৪৮ চনত। সেইবাৰো বসুমতী ফাটি চিৰাচিৰ হৈছিল। আৰু ফাটেদি বালি, শিল আৰু ছাই আদি ওলাইছিল। একেধৰণৰ ভূঁইকঁপ এটা আহিছিল খোৰা ৰজা চুখামফাৰ দিনত, ১৫৯৬ চনত। এই ভূঁইকঁপতো মাটি ফাটি গৰম, পানী, বালি আৰু ছাই ওলাইছিল। জোকাৰণি ইমান ডাঙৰ হৈছিল যে আহোম ৰজাৰ প্ৰাসাদ এটা ভাগি পৰিছিল।

ভগা ৰজা চুৰামফাৰ দিনত (১৬৪২ চনত) অসমত কেইবাটাও ভূমিকম্প হয়। ভূমিকম্প কেইটা কিমান ডাঙৰ আছিল তাৰ বিৱৰণ বুৰঞ্জীত নাই। বোধহয় এই কেইটা সিমান ডাঙৰ নাছিল। সেই বছৰ প্ৰবল বানপানী হোৱাৰ কথাহে ইতিহাসত পোৱা যায়! ১৯৮৭ চনৰ চনৰ বানপানীৰ দৰেই এই বানপানী প্ৰবল আছিল, আৰু অসংখ্য গৰু-ম'হ পানীত উটি গৈছিল।

মীৰজুমলাৰ সহযাত্ৰী চিহাবুদ্দিনৰ বিৱৰণী মতে মীৰজুমলাই গড়গাঁৱৰ পৰা উভতি আহোঁতে কাজলীমুখত কেইবাদিনো জিৰাইছিল তেতিয়া তেওঁৰ বৰ অসুখ। কলিয়াবৰৰ পৰা কাজলীমুখলৈ তেওঁক পাল্কীত নিব লগা হৈছিল। এই ছোৱা বাটৰ দৈৰ্ঘ্য আছিল ৮৪ মাইল। পাল্কীৰে যাওঁতে নবাবৰ চাৰি দিন লাগিছিল। কাজলীমুখত থাকোঁতেই এদিন (১৬৬৩ চনৰ —৭ ফেব্ৰুৱাৰী) বিজুলী ঢেৰেকনিৰে ভয়ানক ধুমুহা আহিল আৰু সেই ধুমুহাই মীৰজুমলাৰ সেনাবোৰৰ মনত ত্ৰাসৰ সঞ্চাৰ কৰিলে। ধুমুহাৰ পাছতে আহিল এটা বৰ ভূমিকম্প। এই ভূমিকম্পটোৰ জোকাৰণি হেনো আধা ঘণ্টালৈকে মাৰ যোৱা নাছিল। মীৰজুমলাৰ তাতে যোৱা-থোৱা নৰিয়া হ'ল। নৰিয়া গাৰেই তেওঁ ঢাকালৈ যাত্ৰা কৰিলে। কিন্তু ঢাকা পোৱাৰ আগতেই ৩০ মাৰ্চৰ দিনা জাহাজতে তেওঁৰ মৃত্যু ঘটিল।

ৰুদ্ৰসিংহৰ দিনত (বোধহয় তেওঁৰ মৃত্যুৰ বছৰ ১৭১৪ চনত) আৰু এটা ডাঙৰ ভূমিকম্প হয়। এই ভূমিকম্পৰ জোকাৰণিত কেইবাটাও দেৱমন্দিৰ ভাগি পৰে।

গেইটে ১৮৬৯ আৰু ১৮৭৫ চনত দুটা ভূমিকম্প হোৱাৰ কথা উল্লেখ কৰিছে। প্ৰথমটোৰ জোকাৰণি কাছাৰত প্ৰবল হৈছিল। দ্বিতীয়টোৱে গুৱাহাটী আৰু শ্বিলঙৰ ভালেমান ঘৰ-দুৱাৰ ভাঙিলে। কিন্তু ১৮৯৭ চনৰ ১২ জুনৰ ভূঁইকঁপটো আছিল আটাইতকৈ প্ৰবল। ইয়াৰ উৎস শ্বিলঙৰ বেছি দূৰত নহয় বুলি গেইটে লিখিছে। গেইটৰ বৰ্ণনা ওপৰত দিয়া বৰ্ণনাৰ অনুৰূপ যদিও তাত কেইটামান লাগতিয়াল সংবাদ আছে। তদুপৰি বৰ্ণনা প্ৰত্যক্ষদৰ্শীৰ বৰ্ণনা যেন বোধ হয়।

এই ভূমিকম্পত শ্বিলং, গুৱাহাটী আৰু ছিলেট নগৰ সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। খাছী-জয়ন্তীয়া পাহাৰৰ ভালেমান ঐতিহাসিক শিলাস্তম্ভ (monoliths) উভালি খাই পৰিল। হাজোৰ ওচৰৰ শিল-সাকোৰ প্ৰায়বোৰ খুটা ভাগি গ'ল, আৰু ভালেমান নৈৰ তলি পলসে পোত নিয়ালে। আলিবাট আৰু ৰেল আলিৰ গঢ়া সম্পূৰ্ণ ৰূপে ধ্বংসপ্ৰাপ্ত হ'ল। এই ভূমিকম্পৰ পাছৰে পৰা বৰপেটা নগৰত বাৰিষা বানপানী হ'বলৈ ধৰিলে, আৰু মহকুমাৰ সদৰ অফিছ বৰ নগৰলৈ নিবলগাত পৰিল। শ্বিলঙত প্ৰকৃতিয়ে প্ৰবল ৰূপ ধাৰণ কৰিছিল। সাগৰত উঠা দৰেই মাটিত ঢৌ উঠিছিল। গছ-গছনিবোৰ ইফালে-সিফালে হালি একেবাৰে মাটিত শুই পৰিছিল। বৰ বৰ শিলবোৰ বৰটিনৰ ভিতৰত থকা মাহগুটিৰ দৰে জোকাৰত উফৰি পৰিবলৈ লৈছিল। জোকাৰণিয়ে ইটাৰ ঘৰবোৰ ভেটিৰে সৈতে তুলি দিছিল।

১৯৩০ চনৰ ৩ জুলাইত ধুবুৰীক কেন্দ্ৰ কৰি অসমত আৰু এটা ভূমিকম্প হোৱাৰ কথা নথি-পত্ৰত পোৱা যায়।

হিমালয় বোলে সাগৰৰপৰা উঠি অহা সৰহ কাল হোৱা নাই। অৱশ্যে এই কাল ভূতাত্বিক কালহে। সেইবাবে এই অঞ্চলত ভূঁইকঁপ হ'লে ক্ষতি হয় সৰহ। অসমত ভূমিকম্পটো



OKDISCD

ডাঙৰ সমস্যা বুলি ৰজা-প্ৰজা কোনেও গণ্য কৰা নাই যেন লাগে। চীন দেশত ভূমিকম্পৰ আগজাননী ৰাইজক দিবৰ বাবে জীৱ-জন্তুৰ স্বভাৱো অধ্যয়ন কৰা হৈছে। দুই-এটা ভুঁই-কঁপৰ আগজাননী তাৰ চৰকাৰে ৰাইজক দিছিল এনে অধ্যয়নৰ সহায়ত। জীৱ জন্তুৱে বোলে ভূমিকম্প অহাৰ কথা আগতেই গম পায়। অসমৰ বিজ্ঞান সমাজে এই বিষয়ৰ অধ্যয়ন কৰিবলৈ লোৱাৰ কথা গম পোৱা নাই। জিঅ'-লজিকেল ছাৰ্ভে অৱ ইণ্ডিয়াই এই বিষয়ে অধ্যয়ন কৰি আছে। পুনেৰ গৱেষণাগাৰতো বোধহয় এনে অধ্যয়ন হৈছে।

নৈনিতাল ক্লাবৰ পুথিভঁৰালত ভুইকঁপৰ তথ্য পাই মোৰ এইবোৰ কথাই বাৰে-বাৰে মনত পৰিছিল। প্ৰকৃতিৰ দৌৰাত্মৰপৰা অসমখন ৰক্ষা কৰা জানো আমাৰ কৰ্তব্য নহয়? অৱশ্যে কামটো বৰ টান।

বিশ্বম আৰু ৰাঘৱন এই দুজন প্ৰেছ কাউন্সিলৰ সদস্যৰ লগত মই আন বিষয় এটাৰ কথাও পাতিছিলো। সেইটো হ'ল ভাৰতৰ সাংবাদিকতাৰ এখন সম্পূৰ্ণ ইতিহাস। এতিয়ালৈকে সম্পূৰ্ণ ইতিহাস এখনো লিখা হোৱা নাই। বিশ্বম কাউন্সিলৰ সদস্য হৈ থাকোঁতে ডেকান হেৰাল্ডৰ দিল্লীস্থিত সংবাদদাতা আছিল। (এতিয়া তেওঁ চণ্ডীগড়ৰ ট্ৰিবিউন কাকতৰ সাংবাদদাতা।) ৰাঘৱনে পি. টি. আইত কাম কৰে। তেওঁলোক বৰ্তমানত মগ্ন। ইতিহাস লিখাৰ কথা ভবা নাই। কিন্তু মোৰ কথাত তেওঁলোকে হয়ভৰ দিলে। ইতিহাস লিখা সহজ কথা নহয়। ভাৰতৰ ভাষা বহুত। বহুত কাকত হয় উয়ে খালে, নহয় মানুহৰ অৱহেলাৰ বলি হ'ল। ৰাজ্যবোৰত হয়তো আঞ্চলিক ইতিহাস আছে। আটাইবোৰ ৰাজ্য অসমৰ দৰে দুৰ্ভগীয়া নহয়। লক্ষ্মীনাথ ফুকন জীয়াই থাকোঁতেই মোক অসমৰ সাংবাদিকতাৰ বুৰঞ্জী ৰচিবলৈ কৈছিল। অসমৰ সাংবাদিকতাৰ (ৰিপৰ্টিং, সম্পাদকীয়, শিতানৰ নিবন্ধ, সম্পাদকলৈ চিঠি, বিভিন্ন বিষয়ৰ সংবাদ, ফট' সংবাদ, সাংবাদিকতাৰ বিকাশ আদি সকলো বিষয় ইয়াত পৰে) বিবিধ তথ্য পোৱা টান হৈ পৰিছে। অসম সাহিত্য সভাই (মই সভাপতি থাকোঁতে) এখন ইতিহাস ৰচনাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছিল। প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ ধন লাগে। কিন্তু ধন দিয়ে কোনে?

জীৱনটোত নোপোৱাৰ, অশুভৰ, নেতিবাচক চিন্তাৰ বেদনাৰ বোজা ভাৰ বৈ থাকিবলৈ সদায় ভাল নালাগে। ৮ জুনৰ ৰাতি আমি ওচৰৰে হল এটাত কুমকুম ধৰৰ কথক নাচ চাইছিলো। কুমকম স্থানীয় শিল্পী। সেইদিনা মোৰ জোতাৰ ভিতৰত গজাল ওলাই তলুৱা ফুটাইছিল। নাচ চাই থাকোঁতে মনে মনে গুনগুনাইছিলো:

কুমকুম, তুমি কিহৰ বিভাৱ?
ভগবানৰ? প্ৰেমিকৰ? নে বিগত
বাস্তৱৰ?
মোৰ জোতাৰ ভিতৰত গজাল, তলুৱা
বিন্ধিছে।
মোৰ হাতত অস্বস্তি, কলম কঁপিছে,
প্ৰাণৰ শিল্পত সমলয় নাই
তোমাৰ কলাৰ স'তে কিয়
মোৰ প্ৰাণৰ বিৰহ ঘটিছে?

সেইদিনা হোটেললৈ আহি নাচৰ কথাই ভাবিছিলো। 'সহৃদয়' হোৱা সহজ কথা নহয়। নাচৰ বিষয় আছিল দক্ষযজ্ঞ। দক্ষযজ্ঞৰ পাছত তাণ্ডৱ। তাৰ পাছত কথকৰ দৰবাৰী আৰু হিন্দু দুয়োটা ৰীতিৰ প্ৰদৰ্শন। নাচ খুব ভাল হৈছিল। তথাপিও মনটোত গুৰুদ্বাৰৰ গুলীয়াগুলীৰ ধ্বনিহে উঠিছিল বাৰে-বাৰে। এটা নিবিচৰা ভূমিকম্প। নে দক্ষযজ্ঞ? মোৰ মনলৈ কিছুমান পংক্তি আহিছিল;

নবীৰ বাণী ভ্ৰাতৃহত্যাৰ বাৰুদ কৰিলো
ঘৰখন পোতাশাল হ'ল।
বন্ধ দুৱাৰ, সহস্ৰ শিকলি।
কাকো নিচিনি
একোকে নমনি
এনে এন্ধাৰত জীৱন নমনি।
জ্বলোৱা এগছি বন্তি।

প্ৰকৃততে মনৰ অৱস্থা অস্থিৰ হৈছিল। 'গুৰুদ্বাৰত গুলীয়াগুলী, মনৰ সৰস্বতী ডাংকাচী' —দুটা পংক্তি আকৌ মনত জাগি উঠিল। মনৰো মনত অনুভৱ কৰিছোঁ বৰ ভুঁইকঁপ। ঘৰৰ গোটেই ভেটিটো কঁপিছে।

অলপ পাছতে শ্যাম দত্ত যোশী আহি ওলালহি। মানে আলধৰা। তাৰ লগত তাৰ জীৱনৰ কথা পাতিলো। সি ওখ পৰ্বতৰ পৰা এদিন চাপৰ পৰ্বতলৈ নামি আহিল। 'চাৰে ন টকা' দিন হাজিৰাত হোটেলত আলধৰা সোমাল। ভনী পাঁচজনী, চাৰিজনীৰ বিয়া বাকী। ঘৰত সৰ্ব মুঠ নটি প্ৰাণী, তাৰে দুটি আলৰ পিতৃ-মাতৃ। পঢ়িবলৈ নাই যোত্ৰ, গতিকে আদখিনিতে শিক্ষা শেষ। দুমুনিয়াহ চাৰি শ্যাম দত্তই ক'লে, "দুখীয়াৰ কি কলেজ পঢ়া, পঢ়া-শুনা বিলাসিতা।" ৰাতি শোওঁতে আলধৰাৰ দৃষ্টিৰে জগতখন আকৌ চালো। এখন বেলেগ জগত দেখা পালো। আমি আমাক চাই, আমাকে বখানি, আমাকে সজাই-পৰাই, নিজতে মগন হৈ আচল জগতখনৰ কথা পাহৰি গৈছোঁ। আচল জগতখন চকুৰ আগত ভাহি উঠিল। এইখন সাধাৰণ মানুহৰ।

ন জুনৰ দিনা আমি সকলোবোৰ অহা বাটেদি অহা ৰাছতে উভতি আহিলো। নামনিৰ হৰিৎ উদ্যানখনো পাৰ হ'লো। মীৰাটত জিৰালো। গধূলি আহি ফৰিদকোট হাউছত নামিলোহি। কোনো হোটেলত মোৰ বাবে ঠাই ৰখা হোৱা নাছিল। অসম হাউছলৈ গ'লেও ঠাই পোৱা আশা কম।

টিৰ্থাই নিখিল ভাৰত সম্পাদক সন্মিলনৰ গৃহত এটা 'ছিট' যোগাৰ কৰি দিলে। টিৰ্থা নৱ ভাৰত টাইমছৰ সহকাৰী সম্পাদককো। তেওঁ মোৰ এৰোপ্লেনৰ টিকটটোও 'অকে' কৰাই দিলে।

ৰণজিৎ ৰায়চৌধুৰীয়ে ক'লে, "ব'লক। ময়ো তাতে থাকিম।"



নিশাটো তেওঁ আৰু মই একেটা ৰুমতে কটালো। তেওঁৰ মুখত তেওঁৰ সাংবাদিক জীৱনৰ কাহিনী শুনিলো। ফিল্টাৰত ভৰোৱা পানীৰ দৰে ফট-ফটীয়া তেওঁৰ অভিজ্ঞতা। যিখন সমাজ, যেনেকুৱা চৰকাৰ, যেনে কামৰ অৱস্থা তেওঁ বিচাৰিছিল, একো পোৱা নাই। তথাপি শান্তচিত্তে নিজৰ কাম কৰি আছে। মোৰ বাবে সম্পাদক-গৃহত ৰাতিৰ আহাৰৰ ব্যৱস্থা নহ'ল। তেওঁৰ বাবে আগতেই অৰ্ডাৰ দিয়া আছিল। মই নিৰ্বিকাৰ হৈ বহি আছিলো। ৰনজিতে আলধৰাক মাতি ব্ৰেড কিনাই অনালে। আহাৰ আহিলত তেওঁৰ কাঁহীৰ আধা বস্তু মোক দিলে। মই তিনিখন মান ব্ৰেড আৰু অলপ ভাজি লৈ ভোক পলুৱালো।

ৰাতিপুৱা উঠি গা ধুই চাহ খালো আৰু এয়াৰ প'ৰ্টলৈ যাবলৈ সাজু হ'লো। বিলৰ পইচা দিবলৈ ধৰোঁতেই ৰণজিতে বাধা দিলে। তেওঁ ক'লে, "আপুনি মোৰ আলহী।"

মোৰ অনুনয়-বিনয়ে কাম নিদিলে। পৰাস্ত হৈ গুচি আহিলো। এৰোড্ৰমত প্লেনত উঠি ঘৰলৈ ৰাওনা হ'লো। কিন্তু মোৰ ঘৰ ক'ত? মনে মনে গুণ গুণালো:

যাত্ৰা
নামৰূপৰ পৰা নৈনিতাল
সাহিত্যৰপৰা সাংবাদিকতালৈ
কেৱল যাত্ৰা
ঘৰ বিচাৰি ফুৰিছোঁ।
মই যেতিয়া প্লেনত বহোঁ
টেক্সিত উঠোঁ
ভীৰ ঠেলি বাছত সোমাওঁ
হোটেলত ৰাতি থপোঁ
ভাবোঁ ঘৰলৈ আহি আছোঁ।
কিন্তু ঘৰ ক'তা?
বিচাৰি পোৱা নাই
মোৰ ঘৰ;
বিচাৰি পোৱা নাই
প্ৰাণৰ স্বৰ।
ঘৰ বিচাৰি মই গৈ আছোঁ
গ্ৰহৰ পৰা গ্ৰহান্তৰ।

ৰণজিৎ ৰায় চৌধুৰীক সিদিনা কলিকাতাৰ ছল্ট লেকত হঠাতে ঘৰতে লগ পালো। মই থকা সৰু হোটেলখনৰ ইমান ওচৰতে তেওঁক পাই মোৰ বৰ আনন্দ লাগিল। তেওঁ এতিয়া 'দৈনিক বসুমতী'ৰ সম্পাদক। তেওঁ কোনো ৰকম এটা ঘৰ বান্ধিছে। নৈনিতালৰ কথা তেওঁ ঘুণাক্ষৰেও নুলিয়ালে। মই তেওঁৰ পৰা বিদায় লৈ কলেজ ষ্ট্ৰিটলৈ যাবলৈ ওলালো। উদ্দেশ্য ছোৱালীজনীৰ বাবে পাঠ্য-পুথি কিনা। তেওঁ ক'লে, "আপুনি যাব নালাগে। মই কিতাপ দুখন লৈ আহিম। অফিছৰ পৰা আহোঁতে সেই বাটেদিয়েই আহিম।" মই সন্মত হৈ তেওঁক দিবলৈ পইচা উলিয়ালো। তেওঁ ক'লে, "পাছত দিব।" ৰাতি হোটেলত মই শুবলৈ গৈছো। তেওঁ কিতাপ দুখন লৈ আহি মোৰ বিছনাতে বহিল। দুই খণ্ডৰ সংস্কৃত সাহিত্যৰ বুৰঞ্জী। মই বেগ খুলি দাম চাই দিবলৈ পইচা উলিয়ালো। ৰণজিতে এইবাৰ দুই হাতে মোক বাৰণ কৰি ক'লে, "পইচা মই নলওঁ। আপোনাৰ ছোৱালী জানো মোৰ ছোৱালী নহয়? তাই পঢ়ক, ভালকৈ পঢ়িবলৈ ক'ব।"

ৰণজিতৰ হাতত মই দ্বিতীয় বাৰ পৰাস্ত হলো। এই ঋণ জানো শোধ কৰিব পাৰিম? ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ত ৰবি ঘোষ আহি মোৰ লগত বহুত দিন আছিল। তেওঁ 'উড়ে বাঙালী'। বাঙালী চৰিত্ৰ সম্পৰ্কে তেওঁ মোক কৈছিল: "ব্যক্তিগতভাৱে বাঙালী মানুহ বহুতেই মহত্বৰ শীৰ্ষ স্তৰত উঠিছেগৈ।" তেওঁ ছি. আৰ. দাস, সুভাষ বসু, খুদিৰাম আদিৰ উদাহৰণ দিছিল। ৰণজিতৰ ব্যৱহাৰ দেখি মোৰ ৰবি ঘোষৰ কথা মনত পৰিল। ৰবি ঘোষ আজি নাই। তেৱেঁ এজন ত্যাগী পুৰুষ আছিল।

আপোনাৰ
নৱজাত সন্তানটিৰ
নাম দিলেনে?
নে
নাম এটি দিয়ালৈ
ঘৰখনত উথল-মাথল?

অসমীয়া
নামকৰণ
অভিধান
প্ৰকাশ গোস্বামী

মূল্য:
১৫ টকা মাত্ৰ।

হিন্দু-মুছলমান-খ্ৰীষ্টান ধৰ্মাৱলম্বী সহস্ৰাধিক অনুপম নামৰ অৰ্থ সহ এই অপূৰ্ব সংকলনটি অসমীয়া ভাষাত সৰ্বপ্ৰথম।

পকাবন্ধা আৰু সুদৃশ্য ৰঙীণ লেমিনেটেড বেটুপাতেৰে 'অধ্যাপক গোস্বামীয়ে কৰিবলগীয়া কাম এটি কৰি থলে এই পুথিখন লেখি'

—ড° মহেন্দ্ৰ বৰা-
সভাপতি,
অসম সাহিত্য সভা

জ্যোতি প্ৰকাশন
যশোৱন্ত ৰোড :: পানবজাৰ, গুৱাহাটী-১
পৰিবেশক:
বিদ্যামন্দিৰ :: এ, টি, ৰোড, যোৰহাট-১



OKDISCD

# লাইন গ'ল

অৱনী কুমাৰ শৰ্মা

যোৱা ১ জুনৰ পৰা ২৯ জুনলৈকে চাকৰিৰ পৰা ছুটী লৈ চাৰিটা প্ৰাণীৰ গোটেই পৰিয়ালটোৰে মই আমেৰিকাৰ পৰা গৈ নিজৰ জন্মভূমি অসম ভ্ৰমণ কৰি ঘূৰি আহিলোঁগৈ। আমাৰ পৰিয়ালৰ বাকী কেইটিয়ে অসমলৈ মাজে-সময়ে অহা-যোৱা কৰি থাকে যদিও মোৰ এই ভ্ৰমণ আছিল পুৰা সাত বছৰৰ পাছত। ৩ জুনৰ দিনা অসমৰ মাটিত (গুৱাহাটীত) ভৰি দিয়াৰ পৰা ২৪ জুনৰ দিনা দিল্লী অভিমুখে গুৱাহাটী এৰালৈকে, নামনিৰ পৰা উজনিলৈকে গোটেই অসমতে সিঁচৰতি হৈ থকা অনেক আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱক লগ পাই, কথা-বতৰা হৈ বৰ ভাল লাগিল। লগতে আমাৰ চলি অহা প্ৰথামতে সকলোৰে ঘৰতে ভাত-পানী, চাহ-জলপান খোৱাৰ পৰ্ব-বোৰতো আছিলেই। সাত বছৰৰ ভিতৰতে জনসংখ্যা বৃদ্ধিৰ লগে-লগে পাৰিপাৰ্শ্বিকতালৈ সম্পূৰ্ণ আওকাণ কৰি য'তে ত'তে সজা ঘৰবোৰ, বাণিজ্যিক অনুষ্ঠানবোৰ আৰু বাটে-পথে জন-সমুদ্ৰৰে সৈতে গাড়ী, ঘোঁৰা, জাপানী ডবলহৰ্ন লগোৱা ট্ৰাকবিলাকেৰে গোটেইখন কোলাহলপূৰ্ণ অৱস্থাৰো সোৱাদ ললো। কিন্তু এই সকলো-বিলাকৰ মাজতে বিশেষকৈ দুটা শব্দ মোৰ এতিয়ালৈকে কাণত বাজি আছে। সেই দুটা হ'ল— "লাইন গ'ল"। শব্দ দুটাৰ প্ৰকৃত অৰ্থ হ'ল— বিজুলী সৰবৰাহ নাইকিয়া হ'ল।

সেই "লাইন গ'ল" শব্দকেইটা মই তিনিসপ্তাহৰ ভিতৰতে কমেও তিনিকুৰি বাৰ শুনিলো। বিজুলী পাংখাখনৰ তলত বহি খবৰ কাগজখন মেলি লৈছোঁ পঢ়িবলৈ, হঠাতে পাংখাখন বন্ধ হৈ গ'ল। কোনোবাই মাত লগালে, —"লাইন গ'ল"। গধুলি ভাত খাবলৈ লৈছোঁ,— এই মুহূৰ্ততে পোহৰ— পাছ মুহূৰ্ততে চোৰে চৰ মাৰিলেও নেদেখা আন্ধাৰ। মম বাত্তিডাল জ্বলোৱাৰ পাছতহে ৰক্ষা। কোনোবাই মাত লগালে,— "লাইন গ'ল"। এঘৰত এদিন ৰাতিৰ সাজ খাবলৈ আমাক নিমন্ত্ৰণ জনালে ; —লগতে আন আন কেইটামান পৰিয়ালকো। ৰাতি চাৰে আঠ·ন বজাত নিমন্ত্ৰণ কৰোঁতাজনৰ ঘৰ পাই দেখোঁ গোটেইখন অন্ধকাৰ। গৃহস্থই বোলে, —দিনৰ তিনি বজাতে "লাইন গ'ল" —অহাই নাই। টিপচাকি জ্বলাই তাৰ পোহৰতে ভাত খোৱা হ'ল। ভাগ্যে ৰন্ধাবঢ়া গেছৰ ষ্ট'ভত হৈছিল। ৮ জুনৰ দিনা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথেদি উজনি অসমলৈ যাওঁতে যোৰহাটৰ চেনিজান বাগিচা পোৱাৰ আগতে পেট্ৰল ষ্টেছন এটাত সোমালোঁ। পেট্ৰল দিয়া মানুহটোৱে বোলে— "চাহাব লাইন নেহি হায়"। আগবাঢ়ি গৈ ডিমৌ চাৰি-আলিৰ পেট্ৰল ষ্টেছনত ৰ'লোঁগৈ। তাতো সেই একেই অৱস্থা। "লাইন চলা গিয়া।" ভাগ্যক্ৰমে মৰাণলৈকে যাবলৈ গাড়ীত পেট্ৰল আছিল বুলিহে !

এনেকুৱা আৰু বহুত ঠাইত বিজুলী নোহোৱা অৱস্থাৰ সন্মুখীন হ'ব লগা ঘটনাৰ উদাহৰণ দি যাব পাৰোঁ; —কিন্তু উদাহৰণ দি নো কি লাভ হ'ব ! —বৰং প্ৰতিকাৰৰ উপায় বিচৰাটোহে সকলোৰে কৰ্তব্য।

অসমত বিজুলী যোগানৰ ভাৰ হ'ল অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ (ASEB) ওপৰত। কিন্তু যিকেইজন লোকৰ লগতেই মই কথা পাতিলো, —মোৰ বোধহ'ল সকলোৱে যেন পৰিষদৰ কাৰ্যক্ষমতাৰ ওপৰত আশা-ভাৰসা এৰি দিছে। শুনিলো, পৰিষদত এতিয়া কেইবাজনো চিফ ইঞ্জিনিয়াৰ হৈছে। ভালেমান ছুপাৰিণ্টেণ্ডিং ইঞ্জিনিয়াৰ হৈছে, আৰু একজিকিউটিভ ইঞ্জিনিয়াৰৰতো লেখেই নাই। পাছে ইমানবোৰ ইঞ্জিনিয়াৰ থাকিয়েইনো হ'ব কি,— যদিহে গ্ৰাহকৰ বিজুলীৰ সামান্য চাহিদাকে পূৰাব নোৱাৰে ?

আৰু চাহিদাই বা কিমান ? তাতে বাতৰি-কাকতত পঢ়িলো, গোটেই অসম ৰাজ্যখনৰ গ্ৰীষ্মকালীন বিজুলীৰ চাহিদা হেনো ২৫০ মেগাৱাট। বিজুলী পৰিষদৰ বিষয়াৰ মতে সিমানখিনি বিজুলীৰ যোগান ধৰিবলৈ তেওঁলোকৰ ক্ষমতা নাই।

ইয়াৰ তুলনাত আমি থকা আমেৰিকাৰ চহৰখনৰ কথা কওঁ। চহৰখনৰ নাম হল টালাহাছি (Tallahassee) —ফ্ল'ৰিডা ষ্টেটৰ ৰাজধানী। ৰাজধানী হেতুকে সকলো চৰকাৰী বিভাগৰে মুখ্য কাৰ্যালয়বোৰ ইয়াতে। তদুপৰি দুখন বিশ্ববিদ্যালয়ো এই চহৰখনতে (Florida State University আৰু Florida A & M University) দুয়োখনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা একেলগে প্ৰায় বত্ৰিছ-তেত্ৰিছ হাজাৰ মান হ'ব। সাতে পাঁচে মিলাই এই টালাহাছি চহৰখনৰ জনসংখ্যা প্ৰায় ১,৩৫০০০। এইখিনি জনসংখ্যাৰে ১৯৮৭ চনৰ গ্ৰীষ্মকালীন বিজুলীৰ চাহিদা (summer peak demand) হ'ল ৩৫৮ মেগাৱাট। ভাবিলে আচৰিত হ'ব লাগে,— এই এখন চহৰৰ বিজুলীৰ চাহিদা আমাৰ গোটেই অসম প্ৰদেশৰ চাহিদাৰ প্ৰায় ডেৰ গুণ ! তাকো জনসংখ্যা হিচাপে টালাহাছিৰ স্থান ফ্ল'ৰিডা ষ্টেটত ষষ্ঠ কি সপ্তম-মানহে।

এই বিজুলী শক্তি যোগান ধৰিবৰ কাৰণে টালাহাছি চহৰখনৰ নিজৰ তিনিটাকৈ বিজুলী-কেন্দ্ৰ আছে। সমস্ত বিজুলী যোগানৰ ভাৰ তিনিশমান কৰ্মচাৰীৰে সৈতে এটা স্বকীয়া বিভাগৰ ওপৰত। থোৰতে কৈ থওঁ,— ময়ো সেই বিভাগতে চাকৰি কৰোঁ।

নিজৰ বিভাগ বুলি বৰাই কৰিব খোজা নাই ; কিন্তু বিজুলী যোগানৰ নিৰ্ভৰশীলতাৰ উদাহৰণ দিবৰ কাৰণে কওঁ যে— আমাৰ ঘৰত থকা, বিজুলীৰ দ্বাৰা চালিত ঘড়িবিলাকত (টেলিভিশ্যন আৰু ভিডিঅ' ৰেকৰ্ডাৰতো ঘড়ি থাকে) ১৯৮৬ চনৰ ১৭ মে তাৰিখেই যি সময় মিলোৱা হৈছিল, তাৰ পাছত আকৌ এই বছৰ জুলাই মাহত এদিন মাত্ৰ মিলাব লগা হৈছিল। সেইদিনাও বিজুলী যোগানৰ ব্যতিক্ৰম হৈছিল বিজুলী-ঢেৰেকনিৰে অহা প্ৰচণ্ড ধুমুহা এটাৰ কাৰণেহে,— যোগান কেন্দ্ৰৰ ক্ষমতা নোহোৱা কাৰণে নহয়।

এতিয়া প্ৰশ্ন হ'ল,— ইয়াৰ এখন সৰু চহৰে যদি নিজৰ সমস্ত বিজুলী যোগানৰ কাম ইমান নিখুঁত বা নিয়াৰিকৈ কৰিব পাৰে, আমাৰ অসমেনো নোৱাৰে কিয় ? ইঞ্জিনিয়াৰ বা অন্য কৰ্মচাৰীৰতো অভাৱ নাই ! বিজুলী উৎপাদনৰ কল-কব্জাও আজি-কালি দেশতে তৈয়াৰ হয়। তেনেহলেনো অভাৱ কিহৰ ?

মোৰ ফালৰ পৰা দুয়োখন ঠাইৰ অৱস্থা ৰিজাই চাই এই তাৰতম্যৰ কাৰণ তলত দিয়া সমস্যা কেইটা বুলিয়েই ভাবোঁ। মোৰ লগত বহুতৰে হয়তো মত নিমিলিব পাৰে ; কিন্তু তলৰ কথাকেইটা মই নিজৰ নিৰীক্ষণৰ ওপৰত ভিত্তি কৰিয়েই লিখিছোঁ।

প্ৰথম কথা হ'ল,— মোৰ বোধেৰে অসম বিদ্যুৎ পৰিষদৰ নিজা এক নিৰ্ভৰশীল উৎপাদন-বিস্তাৰণৰ পৰিকল্পনাৰ (Dependable Generation Expansion Plan) অভাৱ। এনেকুৱা পৰিকল্পনাৰ কাৰণে নিৰ্ভুল ভৱিষ্যত চাহিদাৰ আভাসৰ (Accurate Load & Energy Forecast) প্ৰয়োজন। ভৱিষ্যত বিজুলীৰ চাহিদা ভালেমান পাৰিপাৰ্শ্বিক বিষয়ে নিৰ্ণয় কৰে ; যেনে— জনসংখ্যা, জনসাধাৰণৰ ক্ৰয়শক্তি, বিজুলীৰ দাম, গোটেই দেশৰে আৰ্থিক অৱস্থা ইত্যাদি ইত্যাদি। অসম বিদ্যুৎ পৰিষদে এনেকুৱা ধৰণৰ ভৱিষ্যবাণী (econometric forecasting) কৰে বুলি মই গম নাপাওঁ। অৱশ্যে মোৰ ভুলো হ'ব পাৰে। ভৱিষ্যতৰ চাহিদাৰ আগজাননী নোপোৱা কাৰণেই পৰিষদে গ্ৰাহকৰ চাহিদা পূৰণ কৰিব পৰাকৈ পৰিকল্পনা কৰিব পৰা নাই বুলি মই ভাবোঁ।

দ্বিতীয় কথাটো হ'ল,— বিদ্যুৎ পৰিষদৰ কোনো কৰ্মচাৰীয়ে যেন বিদ্যুৎ পৰিষদখন তেওঁৰ নিজৰ বুলি নাভাবে। আপোন ভাবটো (belongingness) নাই যেন লাগে। পৰিষদত চাকৰি কৰিছোঁ, দৰমহা কেইটা পাম। তাৰেই বা অন্য কোনো উপায়েৰে ঘৰ এটা সাজি লৈ খাই-বৈ থাকিম। এয়েই হ'ল মনোবৃত্তি। এহেলৈ পৰিষদৰ সদনামেই হওক বা বদনামেই হওক তালৈ কিহৰ চিন্তা ! লাগে পৰিষদ দেউলীয়াই হওক। নহলেনো বাৰু—দিব নোৱৰাক নাই ; যাক ছেগাচোৰোকাকৈ হ'লেও বিজুলীৰ যোগান দিছে, তেওঁলোকৰ পৰাও সেই বিজুলীৰ মূল্য আদায় কৰিব নালাগেনে ? এঘৰত বিজুলী ব্যাঘাতৰ কথা ওলাওঁতে ক'লে বোলে তেওঁলোকে হেনো যোৱা তিনি বছৰৰপৰা ASEBৰ বিজুলীৰ বিল পোৱা নাই। অসম কাৰ্বন কোম্পানিৰ সম্ভ্ৰান্ত বিষয়া এজনৰ মতে তেওঁ হেনো ছমাহৰ মূৰে-মূৰে গৈ খাতিৰ কৰিলেহে পৰিষদৰ অফিছে বিলৰ টকা লয়। পৰিষদখননো চলি আছে কেনেকৈ, আৰু কৰ্মচাৰীসকলক নিয়মীয়াকৈ দৰমহা দিয়ে ক'ৰপৰা— ভাবি আচৰিত হলো। বোধকৰোঁ ইয়াৰ পৰা ধাৰ, তাৰপৰা সহায় আদি লৈ লৈ পৰিষদৰ অৱস্থা এনেকুৱা হ'লগৈ যে বিজুলীৰ বিলৰ টকা আদায় কৰিবলৈ পৰিষদে পাহৰিয়েই গ'ল !

কথাখিনি লিখিলো এই কাৰণেই যে প্ৰায় ২০ বছৰৰ আগতে ময়ো ASEBত কিছুমান দিনৰ কাৰণে কাম কৰিছিলো। কিন্তু তেতিয়া ASEBৰ অৱস্থা ইমান শোচনীয় নাছিল। এতিয়া এসময়ত কাম কৰি অহা অনুষ্ঠান এটাৰ ইমান অৱনতি হোৱা দেখিবৰ বেয়া লাগিল।

অৱস্থাৰ শুধৰণীৰ কাৰণে অচিৰে কি কৰা উচিত নাজানো ; কিন্তু কোনোবাই যদি এই লিখাখিনি পঢ়াৰ পাছত আমাৰ লগত যোগাযোগ কৰিব খোজে, তেনেহলে এই বাতৰি কাকতৰ প্ৰকাশক-সম্পাদকৰ সহায় লৈয়েই কৰিব পাৰে। আৰু ময়ো অতীততে কাম কৰি অহা অনুষ্ঠান এটাৰ কাৰণে কিবা কৰিব পাৰোঁ, তেতিয়া হ'লে ধন্য মানিম।

টালাহাছি, ফ্ল'ৰিডা, আগষ্ট, ১৯৮৭


নৱ নৱ বাণী-অৰ্ঘ্য

* উপন্যাস *

এজাক মানুহ এখন অৰণ্য

চাহ বনুৱাৰ মহিমাময় এটা যুগৰ এখন সুবৃহৎ এপিক উপন্যাস। —উমাকান্ত শৰ্মা ৫০·০০

পথৰ সন্ধানত

নতুন আংগিকৰ প্ৰথম ৰাজনৈতিক উপন্যাস

—ৰজনীকান্ত গোস্বামী ১৮·০০

প্ৰাণশিখা

মনস্তত্ত্বমূলক উপন্যাস

—নীলিমা দত্ত ২০·০০

মৃগনাভি

শিক্ষিতা মহিলাৰ মৰ্মবেদনা

—অৰূপা পটংগীয়া কলিতা ১০·০০

* গল্প * কাহিনী *

ৰূপ সাগৰিকাৰ প্ৰেম-কথা

কালিদাসৰ অমৰগ্ৰন্থ নলোদয়, কুমাৰ-সম্ভৱ আৰু মেঘদূতৰ বৈচিত্ৰ্যময় কাহিনীমালা

—ৰবীন চৌধুৰী ১৫·০০

প্ৰাকৃতিক আৰু অন্যান্য

—হৰেকৃষ্ণ ডেকা ১২·০০

* সাহিত্য * সংস্কৃতি *

আধুনিক গল্প সাহিত্য

—ত্ৰৈলোক্যনাথ গোস্বামী ৩০·০০

কুমাৰিল ভট্টপাদ আৰু আচাৰ্য ধৰ্মকীৰ্তি

—আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী ১৫·০০

চিত্ৰ-বিচিত্ৰ

—পৰাগ চলিহা ২০·০০

* ধৰ্মগ্ৰন্থ *

শ্ৰীশ্ৰীশংকৰদেৱ-মাধদেৱৰ বাণী

ড° সত্যেন্দ্ৰনাথ শৰ্মা ১২·০০

শিৱ-পুৰাণ

ড° নবীনচন্দ্ৰ শৰ্মা সম্পাদিত ৪৫·০০

মণিকূট

ড° প্ৰবীনচন্দ্ৰ দাস সম্পাদিত ১৫·০০

বাণী প্ৰকাশ

পাণবজাৰ গুৱাহাটী-১

TULI-KALAM






OKDISCD

# ঘণ্টাটো কোনে কেতিয়া বজাব ?

দেৱকান্ত সন্দিকৈ

নিজক নধৰি হিচাপ কৰাৰ ফলত, সাঁতুৰি নদী পাৰ হওঁতে, এজন হেৰোৱা বুলি ভবা সেই গল্পৰ ছয়-মূৰ্খৰ নিচিনাকৈ আমিও সমাজ বুলিলে, নিজক নধৰোঁ। শুনাত তেনেই অবান্তৰ আৰু অসত্য যেন লাগিলেও অলপ দকৈ গমি চালে এইটো অতি পৰিষ্কাৰ হৈ ধৰা পৰে যে আমাৰ সমাজৰ সকলোবোৰ নহ'লেও প্ৰায়বোৰ অথন্তৰ্ব আমি নিজক নধৰি "সমাজ বিচাৰ" কৰাৰ ফল। আমি প্ৰতিজন ব্যক্তিয়েই সমাজৰ ক্ষুদ্ৰতম একক (unit) স্বৰূপ; আৰু এই প্ৰতি এককৰ চিন্তাধাৰা, কৰ্মধাৰা তথা আচাৰ-আচৰণৰ পৰিবৰ্তনেই যে সমগ্ৰ সমাজখনৰ পৰিবৰ্তন, এই চেতনাটো ব্যক্তিমনত সুদৃঢ়ভাৱে প্ৰতিষ্ঠিত হ'লে আমাৰ বৰ্তমান সমাজ-গাঁথনিৰ দোষ-ত্ৰুটিৰ মাজতো এটা চকুত পৰা বিধৰ পৰিবৰ্তন অৱশ্যম্ভাৱী।

বৰ্তমানৰ সমাজব্যৱস্থাত যিসকল লোক লাভবান, সেইসকলৰ বাহিৰে বাকী সকলোৱে বৰ্তমানৰ সমাজখনৰ এটা মৌলিক পৰিবৰ্তন বিচাৰিছোঁ। কিন্তু আমি সকলোৱে আমাৰ নিজৰ মন, মানসিকতা, চিন্তা-চৰ্চা, আচাৰ-আচৰণ, পৰম্পৰা, ঐতিহ্য সকলোবোৰ যেনে আছে তেনেই অপৰিবৰ্তিত কৰি ৰাখি কিবা এটা পৰিবৰ্তন হোৱাটো বিচাৰিছোঁ। ফলস্বৰূপে আমি বিচৰা পৰিবৰ্তনটোনো প্ৰকৃততে কেনেকুৱা সেই বিষয়ে আমাৰ নিজৰেই কোনো স্পষ্ট ধাৰণা নাই। ই কবিৰ কল্পনা, বুদ্ধিজীৱীৰ বুদ্ধিৰ কছৰত! এনেকুৱা এক ধাৰণাহীন পৰিবৰ্তনৰ প্ৰতিশ্ৰুতিয়েই হ'ল আজিৰ প্ৰতিজন দেশনেতাৰ ৰাজনৈতিক জুৱাখেলৰ মূলধন।

কথা হ'ল, ক'ৰবাত কোনোবাই কিবা এটাৰে পৰিবৰ্তন আৰম্ভ কৰিব লাগিব! কিন্তু সমস্যা হ'ল, কোনেও আৰম্ভ নকৰে! আৰম্ভ কৰোঁতাজন কোনো হ'ব নোখোজে। কই খক দেখি অফিছলৈ পলমকৈ আহে, খই কক দেখি পলমকৈ আহে। অফিছলৈ যে সময়মতে আহিব লাগে কথাটো দুয়ো বুজে; কিন্তু সময়মতে অহাটো দুজনৰ এজনেও আৰম্ভ নকৰে!

কাৰোবাৰ হৈ যোৱা অভ্যাসটো সমাজৰ স্বাৰ্থত ত্যাগ কৰিব লগা হোৱাটো অভ্যাসকাৰীজনে এটা "পৰাজয়" বুলি ভাবে— আৰু সেই অপমানজনক পৰাজয় স্বীকাৰ কৰি সমাজত বাস কৰিবলৈ অভ্যাসকাৰীজন কোনোপধ্যেই মান্তি নহয়। সমাজৰ হাজাৰ সমালোচনাকো আওকাণ কৰি এজনে নিজৰ অভ্যাসমতে চলিব পৰাকে জীৱনৰ চৰম সাৰ্থকতা বুলি গণ্য কৰে। কেইটামান উদাহৰণে নিশ্চয় আমাৰ প্ৰতিপাদ্য বিষয়টো স্পষ্ট কৰিব।

স্বাস্থ্যহানিকাৰক বুলি জনা সত্ত্বেও মাদকদ্ৰব্যত আসক্ত সকলে মাদকদ্ৰব্য ত্যাগ কৰাৰ চেষ্টা কৰা নেদেখো (ই কাৰোবাৰ খাদ্য অভ্যাসৰ অংগ, কোনো কোনো সমাজৰ পৰম্পৰাগত সংস্কৃতি)। দুৰ্নীতিত আসক্তসকলে দুৰ্নীতিৰ সহজ ধনৰ লোভ ত্যাগ কৰাৰ লক্ষণ নেদেখোঁ (কাৰণ আমাৰ নতুন অসম গঢ়িব খোজা যুৱসমাজেও দুৰ্নীতিকাৰীক সামাজিকভাৱে বৰ্জন কৰাৰ দাবী নোতোলে। দুৰ্নীতিকাৰী এতিয়া বহুতৰ আদৰ্শ। তেওঁলোকে দাবী তোলে-তেওঁলোকৰ মতৰ লগত নিমিলা, কিন্তু শুদ্ধ মত আদৰ্শৰ কিছুমান লোকক বৰ্জন কৰাৰ দাবীহে! দুৰ্নীতিকাৰীয়ে আজি কাক ভয় কৰি দুৰ্নীতি এৰিব? দুৰ্নীতিকাৰীক ধৰাৰ দায়িত্বত থকাসকলেই দুৰ্নীতিপৰায়ণ!) যাত্ৰীভৰ্তি বাছ-ৰেলত কাষৰে সহ-যাত্ৰীৰ অসুবিধালৈ আওকাণ কৰি চাদা-ছিগাৰেট খোৱাৰ অভ্যাস থকা-সকলে কোনো অৱস্থাতেই নিজৰ বদ-অভ্যাস নেৰে। (পোছাকে-পাতিয়ে একো একোজন ভদ্ৰলোক হোৱা সত্ত্বেও!) এগৰাকী জীৱনসংগীনী পোৱাৰ উপৰিও যৌতুকত পোৱা সা-সম্পত্তিৰে ৰাতিটোৰ ভিতৰতে ধনী হ'ব পৰা যি এটা সমাজ-অনুমোদিত সুবিধা বৰ্তমানে অসমীয়াৰ বাহিৰে অন্য অন্য সমাজত আছে, কোন বুৰ্বক যুৱকে তাৰ পৰিবৰ্তন বিচাৰি নিজৰ ভৰিত নিজে কুঠাৰ মাৰিব? (যৌতুকবিৰোধী আইনে যৌতুকৰ এখন ক'লা বজাৰহে সৃষ্টি কৰিছে বুলি যৌতুক প্ৰথাত আক্ৰান্ত সমাজে ফুচফুচাই কথা পতা শুনিছোঁ। কন্যা-দায়গ্ৰস্ত পিতৃমাতৃয়ে নিজ কন্যাৰ বিবাহৰ বাবে যথা নিয়মে বহু আগৰ পৰাই টকা-পইচা সঞ্চয় কৰি ৰাখিব লগা হৈ আছে। আইনৰ দ্বাৰা নহয়, প্ৰতিজন যুৱকৰ হৃদয়ত, প্ৰতিজন যুৱকৰ পিতৃ-মাতৃৰ হৃদয়ত "পৰিবৰ্তিত হোৱাৰ আকাংক্ষা" এটা জাগিলেহে যৌতুক প্ৰথাৰ বিলুপ্তি ঘটিব।) অন্ধবিশ্বাস কুসংস্কাৰত আসক্ত-সকলে শিক্ষিত হোৱা সত্ত্বেও সেইবোৰ নেৰে।

মুঠতে কোনেও নিজৰ অভ্যাস ত্যাগ কৰিবলৈ সাজু নহয়। আৰু এই সঁচা কথাবোৰকে যদি আমি আজি কবলৈ লওঁ, তেনেহ'লে সকলো অভ্যাসকাৰীয়েই হয়তো প্ৰতিবাদ কৰি চিঞৰি উঠিব:

"মই মদ-ছিগাৰেট অথবা ড্ৰাগ সেৱন কৰা বন্ধ কৰি দিলেই আমাৰ দৰিদ্ৰ দেশৰ সকলোবোৰ মানুহ স্বাস্থ্যবান হৈ উঠিব নে কি?"

"মই দুৰ্নীতি কৰি দুটা পইচা কৰি এসাজ ভালকৈ খাই আছোঁ বাবেই দেশখন আগবাঢ়িব পৰা নাই! কথা কবলৈ আহিছা!"

"মই বাছৰ ভিতৰত কাষৰ মানুহে হাঁচিয়াই মৰিব লগা হোৱাকৈ চাদা-ছিগাৰেট খোৱা বন্ধ কৰিব লাগে! খোৱা বস্তু খাবলৈ মন গলেই খোৱাৰ অধিকাৰ নাথাকিলে আমি কিহৰ স্বাধীনতা পালো!"

"যদি যৌতুক ল'ব নালাগে, তেন্তে যৌতুক শব্দটো আমাৰ অভিধানত আছে কেলেই? যৌতুক আমাৰ সমাজৰ এটা সুন্দৰ পৰম্পৰা,— তোমাৰ ছোৱালীৰ সুখ-স্বাচ্ছন্দ্যৰ বাবেই জানো ই প্ৰয়োজন নহয়?"


আমাৰ প্ৰতিবাদ্য বিষয়ো অতি সহজেই প্ৰমাণ হৈ গ'ল। কাৰণ আমি কৈছোৱেই যে— আমি আমাৰ মন, মানসিকতা, চিন্তা চৰ্চা, আচাৰ-আচৰণ, পৰম্পৰা ঐতিহ্য সকলোবোৰ যেনে আছে তেনেই অপৰিবৰ্তিত কৰি ৰাখি কিবা এটা পৰিবৰ্তন হোৱাটো বিচাৰোঁ। আমি সমাজৰ পৰিবৰ্তন বিচাৰোঁ, অথচ নিজে পৰিবৰ্তিত নহওঁ। তাৰ অৰ্থই হ'ল সমাজ বুলিলে আমি নিজক নধৰোঁ।

কোনোবাই বিশেষ একো কাম কৰিব নোৱাৰাৰ কাৰণ হিচাপে আমাৰ প্ৰচলিত সমাজ ব্যৱস্থালৈ আঙুলিয়ায়। আমাৰ সমাজ ব্যৱস্থাৰ পৰিবৰ্তন নহলে হেনো বহু কামেই কৰা অসম্ভৱ। —কিন্তু আমি বুজা উচিত যে পৰিবৰ্তনটো নিজে কোনো কৰ্ম নহয়, ই কৰ্মৰ ফলাফলহে। ফলাফল আগতনে কৰ্মটো নিজে আগত? কৰ্ম এটা কৰাৰ পাছতহে আমি তাৰ ফলাফল পাওঁ। গতিকে আমি কৰা উচিত যেন অনুভৱ হোৱা কামবোৰ কৰি গলেহে তাৰ এটা ফলাফল পাম, অৰ্থাৎ সমাজৰ এটা পৰিবৰ্তন পাম। আমি আমাৰ কামেৰে সমাজখনৰ পৰিবৰ্তন সাধিব লাগিব। ওলোটাকৈ সমাজৰ পৰিবৰ্তন হ'লেহে আমি এইটো কৰিম সেইটো কৰিম বুলি বৈ থাকিলে সমাজৰ পৰিবৰ্তন হ'ব কিহেৰে? আমি নিজক একেই ৰাখি কৰা সমাজ পৰিবৰ্তনৰ ধাৰণাটোৱেই অবাস্তৱ আৰু অবান্তৰ।

আমি নিজৰ স্বাৰ্থত কেতিয়াবা সমাজক নিলগাই থওঁ, আৰু নিজৰ স্বাৰ্থতে কেতিয়াবা তাৰ খবৰদাৰী অস্তিত্ব অনুভৱ কৰা যেন দেখুৱাওঁ। এজন যুৱকে হৃদয় দি ভাল পোৱা ছোৱালীজনী বিয়া কৰাবলৈ সমাজে অনুমতি নিদিয়ে। যুৱকজনে যদি সমাজৰ একক স্বৰূপ প্ৰতিজন ব্যক্তিকে সোধে,— "মই ছোৱালীজনী বিয়া কৰোৱাত আপোনাৰ আপত্তি আছে নেকি?" উত্তৰ পাব,— "মোৰ ব্যক্তিগতভাৱে কোনো আপত্তি নাই; কিন্তু সমাজ বুলিতো এটা কথা আছে! সমাজৰ বিৰুদ্ধেনো যাওঁ কেনেকৈ?" এনেদৰে ব্যক্তিগতভাৱে সমাজৰ প্ৰতিজন ব্যক্তিৰে যদি আপত্তি থকা "সমাজ" নামৰ বস্তু এটাৰ অস্তিত্ব ক'ত? এনেকুৱা অস্তিত্বহীন কাল্পনিক সমাজ এখনৰ ভয়ত যুৱকজনৰ বিয়াখনেই হয়তো হৈ নুঠিবগৈ! কিন্তু সেই একেজন যুৱকেই চাকৰিয়াল হৈ ঘোচ লবৰ বেলিকা, চাকৰিত সোমোৱাৰ তিনি বছৰৰ পাছতে গাড়ী-ঘৰ কৰিবৰ বেলিকা, প্ৰত্যেককে "বিয়া কৰিম" বুলি কৈ দহগৰাকীমানৰ লগত প্ৰেম কৰি ফুৰিবৰ বেলিকা সমাজৰ কথা মনত পেলায় নে? তেতিয়া সমাজলৈ ভয় কৰাৰ প্ৰয়োজন নহয় কিয়? সমাজো তেতিয়া নিমাতে থাকে কিয়? সমাজৰ অনিষ্টকাৰী কৰ্মৰ প্ৰতিও যিখন সমাজৰ স্বীকৃতি আছে, সেইখন বিবেকহীন, ভণ্ড, মূৰ্খ সমাজৰ স্বীকৃতি এজনে মনে প্ৰাণে ভাল পোৱা ছোৱালীজনী বিয়া কৰাবৰ পৰত প্ৰয়োজন হয় কিয়? প্ৰতিজন যুৱক-যুৱতীয়ে এখন বিবেকহীন সমাজৰ প্ৰতি থকা ভয়ৰ বান্ধোন ছিঙি ওলাই আহিব পৰা দিনটো, আৰু দুৰ্নীতিকাৰীকহে এঘৰীয়া কৰিবলৈ মনস্থ কৰা দিনটোৱেই হ'ব আমাৰ দেশৰ বিবেক সূৰ্য উদিত হোৱাৰ দিন।

কিন্তু আমি যেন সকলোৱে এটা ঘণ্টাৰ শব্দলৈ অপেক্ষা কৰি আছোঁ; —কোনোবাই কৰবাত যেন ঢং ঢং কৈ এটা ঘণ্টা বজাই দিব, আৰু সেই ঘণ্টাৰ শব্দ শুনাৰ লগে-লগে আমি যেন সকলোৱে একেলগে একোজন পৰিবৰ্তিত মানুহ হৈ পাৰিম; আমাৰ এখন পৰিবৰ্তিত সমাজ হ'ব; সমাজৰ প্ৰতিজন ব্যক্তি সৎ হ'ব; দুৰ্নীতি নাথাকিব; ব্যভিচাৰ নাথাকিব; অন্যায় অবিচাৰ নাথাকিব; কৰ্মচাৰীসকল সময়মতে কাৰ্যালয়ত উপস্থিত হ'ব, প্ৰত্যেকে নিজৰ ভাগত পৰা কামখিনি নিয়াৰিকৈ কৰিব, পৰস্পৰৰ মাজত বিশ্বাস আৰু সততা প্ৰতিষ্ঠা হ'ব, মানুহে কেৱল মানুহৰ কথা ভবা এখন নতুন সমাজ হ'ব, তাত ধনী-দুখীয়া নাথাকিব, ব্ৰাহ্মণ-শূদ্ৰ নাথাকিব, তথা-কথিত ধৰ্মৰ অত্যাচাৰ নাথাকিব, ঈশ্বৰৰ নামত কিছুমান ভুল ধাৰণা নাথাকিব, পংকিল ধৰ্মস্থানৰ ঠাইত সৰ্বমানৱৰ মিলনৰ স্থান হ'ব, তাত মানুহে পৰস্পৰৰ হাতত ধৰা-ধৰিকৈ কথা পাতিব, হাঁহিব,— ডেকা গাভৰু সকলে পৰস্পৰৰ চকুত চকু থৈ মৰম বিনিময় কৰিব, গান গাব, নাচিব, গোড়া সংকীৰ্ণ গোষ্ঠীগত চিন্তাৰে কলুষিত মনবোৰ বিশুদ্ধ মানবতাৰ ভাবেৰে পখালি পৰিষ্কাৰ কৰি লব, যুদ্ধ নাথাকিব, মাৰণাস্ত্ৰ নাথাকিব, মানুহ কোনো দিন ভ্ৰাতৃ ঘাটি সংঘৰ্ষত লিপ্ত নহ'ব, দেশ নাথাকিব, দেশৰ সীমা নাথাকিব, পৃথিৱী নামৰ গ্ৰহটোৰ মানুহৰ বাসযোগ্য স্থানখিনিত সকলো মানুহৰ সমান অধিকাৰ হ'ব…

আমি আশাৰে অপেক্ষা কৰিছোঁ; —কাৰণ আমি জানো, বিশ্বাস কৰোঁ, ঘণ্টাটো এদিন ক'ৰবাত কোনোবাই বজাবই।




OKDISCD

# প্ৰথম পুৰস্কাৰ

মিনতি চৌধুৰী

কলেজৰ পৰা ওলায়েই সুমন্তই দৌৰা-দৌৰাই ছিটিবাছ ষ্টপেজলৈ খোজ ললে। দুপৰৰ ৰ'দটোৱে তাৰ গা পুৰিছে। কিন্তু ৰ'দৰ তীব্ৰতাতকৈ এক অপ্ৰকাশ্য অনুভূতিৰ তীব্ৰতাইহে তাক যেন বেছি অতিষ্ঠ, বেছি অসহিষ্ণু কৰি তুলিছে।

ষ্টপেজত ৰোৱাৰ প্ৰায় লগে লগেই যিখন বাছ ৰ'লহি, এনেয়ে হোৱা-হ'লে সেইখন বাছত সি কেতিয়াও উঠিলহেঁতেন। ইমান ঠেলা-হেঁচাত তাৰ উৎসাহ বন্ধ হোৱাৰ উপক্ৰম হয়। কিন্তু তাৰ অসহিষ্ণুতাৰ মাত্ৰা ইমানেই বেছি হৈছিল যে আৰু এখন বাছ অহালৈ ৰোৱাৰ কথা সি ভাবিব নোৱাৰিলে।

ক'তো অকণো ঠাই নোহোৱাৰ মাজতেই এটা সময়ত বাছখনত তাৰ বাবে সুন্দৰকৈ ঠাই ওলাল। ছিট এটাৰ হেণ্ডেলত ধৰি সামান্য হাউলি সি খিৰিকিৰে অহা দুষ্প্ৰাপ্য বতাহখিনিৰ অকণমান লাভ কৰাৰ আশাত উন্মুখ হৈ ৰ'ল।

দুজনীয়া ছিটটোত বহি যোৱা যাত্ৰীদুজনে নিজৰ মাজতে বেচ গুৰুত্বপূৰ্ণভাৱে আলোচনা কৰি আছিল: গাড়ীমটৰেই হওক ট্ৰেইনেই হওক ক'তো আজিকালি নিৰাপত্তা নোহোৱা হৈছে। পকেট মৰাটো কি কথা? কাণ কাটি কাণফুল লৈ যায়, আঙুলি কাটি আঙঠি লৈ যায়! কি যে দিন পৰিছে! আগতে এনে ঘটনা আন ঠাইত ঘটে বুলিহে শুনিছিলো,— এতিয়া নিজৰ ঠাইতে, নিজৰ ঠাইতে কিয়— চকুৰ আগতে সেয়া ঘটিলেই নহয়! আৰু ঘটিব আৰু ঘটিব। সঁচাকৈয়ে দিনকাল তেনেই...।

কথাটো কি? সুমন্তই অনুভৱ কৰিলে আন যাত্ৰী দুই-এজনৰ মাজতো প্ৰায় একেধৰণৰ এক গুণগুণনি।

ইফালে সিফালে চাই কথাটো টং কৰিবলৈ চেষ্টা কৰোঁতে তাৰ কান্ধতে থুতৰি লগাই থিয় হৈ থকা মানুহজনে, তাৰ মনৰ ভাব বুজিব পাৰিয়েই হবলা মাত লগালে,— "অলপ আগতে বাছত ল'ৰা দুজনে পকেট মাৰিলে।"

"পকেট মাৰিলে, কাৰ?

"এজনৰ নহয়। চাৰিজনৰ।"

"চাৰিজনৰ? কোনেও গম নাপালে? ল'ৰাদুজন নামি গ'ল নেকি?"

"চানমাৰিত উঠি শিলপুখুৰীত নামি গ'ল।"

"কিয় কোনেও ধৰিব নোৱাৰিলেনে?"

"নাই ক'ত ধৰিব? সৌ তেখেতে চকুৰ আগতে হেনো গোটেই কাণ্ড কাৰখানা দেখিয়েই থাকিল। পিছে কাকো একো নক'লে। ল'ৰাকেইজন নামি যোৱাৰ পাছতহে হুলস্থুল লগাইছে— পকেট মাৰিলে বুলি।

মানুহজনে সমুখৰ আন এজনলৈ আঙুলিয়াই প্ৰায় তাচ্ছিল্যৰ সুৰত ক'লে।

হয়তো এই সময়ছোৱাৰ ভিতৰতে সেইগৰাকী ভদ্ৰলোকে এনে বহুতো বাক্য হজম কৰিবলগীয়া হৈছিল। সেয়ে এইবাৰ তেওঁ বিৰক্তিত প্ৰায় চিঞৰি উঠিল,— "উস! একেটা কথাকে আৰু কিমান পেঁচেনিয়াই থাকে হেৰি? আগতে নকলো— আগতে নকলো! আগতে ক'লে আপোনালোকে কি ডাল কৰিলেহেঁতেন? কওকচোন শুনো। ইমানেই যদি সাহস আছিল, ল'ৰাকেইজনক নামি গৈ নধৰিলে কিয়? মইতো আপোনালোকক কওঁতে বাছখন ষ্টপেজত ৰৈয়েই আছিল। কিয় নামি নগ'ল? লোকক দোষ দিলেই নহ'ব নহয়।"

সুমন্তৰ কাষৰ মানুহজনে অলপ সেমেনা-সেমেনি কৰিলে, কিন্তু অকণো তল পৰা যেন নেদেখুৱাই ক'লে, "মইনো নামি গৈ ল'ৰাকেইজনক কিয় ধৰিবলৈগে লাগে? মোৰ টকা নিছেনে কিবা!"

"আপোনাৰ টকা নিয়া নাই যদি মনেমনে থাকক।" বুজিছে,"— মানুহজনে সুমন্তলৈ চাই ক'লে, "হয়, মই পকেট মৰা দেখিছিলো। কিন্তু মই যে দেখিছো কথাটো সিহঁতেও মন কৰিছিল হবলা। এবাৰ চিঞৰিম বুলিও ভাবিছিলো। কিন্তু সিহঁতৰ এটাই মোলৈ এনেকৈ চালে বুজিছেনে, —মই মনেমনে থাকিবলৈ বাধ্য হলো। আজিকালিৰ ডেকা ল'ৰা। কবোঁ বুলিলে কি কৰিব নোৱাৰে? আমিতো সদায় এনেকৈ ঘূৰি ফুৰা মানুহ। অফিচ, কাছাৰী, বজাৰ। এইবোৰ বাটৰ কচু গাত ঘঁহি নিজে মৰোঁ কিয়? আৰু বাটে-পথে কিবা বিপদত পৰিলে কেনে সহায় পাম জানিছেই নহয়? আপোনাৰ কাষৰ গৰাকীয়ে নকলেনে— মোৰ টকা নিছেনে কিবা বুলি? গতিকে নিজৰ গা নিজে নবচাই উপায় নাই। জনাশুনা কথা, ৰেলত, বাছত সদায় সাৱধানে থাকিব লাগে। মিছামিছি লোকৰ গাত এনেকৈ দোষ জাপি দিলে কি হ'ব?"

প্ৰয়োজনতকৈ বেছিকৈ চিঞৰি-চিঞৰি মানুহজনে, তেওঁৰ ক্ষোভ উজাৰি এটা সময়ত খিৰিকিৰে বাহিৰলৈ চাই ৰ'ল। সুমন্তই একো নামাতিলে। তাৰ উতলি থকা মগজুটো আৰু বেছি উতলি উঠা যেন লাগিল।

পিছফালৰপৰা এজনে শান্ত স্বৰেৰে ধীৰে-ধীৰে প্ৰায় নিজকে কোৱাৰ দৰে ক'লে, "এৰা, এতিয়া সেইবোৰ লৈ বাক-বিতণ্ডা কৰি লাভ নাই। যাবলগা থাকিলে ধন-জন সকলো এনেকৈয়ে যায়। সেই বুলিনো অনবৰত কাক কিমান সন্দেহ কৰি থাকিবা?"

সামান্য ঘূৰি সুমন্তই মানুহজনলৈ চালে। বৃদ্ধ ভদ্ৰলোকক হৈ যোৱা ঘটনাটোৱে অকণো বিচলিত, অকণো উত্তেজিত কৰিব পৰা নাই।

কোনোবা এজনে আন কাৰোবাক কোৱা কথাৰ পৰা সুমন্তই গম পালে



—এই বৃদ্ধৰো পকেট মৰা গৈছে।

ইতিমধ্যে বাছখন আহি পাণবজাৰ ষ্টপেজ পালেহি।

দুৰমুৰকৈ এজাক মানুহ নামিল। ঠেলিহেঁচি নতুন এজাক উঠিল।

সুমন্তৰ কপালৰ গাঁঠি থুপ খাই গ'ল। য'তে-ত'তে যেন এই একে ধৰণৰ ঘটনাৰেই পুনৰাবৃত্তি! এই নিৰ্বিকাৰ বৃদ্ধ, সকলো দেখিও মনে-মনে থকা এই ভদ্ৰলোক; লোকৰ গাত দোষ জাপি দি মুখৰ খজুৰতি মৰা এবাছ মানুহ,— অধ্যাপক তামুলী—!

তামুলী ছাৰনো কি বেলেগ!

"ছাৰ, আচলতে এনেকৈ শিক্ষকতা কৰাৰ কোনো মানে নাই। এনেকৈ লোকক ফাঁকি দিয়া মানে নিজক ফাঁকি দিয়া আৰু তাতোকৈয়ো ডাঙৰ কথা ল'ৰাহঁতৰ..."

তললৈ সামান্য খহিযোৱা পেণ্টটো হাতেৰে তুলি তামুলীয়ে তাৰ পিঠিত চপৰিয়াই বুজোৱাৰ দৰে কৈছিল, "নতুনকৈ সোমাইছা। গাত ডেকা তেজ আছেতো! গতিকে সকলো বিসদৃশ লাগিবই। লাহে লাহে বুজিবা। কম্প্ৰমাইজ বুজিছা। কম্প্ৰমাইজ। প্ৰথমতে মানি লবলৈ আমাৰো কষ্ট হৈছিল। আজিকালি আৰু একো ফিল নকৰোঁ। সহজ হৈ গৈছে।"

"কিন্তু ছাৰ এনেবোৰ কথা কেনেকৈ সহজভাৱে লব? সহজভাৱে লোৱাটো উচিত জানো? চকুৰ আগতে সিহঁতে কিতাপ চাই-চাই লিখি থাকিব আৰু আমি সকলো দেখি শুনিও..."

উপায় নাই ইয়ং মেন। তুমি যিটো ল'ৰাৰ কথা কৈছা তাৰ বিষয়ে তুমি কি জানা? তুমিতো পাঁচ-ছবাৰ তাক মানা কৰি আছিলা? শুনিছেনে? বৰং তোমাক আমনি নকৰিবলৈহে নকলে জানো?

"সেইবাবেইতো মই কিবা এটা কৰাৰ কথা ভাবিছো। এনেদৰে তাক প্ৰশ্ৰয় দিয়াটো..."

"তুমি তাৰ বিষয়ে সম্ভৱ একো নাজানা।"

"সি পৰীক্ষাৰ্থী।"

"কেৱল সেয়াই নহয়। জানি থোৱা, সি এটা নাম কৰা গুণ্ডাও। তাৰ এটা দল আছে। সি নিজেও সদায় ছুৰি-তুৰি লৈ ফুৰে। যোৱাবাৰ আমাৰ ষ্টাফৰে এজনক নকল উলিয়াই অনাৰ বাবে..."

"সেই বুলি এইবাৰো ভয় কৰি এনেকৈ চকু মুদি থাকিবনে?"

তামুলী যেন ভয়ত বিতত হৈ পৰিছিল। তাৰ হাতত খামুচি ধৰি তেওঁ অনুৰোধ কৰিছিল, "প্লিজ সুমন্ত, আজি, অন্ততঃ আজিৰ দিনটোত একো নকৰিবা। সি হেনো এইবাৰ কৈয়েই থৈছে— তাক এই বছৰ পাছ কৰি যোৱাত যিয়ে বিধি পথালি দিব, তেওঁক সি চাই ল'ব। গতিকে সি যিকোনো কামেই কৰি পেলাব পাৰে। মিছাকে পৰিস্থিতি উত্তপ্ত কৰাতকৈ মনে মনে থাকা। চাই থাকিবলৈ দিগদাৰ পাইছা, বাৰান্দাতে থাকা বুজিছা!"

তামুলী ছাৰৰ কেৰাজেৰ এবাৰ নোৱাৰি সুমন্ত মনে মনে আছিল। থাকিবলগীয়া হৈছিল।

সি একো নকৰিলে। আৰু এই একো কৰিব নোৱাৰাৰ, অক্ষমতাৰ গ্লানিয়ে জুইৰ দৰে তাৰ বিবেকক দহিবলৈ ধৰিছিল। তাৰ ভিতৰৰ মানুহটো অসহ্য উত্তাপত চটফটাইছিল। সেই চটফটনি লৈয়েই সি বাছত উঠিছিল।

আৰু এতিয়া এই মানুহবোৰৰ সৈতে তামুলী ছাৰৰ সাদৃশ্য বিচাৰি পাই সি সেই চটফটনিটো অধিক তীব্ৰভাৱে অনুভৱ কৰিলে।

ফাঁচীবজাৰ ষ্টপেজত বাছখন প্ৰয়োজনতকৈ অধিক সময় ৰ'ল। একেবাৰে পিছপিনে এটা ছিট ওলোৱাত সি তাত বহি ললে আৰু বৰ অৱশভাৱে পিছফাললৈ মূৰটো আউজাই দিলে। তাৰ বৰ ভাগৰ লগা যেন লাগিল।

এসময়ত হঠাতে সি ঠিক কৰি পেলালে,— কাইলৈ কলেজলৈ গৈ প্ৰিন্সিপালক ক'ব পৰীক্ষাত আৰু সি ডিউটি নকৰে। তাক ৰেহাই দিব লাগে।

বাছখন ইতিমধ্যে আকৌ চলিবলৈ আৰম্ভ কৰিছে। ফাঁচীবজাৰ ষ্টপেজত মানুহৰ ভিৰ ভালেখিনি কমি গ'ল। আগৰ তুলনাত বাছখন এতিয়া প্ৰায় খালীয়েই বুলিব পাৰি। মাজত মাত্ৰ দহজনমান মানুহহে থিয় হৈ আছে। কিন্তু তথাপি সুমন্তই মন কৰিলে, চেণ্ডেলীয়া ল'ৰা তিনিটা দুৱাৰ মুখত ওলমি আছে।

সম্ভৱ স্কুলৰ ওপৰ শ্ৰেণীৰ ছাত্ৰ। ওপৰ শ্ৰেণী নাপালেও তেনে বয়স পাইছে। সম্ভৱ ছিটিবাছৰ গতিৰেই জীৱনৰ গতি বুলি ভাবি সিহঁতে বাহিৰৰ বতাহত গা এৰি দি বেচ উৎফুল্লিত হৈ আছে। হঠাৎ আচম্বিত বস্তু এটা আৱিষ্কাৰ কৰাৰ দৰে সুমন্ত প্ৰায় উচপ খাই উঠিল। ওলমি যোৱা ল'ৰাকেইজনে কৰিছে কি? সিহঁতে পাৰ হৈ অহা মানুহবোৰৰ গাত কিবা কিছুমান দলিয়াই আছিছে। অপ্ৰত্যাশিতভাৱে গাত আঘাত পাই উচপ খাই উঠা আৰু পাছত খঙত জ্বলিপকি উঠা মানুহবোৰলৈ চাই সিহঁতে এক অদ্ভুত আনন্দ পাইছে।

বহি থকা ছিটটোৰ পৰা সুমন্তই ভালেখিনি আগুৱাই আহিল। চাওঁ বুলিয়েই সিহঁতলৈ সি তীক্ষ্ণ দৃষ্টিৰে চাই ৰ'ল। ভাবিলে, হয়তো কোনোবাই সিহঁতৰ এই বীভৎস কাণ্ড লক্ষ্য কৰিলে সিহঁতে নিজে-নিজে কামটো বন্ধ কৰিব।

কিন্তু সুমন্তৰ ধাৰণা ভুল প্ৰমাণিত হ'ল। ল'ৰাকেইটাই দেখিলে, সুমন্তই সিহঁতক লক্ষ্য কৰি আছিছে। সুমন্তৰ চকু মুখত বিৰিঙি উঠা খঙো নিশ্চয় সিহঁতৰ চকুত নপৰাকৈ নাথাকিল। কিন্তু সিহঁতে তাক, তাৰ খঙক, তাৰ দৃষ্টিক কোনো গুৰুত্ব দিয়াৰ প্ৰয়োজন-

OKDISCD

ৰোধ নকৰিলে। ভূতনাথত বাছখন ৰখাওঁতে সিহঁতৰ এটাই সাউৎকৈ নামি গৈ বাটৰ দাঁতিৰ পৰা খালী হোৱা হাত পুৰাই এমুঠি সৰু-সৰু শিলগুটি লৈ আহিল আৰু বাছখন চলিবলৈ আৰম্ভ কৰাত ৰিক্সাৰে গৈ থকা গাভৰু এগৰাকীৰ গালৈ কেইটামান মাৰি পঠিয়ালে। গাভৰুগৰাকী উচপখাই উঠিল আৰু লগে-লগে তিনিও বিজয়োল্লাসত চিঞৰি উঠিল।

সুমন্তৰ মগজুটো এইবাৰ প্ৰচণ্ড উত্তাপত ভকভকাই উতলিবলৈ ধৰিলে। কামাখ্যা ষ্টেপেজলৈ কিছু দূৰ থকা সত্ত্বেও সি অস্থিৰতাত ৰ'ব নোৱাৰি থিয় হ'ল।

বাছখন ৰোৱাৰ লগেলগে সি প্ৰায় জাপ মৰাৰ দৰে বাছখনৰ পৰা নামিল। কোনো বাক্য আৰু সময় ব্যয় নকৰি সি সমুখতে পোৱা, অলপ আগতে শিল বুটলি লোৱা ল'ৰাজনক পূৰ্ণহতীয়া চৰ এটা শোধাই দিলে।

তাৰপাছত যেন এক প্ৰচণ্ড আগ্নেয়গিৰিহে উদগীৰণ হ'ল। অসহ্য খঙত সুমন্তই সিহঁতক গালি পাৰিবলৈ ধৰিলে। সেই মুহূৰ্তত কোনো পৰিস্থিতিৰ বিষয়ে ভবাৰ অৱকাশ নাথাকিলেও পিছমুহূৰ্ততে কিন্তু সুমন্ত ল'ৰাতিনিজনৰ প্ৰতি আক্ৰমণৰ বাবে মানসিকভাৱে সাজু হ'ল।

কিন্তু সুমন্তক আচৰিত কৰি তিনিওজন ল'ৰা শিলপৰা কপৌৰ দৰে থিয় দি থাকিল। সুমন্তৰ চকুলৈকো যেন সিহঁতে মুৰ তুলি চাবলৈ সাহস নকৰিলে। হাতত শিলগুটি লৈ থকা ল'ৰাজনে লাহেকৈ হাতৰ মুঠিটো খুলি দিলে। সামান্য শব্দ কৰি শিলগুটি কেইটা মাটিত পৰিল।

মাত্ৰ অলপ আগতে উশৃংখল আনন্দত উটি অহা ল'ৰা কেইজন হঠাৎ ধীৰ-স্থিৰ হৈ তলমূৰকৈ বাছত উঠি ভিতৰ সোমালগৈ। সুমন্তৰ চকুৰ আঁতৰ হ'বলৈ পালেই সিহঁত যেন ৰক্ষা পৰে!

বাছখন চলিবলৈ ধৰিলে।

সুমন্তৰ হঠাতে মুৰটো বৰ পাতল যেন লাগিল। এতিয়া যেন ক'তো একো উত্তাপ নাই, অস্থিৰতা নাই।

ৰুমালেৰে মুখখন মোহাৰি সুমন্তই হাউলি ল'ৰাজনে পেলাই থৈ যোৱা শিলকেইটা বুটলি ললে। চকুৰ কাষলৈ আনি শিলকেইটা আকৌ এবাৰ চাই ললে। তাৰ পাছত সেইকেইটা মুঠিত লৈ ঘৰমুৱা হ'ল।

ঘৰপাই সুমন্তই পোনেই পঢ়ামেজত শিলকেইটা থলেগৈ। সি অহা দেখি অভ্যাসবশতঃ সদায় অহাৰ দৰে মাক আহি তাৰ কোঠাত সোমাইছিলহি। মেজত শিলকেইটা দেখি আচৰিত হৈ তেওঁ সুধিলে, "এইকেইটা আকৌ কি আনিলি? শিল দেখোন!"

হাঁহি মাৰি সুমন্তই ক'লে, "শিলেই, কিন্তু সাধাৰণ শিল বুলি নাভাবিবা। এইকেইটা শিল— পুৰস্কাৰ। মোৰ শিক্ষকতাৰ প্ৰথম পুৰস্কাৰ।"

সুমন্তৰ মাকে একো নুবুজিলে। গুণগুণাই গান এটা গাই মুখহাত ধুবলৈ যাওঁতে সুমন্তই মনেমনে ঠিক কৰিলে, "সি পৰীক্ষাৰ ডিউটি নকৰাকৈ নাথাকে। কৰিব। তামুলীছাৰহঁতৰ কোনো বুজনি, অনুৰোধ সি আৰু ৰক্ষা নকৰে!

---

## সম্পাদকৰ কোঠালিত

বন্ধুঃ এই গুৱাহাটী চহৰত নিজ চকুৰে পুনঃ পুনঃ দেখাৰ ফলত মোৰ যিবিলাক জ্ঞান হৈছে, তাৰ এটাৰ কথা কওঁ শুনা। ধৰি লোৱা তুমি বিহু, পূজা আদি কিবা তিনি-চাৰিদিনীয়া অনুষ্ঠান পাতিছা। এতিয়া, স্বভাৱতলীত এছোৱা সময়ৰ কাৰণে তুমি একো প্ৰগ্ৰেম যোগাৰ কৰিব নোৱাৰিলা। আচলতে সেইখিনি সময় প্ৰায়বোৰ প্ৰগ্ৰেমৰ কাৰণেই অসময়। কিন্তু তোমাৰ ইচ্ছা, সেইখিনি সময়তো স্বভাৱতলীত কিবা এটা চলি থাকক। এনে অৱস্থাত পৰিলে তুমি কি আইটেমৰ খবৰ কৰিবা জানা? ওজাপালি।


আমাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থাৱলী

ৰঞ্জু হাজৰিকাৰঃ চিকাৰ * ৰক্তপিপাসু * বিপন্ন নায়ক * দুৰন্ত দস্যু * নিশাৰ অতিথি * মৃত্যুৰ সংগীত * শাণিত নখ * ভূত বঙলা। শিশু সাহিত্য মালাঃ চিন্দবাদৰ অভিযান * ঈছপৰ সাধু * শুকুলা হাতীৰ কাহিনী। ভুবন চন্দ্ৰ গগৈৰঃ ৰঞ্জিতা বাইদেউ। প্ৰদীপ ভাগৱতীৰঃ ফুলশয্যাৰ অশ্ৰু বন্যা। নৃপেন শৰ্মাৰঃ বাঘে যেতিয়া এশ গৰু মাৰে। দিব্য মহন্ত ফুকনৰঃ অৱক্ষয়। কনক গোস্বামীৰঃ শৰাইঘাটৰ নতুন অঙ্কুৰ (প্ৰবন্ধ)

ওচৰৰ কিতাপৰ দোকানত পাব অথবা বিক্ৰেতা সকলে অনুগ্ৰহ কৰি যোগাযোগ কৰকঃ

**মৃণালী প্ৰকাশন**

প্ৰযত্নে পাপু ৰিফিল্ছ, চাৰিআলি—৭৮৪১৭৬

MASSCOM





# "যি টুথপাউদাৰত লং তেল নাই, সি মোৰ কোনো কামত নাহে।"



"সেয়ে মোৰ মনেবিচৰা টুথপাউদাৰ হৈছে প্ৰমিছ। লং তেলেৰে ভৰা। গাঁৱে-নগৰে নাম কৰা। লং তেলৰ আছে দুটা বিশেষ গুণ। এটা হ'ল ই দাঁতক সৰু-সুৰা ৰোগৰ পৰা সুৰক্ষিত ৰাখে। ইয়াৰ প্ৰভাৱত দাঁতৰ ক্ষতিসাধন কৰিব পৰা জীৱাণু বিয়পিব নোৱাৰে। ফলত আপোনাৰ দাঁত দৃঢ় মজবুত হৈ থাকে। আৰু দ্বিতীয়তে ই আপোনাৰ শ্বাস সজীৱ সুগন্ধিত কৰি ৰাখে। সেয়ে আপোনাৰ সৈতে বাৰ্তালাপ কৰা লোকে আপোনাৰ পৰা মুখ ঘুৰাই নিনিয়ে।

আটাইতকৈ ডাঙৰ কথা হৈছে দাম যি পৰে সেই অনুসৰি প্ৰমিছ টুথপাউদাৰৰ গুণৰ তুলনা নাই। আপুনি যিখিনি খৰচ কৰে তাৰ প্ৰতিটো পইচা কামত আহে।

মোৰ কথা মানে যদি প্ৰমিছ টুথপাউদাৰহে লব। লং তেলেৰে ভৰপূৰ। বালচাৰাৰ চিন্তাধাৰাৰ অনন্য উৎপাদন।"




লং তেলৰ এক অসাধাৰণ উৎপাদন

**প্ৰমিছ**

**টুথপাউদাৰ**



বালচাৰা টুথপেষ্ট বিশেষজ্ঞ

CHAITRA-B BLS 828 ASM

OKDISCD

# দেশ-বিদেশ

ভগৱান শৰ্মা



দ্বিতীয় পেগটো শেষ হোৱাৰ পাছত মলয় দাসৰ মনলৈ পুনৰ অস্বস্তিৰ ভাব এটা কুৰুকি-কুৰুকি সোমাই আহিবলৈ ধৰিলে। তেওঁ ছিগাৰেট এটা জ্বলালে আৰু চকীৰ পৰা উঠি ধীৰ পদক্ষেপেৰে কোঠাটোৰ পশ্চিমৰ ফালৰ খিৰিকিখনৰ ওচৰ পালেগৈ।

নিজৰ চৰকাৰী বাসভৱনৰ অলপ দূৰৈৰপৰাই আৰম্ভ হোৱা অৰণ্যৰ অন্ধকাৰত চকু থৈ মলয় দাসে শুনিবলৈ পালে— এক সুগন্ধি পৱনৰ কান্দোনৰ শব্দ। বিস্তৃত শাল-চেগুনৰ বননিৰ ওপৰেৰে বগাই আহিল যেন সহস্ৰ ফণাযুক্ত এক বিশাল সাপ— তেওঁক গ্ৰাস কৰিবলৈ। আতংকত শিয়ঁৰি উঠিল মলয় দাস। আজি দহবছৰ ধৰি এই অৰণ্যই তিলতিলকৈ শুহি নিছে তেওঁৰ শৰীৰৰ সমস্ত শক্তি, সঞ্চিত উৎসাহ-উদ্দীপনা। আত্মীয়-স্বজন, বন্ধু-বান্ধৱেৰে পৰিপূৰ্ণ সভ্য, শিক্ষিত সমাজখনৰ লগত তেওঁৰ সকলোধৰণৰ সম্পৰ্ক বিচ্ছিন্ন হৈ গৈছে। নিঃসংগ, নিৰ্জন এক অন্ধকাৰ গুহাৰ ভিতৰত তেওঁ যেন আবদ্ধ হৈ আছে বহুকাল ধৰি।

তীব্ৰ বিতৃষ্ণাৰে মলয় দাস ঘূৰিল আৰু তেওঁৰ শোৱনি কোঠাত উপস্থিত হোৱা আন দুজন ব্যক্তিৰ মুখলৈ চালে।

গোপালকৃষ্ণ বৰুৱাই পৰম আগ্ৰহেৰে মাত লগালে, "কাম অন, মিষ্টাৰ দাস, উই আৰ ৱেটিং ফৰ ইউ।"

গোপালকৃষ্ণ বৰুৱা অৰণ্যৰ ৰজা। চৰকাৰৰ সংৰক্ষিত বনাঞ্চলৰ মূল্যবান কাঠৰ চোৰাং ব্যৱসায় কৰি তেওঁ প্ৰচুৰ অৰ্থ সঞ্চয় কৰিছে। গুৱাহাটী, কলিকতা আদি মহানগৰীত তেওঁৰ নিজস্ব মাটিত প্ৰাসাদোপম ঘৰ আছে। তেওঁৰ ল'ৰা-ছোৱালীয়ে দিল্লী, বোম্বাই আদি ঠাইৰ অভিজাত শিক্ষানুষ্ঠানত শিক্ষালাভ কৰে। বন-সংৰক্ষণকাৰী চৰকাৰী বিষয়া, আৰক্ষী বিভাগৰ লোক, ৰাজনৈতিক নেতা আদি গোপালকৃষ্ণ বৰুৱাৰ হাতৰ মুঠিত।

"আপোনাৰ মনত কিবা এটা থকা যেন লাগিছে।" —খালী হৈ থকা গিলাছকেইটাত বটলৰ বিদেশী হুইস্কি ঢালি থকাৰ পৰাই বৰুৱাই মন্তব্য কৰিলে।

মলয় দাসে ধীৰ খোজেৰে গৈ আকৌ নিজৰ আসনত বহিলগৈ। কিন্তু অস্বস্তিৰ ভাবটো একুৰা তুঁহ-জুইৰ নিচিনাকৈ তেওঁৰ বুকুৰ ভিতৰত উমি-উমি জ্বলি থাকিল।

"দাস, উই আৰ ফ্ৰেণ্ডছ।" —মলয় দাসৰ শোৱনি কোঠাত উপস্থিত থকা তৃতীয়জন ব্যক্তি সুদৰ্শন হাজৰিকাই নিচাজড়িত কণ্ঠেৰে মাত লগালে,— "আমাৰ মাজত গোপনীয়তা বুলি কোনো কথা থকা উচিত নহয়। আপোনাৰ যদি কিবা সমস্যা হৈছে, আমাক খুলি কওক। উই আৰ ৰে'ডি টু হেল্‌প্‌ ইউ এনি ম'মেণ্ট।"

"ছাৰ্টেনলি, ছাৰ্টেনলি।" গোপালকৃষ্ণ বৰুৱাই উৎসাহেৰে হাজৰিকাক সমৰ্থন কৰিলে।

মদৰ গিলাছটো হাতত লৈ মলয় দাসে সুদৰ্শন হাজৰিকাৰ মুখলৈ চালে। পঞ্চাছৰ দেওনা গছকি যোৱা হাজৰিকাৰ নিপোটল মুখমণ্ডলত বয়সৰ আঁচোৰ পৰা নাই।

প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ সুদৰ্শন হাজৰিকাৰ অৰণ্যত কাঠৰ কুপ আছে, হাতীৰ মহল আছে। তদুপৰি লোক-চক্ষুৰ আঁৰত তেওঁৰ আছে হাতীৰ দাঁত, গড়ৰ খড়্গ আদিৰ চোৰাং ব্যৱসায়। চোৰাং চিকাৰীৰ এটা কুখ্যাত দলৰ লগত তেওঁৰ আছে নিবিড় সম্পৰ্ক।

মলয় দাসৰ অনুভৱ হ'ল— হেমন্তৰ এই ৰঙীণ সন্ধিয়াটোৱে তেওঁৰ মনলৈ কোনোধৰণৰ বৈচিত্ৰ্য আনিব পৰা নাই। তেওঁৰ আটাইতকৈ অন্তৰংগ বন্ধুসকলৰ সাহচৰ্যত মূল্যবান পান-ভোজনৰ প্ৰাচুৰ্যই তেওঁৰ মনত সামান্য পৰিমাণৰ উৎসাহৰো সৃষ্টি কৰিব পৰা নাই। এক সৰ্বগ্ৰাসী হতাশাই তেওঁক যেন চৌদিশৰপৰা হাত-ভৰি জপটিয়াই বান্ধি পেলাব খুজিছে।

মলয় দাসে জানে— তেওঁৰ সন্মুখত বহি থকা এই সভ্য, সুশিক্ষিত মানুহ-দুজন, সমাজ আৰু ৰাজনীতিৰ প্ৰথম শাৰীত আসন দখল কৰি থকা এই মানুহদুজন— দুজন গভাইত চোৰ। মলয় দাসৰ লগত এই মানুহদুজনৰ ব্যক্তিগত সম্পৰ্কত বন্ধুত্বৰ নামমাত্ৰও নাই। তেওঁৰ সহায়ত বনজ সম্পদ লুট কৰিবলৈ সুবিধা পাইছে কাৰণেই এই মানুহদুজনে মলয় দাসক সুহৃদ বুলি আঁকোৱালি লৈছে। তেওঁলোকৰ স্বাৰ্থপূৰণত বাধা দিলে এই ভয়ংকৰ মানুহদুজনে গভীৰ অৰণ্যৰ মাজত মলয় দাসক কুকুৰৰ দৰে গুলীয়াই মাৰিবলৈকো কুণ্ঠাবোধ নকৰিব।

দুই চোৰৰ সংগী মলয় দাস নিজেও এজন চোৰ। নিজৰ শোৱনি-কোঠাত এই দুজন ভদ্ৰলোকক পান-ভোজনৰ সুবিধা দিয়াৰ অৰ্থ এটাই; তেওঁলোকৰ লুটৰ ভাগ মলয় দাসেও পায়। দহবছৰীয়া চাকৰিকালত তেওঁ হস্তগত কৰিছে বিপুল অৰ্থভাণ্ডাৰ।

মদৰ গিলাছত দীঘলীয়াকৈ শোহা এটা মাৰিলে মলয় দাসে। তাৰ পাছত তেওঁৰ মুখলৈ উৎকণ্ঠাৰে চাই ৰৈ থকা বৰুৱা আৰু হাজৰিকালৈ চাই মন্তব্য কৰিলে, "এই অৰণ্যক মই ঘিণ কৰোঁ।"

গোপালকৃষ্ণ বৰুৱাৰ মুখাবয়বলৈ আকৌ স্বাভাৱিক নমনীয়তা উভতি আহিল। ছিগাৰেটত অগ্নিসংযোগ কৰি তেওঁ প্ৰশ্ন কৰিলে,— 'হু লাইক্‌ছ দিছ হে'ল?"

"ইয়াত ছ'ছাইটি বুলি বস্তু এটা নাই। শিক্ষা নাই, কালচাৰ নাই। ইয়াত যিখিনি মানুহ আছে তেওঁ-লোকো বনৰীয়া জীৱ-জন্তুৰ সমপৰ্যায়ৰ। তেওঁলোকৰ পৃথিৱীত আছে মাথোন মদ-জুৱা আৰু কাজিয়া-পেচাল। এইখন সভ্য মানুহৰ বাসস্থান হ'ব পাৰেনে?"

খন্তেক ৰৈ মুখত এক ৰহস্যময় হাঁহি ফুটাই তুলি বৰুৱাই কলে, "এই ঠাইৰ লগত আমাৰ ভাল পোৱা তেনেই ক্ষণস্থায়ী। অৰণ্য যেন এক ৰূপহী বাৰবনিতা!"

বাহিৰৰপৰা ঝিলিৰ চিঞৰ ভাঁহি আহিল। ভজা মুৰগীৰ মাংসৰ লগত মদ্যপান অবিৰতভাৱে চলিবলৈ ধৰিলে।

"হাংগাৰ, প'ভাৰ্টি, এণ্ড নাথিং এল্‌ছ। এ গ্ৰিম পিকচাৰ এভৰিহোৱেৰ। লাইফ ক'তা? আমি যে আমাৰ দেশ বুলি চিঞৰোঁ,— কি আছে ইয়াত?" —সুদৰ্শন হাজৰিকাই সুধিলে।

মলয় দাসৰ শোৱনি কোঠাত বিদেশী টেপৰেকৰ্ডাৰত মৃদু সুৰত বাজি আছে পশ্চিমীয়া সংগীত। গোপালকৃষ্ণ বৰুৱাই যোগান ধৰা বিদেশী মদৰ সুবাসৰ লগত মিহলি হৈ পৰিছে অভ্যাগতসকলৰ গাৰপৰা ভাঁহি অহা বিদেশী আতৰৰ গোন্ধ। বটলৰ পানীয় দ্ৰুতগতিত নিঃশেষ হৈছে। তাৰ লগে লগে বাঢ়ি আহিছে উপস্থিত ব্যক্তিসকলৰ কথন-মথনত আধা ফুটা ইংৰাজী শব্দ পৰিমাণ। ছিগাৰেটৰ ধোঁৱাৰে কোঠাৰ পোহৰ অস্পষ্ট হৈ পৰিছে।

চকীত আউজি লৈ মলয় দাসে চকুহাল মুদি দিলে। হঠাতে তেওঁৰ সন্মুখত যেন উপস্থিত হ'লহি এক বিচিত্ৰ, মনোৰম ভূখণ্ড। সুউচ্চ স্কাই-স্ক্ৰেপাৰ; প্ৰশস্ত মসৃণ আলিবাটত বিদ্যুৎবেগী যন্ত্ৰযানৰ ভীৰ; সভ্য-সুশিক্ষিত— স্বাস্থ্যোজ্জ্বল— তজবজীয়া মানুহৰ সমাগম;— সকলো মিলি এক স্বপ্নৰ দেশ। বিদেশ! সাগৰ অথবা আকাশৰ বুকুৰেদি বগুৱা বাই বহুজনে সেই ভূখণ্ড দৰ্শন কৰি জীৱন সাৰ্থক কৰিছে। সেই ভূখণ্ডত স্থায়ীভাৱে বসতি স্থাপন কৰিবলৈ সক্ষম হৈ বহুজন সফল মানুহ বুলি পৰিচিত হৈছে।

যদিও মলয় দাস এক অৰণ্যৰ বাসিন্দা, তথাপি তেওঁৰ মনৰ সপোন শেষ হৈ যোৱা নাই। তেওঁৰ বন্ধু-স্থানীয়, পৰিচিত বহুতেই এতিয়া সেই ৰূপকথাৰ দেশলৈ গৈ সুখ আৰু সম্পদৰ পোহাৰ মেলিছে। তেওঁ পৰা নাই। অথচ দৈনন্দিন জীৱন যাত্ৰাৰ গতানুগতিকতাৰ ফাঁকে-ফাঁকে তেওঁৰ মনৰ মাজলৈ উৰি আহে সেই দেশ, —অচিনাকি হৈয়ো যি নিচেই আপোন, —ৰূপ আৰু সম্পদৰ প্ৰাচুৰ্যৰে যি তেওঁৰ হিয়া আলোড়িত কৰে।

ফৰেষ্টাৰ অজিত খাউণ্ডৰ মাতত সচকিত হৈ উঠিল মলয় দাস। চকীত পোণ হৈ বহি তেওঁ মন কৰিলে কোঠাত তেওঁ অকলশৰীয়া। বৰুৱা আৰু হাজৰিকা উঠি যোৱা চাৰেগে ভালেমান পৰ হ'ল।

"ছাৰ, সকলো সাজু হৈছে।" —খাউণ্ডে জনালে।

মলয় দাসে ক্ষিপ্ৰতাৰে হাবিলৈ ওলোৱা পোছাক-পাতি পিন্ধিলে আৰু বন্দুকটো কান্ধত ওলোমাই লৈ বাহিৰলৈ ওলাই আহিল।

বনবিভাগৰ কাৰ্যালয়ৰ সন্মুখত চাৰিটা হাতী ৰৈ আছিল। এটা হাতীত মাউতৰ লগতে মলয় দাস উঠি বহিল। আনকেইটাত উঠিল দুজনকৈ সশস্ত্ৰ ফৰেষ্ট গাৰ্ড। কেজুৱেল কৰ্মী এদলে হাতীৰ পিছে-পিছে খোজ ললে।

হাবিৰ মাজৰ সুৰসুৰীয়া বাট এটাৰে গৈ থকাৰ সময়ত বিভিন্ন ধৰণৰ নিশাচৰ চৰাইৰ মাত মলয় দাসৰ কাণত পৰিলহি। সময় কিমান হ'ল চাবলৈ বুলি হাতৰ কব্জিত টৰ্চৰ পোহৰ পেলাই তেওঁ গম পালে— ঘড়িটো আনিবলৈ পাহৰিলে। অৰণ্যৰ

গৌটমৰা অন্ধকাৰৰ মাজে-মাজে গৈ থকাৰ সময়ত মলয় দাসৰ চকুহাল মুদ খাই অহাৰ উপক্ৰম হ'ল। তেওঁৰ এনে লাগিল যেন অন্ধকাৰৰ মাজেৰে তেওঁ আৰম্ভ কৰিছে এক অন্তহীন যাত্ৰা,—কোনো এক অনিশ্চিত দিশত।

এটা সময়ত পথাৰৰ পকাধানৰ গোন্ধ তেওঁৰ নাকত লাগিলহি। পথাৰখন অতিক্ৰম কৰাৰ পাছত অ'ত-ত'ত সিঁচৰতি হৈ থকা খেৰী-ঘৰবোৰৰে সৈতে গাঁওখন অস্পষ্টভাৱে দৃষ্টিগোচৰ হ'ল।

নিশা গভীৰ হৈছিল। হাবিতলীয়া গাঁওখনৰ মানুহবিলাকৰ সাঁজ লাগিলেই পাটীত পৰাৰ অভ্যাস। আজি কিন্তু তেওঁলোক সাৰে আছিল।

হাতীৰে সৈতে যোৱা বনবিভাগৰ পহৰাদাৰী দলটোক হাতত জোৰ-বন্তি লৈ অহা পঞ্চাছ-ষাঠীজনমান মানুহৰ দল এটাই বাট ভেটি ধৰিলেহি।

"আপোনালোকে বয়-বস্তু লৈ আঁতৰি যাওক।" —হাতীৰ পিঠিৰ পৰা মলয় দাসে চিঞৰিলে —"আপোনালোকক মই মাত্ৰ পোন্ধৰ মিনিট সময় দিছো।"

মলয় দাসক কঢ়িয়াই নিয়া হাতীটোৰ সমুখত কৰযোৰে উপস্থিত হলহি সুৰাগমণি গাঁৱৰ গাঁওবুঢ়া আঘ্নু ওৰাং।

"বাবু, আমি ক'লৈ যাম? আমাৰতো অইন ক'তো থাকিবলৈ ঠাই নাই।" —আঘ্নুৱে কলে।

এই মানুহখিনিয়ে আজি বহুবছৰ ধৰি চৰকাৰৰ সংৰক্ষিত বনাঞ্চলত বেদখলকাৰী হিচাপে গাঁও পাতি আছে। গাঁওখনত বিভিন্ন জাতি, ধৰ্ম আৰু ভাষাৰ ষাঠীঘৰমান মানুহ আছে। তেওঁলোকে নামত হ'লেও স্কুল, নামঘৰ, মছজিদ, গীৰ্জাঘৰ আদিও সাজি লৈছে। কিন্তু তেওঁলোকৰ নাগৰিকত্ব সন্দেহজনক। বহুতৰ মতে এই মানুহখিনিৰ সৰহভাগেই বিদেশী। এই গাঁওখনৰ মানুহখিনিৰ ওপৰত একাধিকবাৰ উচ্ছেদৰ জাননী জাৰি কৰা হৈছে। কিন্তু মানুহবিলাকে লৰ-চৰ কৰা নাই। এইবাৰৰ কথা সুকীয়া। ওপৰমহলৰ পৰা চোকা নিৰ্দেশ আহিছে দেশৰ মূল্যবান অৰণ্য অঞ্চল বেদখলকাৰীৰ হাতৰপৰা যি কোনো প্ৰকাৰে উদ্ধাৰ কৰিবই লাগিব।

"আইনৰ নিৰ্দেশ মই মানিবই লাগিব।"—মলয় দাসে গহীনাই ক'লে।

"বাবু, শুনক বাবু"— আঘ্নু গাঁওবুঢ়াই মলয় দাসক নিজৰ যুক্তিত পতিয়ন নিয়াবলৈ নেৰানেপেৰাকৈ লাগিল,— "আমি ইয়াত বিছ বছৰ ধৰি আছো। আমি বানপানীত ভাগি অহা মানুহ। চৰকাৰে মাটিৰ পট্টা দিম-দিম বুলিও দিয়া নাই। আমাৰ দোষ কি বাবু?"

খন্তেক ৰৈ দুখমনেৰে আঘ্নু ওৰাঙে ক'লে,— 'ইলেকছনৰ সময়ত নেতাবিলাক আমাৰ গাঁৱলৈ আহে। মাটিৰ পট্টা হৈ যাব বুলি কৈ ভোট লৈ গুচি যায়। গাদীত বহাৰ পাছত আমাক পাহৰি যায়।"

মলয় দাসে কোনো কথা নকৈ নিজৰ দলটোক আগবাঢ়িবলৈ নিদেশ দিলে। হাতী আৰু সশস্ত্ৰ মানুহৰ দলটোৱে গাঁৱৰ মানুহৰ প্ৰতিৰোধ নেওচি শাক-পাচলিৰ বাৰীৰে সৈতে জুপুৰীঘৰবিলাক, পকাধানেৰে ওপচা ধাননি—এফালৰপৰা মহতিয়াই নিবলৈ ধৰিলে।

চাৰিওপিনে হুৰাহুৰা লাগিল। মানুহৰ চিঞৰ-বাখৰ ল'ৰা ঢপৰা আৰম্ভ হ'ল। সৰু-সৰু ল'ৰা-ছোৱালী আৰু তিৰোতাবোৰে ইনাই-বিনাই কান্দিবলৈ ধৰিলে।

এঠাইত ৰৈ হাতীৰ ওপৰৰপৰা মলয় দাসে ভীত পশুৰ জাকৰ নিচিনাকৈ ছত্ৰভংগ দিয়া মানুহবিলাকক পৰ্যবেক্ষণ কৰিবলৈ ধৰিলে।

এই মানুহবিলাকক তেওঁ চিনি পায়। অলপ-অচৰপ খেতি-বাতি আছে যদিও সৰহভাগ মানুহৰে জীৱিকাৰ উপায় দিন-মজুৰী। বহুতেই বনবিভাগৰ অস্থায়ী মজদুৰ হিচাপে আলি-পদুলি বন্ধা, জংঘল কটা আদি কাম কৰে। কোনো-কোনোৱে শাক-পাচলি-গাখীৰ আদিৰ ব্যৱসায় কৰে। কাৰোবাৰ আকৌ বজাৰত সৰু-সুৰা দোকানো আছে।

জীয়াই থকাৰ তাড়নাই উদ্বাউল কৰি তোলা মানুহৰ জাকটোলৈ এক নিৰ্মোহ দৃষ্টিৰে চাই থকাৰ সময়তে মলয় দাসৰ অনুভৱ হ'ল— গভীৰ নিশাৰ অৰণ্যৰ নিৰ্জনতাই হঠাতে যেন তেওঁক গ্ৰাস কৰিবলৈ খেদি আহিছে। বিমূঢ়, আতংকিত হৈ তেওঁ যেন ক্ৰমাৎ এক অন্ধকাৰ গুহাৰ ভিতৰলৈ সোমাই গৈ আছে, গৈ আছে ...।

"বাবু, বাবু—"—এক আৰ্ত চিঞৰত সচকিত হৈ মলয় দাসে দেখিলে তেওঁৰ হাতীটোৰ সন্মুখত মাটিত দীঘল হৈ পৰি আছে শীৰ্ণদেহী, দীৰ্ঘাংগ এক প্ৰাপ্তবয়স্ক মানুহ,— ৰামবাহাদুৰ।

"বাবু, আমাক বচা। আমাৰ ধানৰ খেতি আমাক ঘৰ, আমাৰ গাঁও এতিয়া চব শেষ হৈ যাব। আমাক নামাৰিবি বাবু! এই মাটিয়েই আমাৰ মা। এই মাটি এৰি ক'লৈ যাম বাবু।"

হাবিৰ মাজৰপৰা ঝিলিয়ে তীক্ষ্ণসুৰত চিঞৰিবলৈ ধৰিলে। এক অন্ধকাৰ গহ্বৰত তলায়মান মলয় দাসৰ সন্মুখত এক উজ্জ্বল আলোকত হঠাতে উদ্ভাসিত হৈ উঠিল ৰামু,— ৰাম বাহাদুৰ। ৰামবাহাদুৰ,—তাৰ সোঁহাতখন নাঙলৰ মুঠিত,— যুৱলিত এহাল বলধ গৰু আৰু সন্মুখত এক বিস্তৃত খেতিপথাৰ্।

মলয় দাসৰ বিস্মিত, মুগ্ধ দৃষ্টিৰ সন্মুখত এক প্ৰখ্যাত চিত্ৰ শিল্পীৰ স্থিৰ চিত্ৰৰ নিচিনাকৈ ৰামবাহাদুৰৰ অবয়বটো আকাশ আৰু পৃথিৱীৰ মাজত ক্ৰমশঃ বিস্তৃত হ'বলৈ ধৰিলে।





## কবিতা

**নীলিম কুমাৰ**

[উৎসৰ্গ: পুষ্পাঞ্জলি গোস্বামী]

মোৰ বুকুৰ কণমানি ঘাঁহনিখনত চুলি মেলি তেওঁ
শুই আছিল, পানীৰ সকলো মাছে নাচি নাচি
তেওঁৰ সাগৰ যেন চুলিটাৰিলৈ ঢাপলি মেলিছিল

তেৰেঁই সৰিয়হডৰা হালধীয়া কৰি তুলিছিল, ধাননীৰ ঠোকবোৰ
তেওঁৰ প্ৰেমেৰে হাউলি পৰিছিল, তেওঁৰ স্পৰ্শেৰে জোঙা হৈ
উঠিছিল বগৰীৰ কাঁইটবোৰ— প্ৰেম হৈ বিন্ধিছিল গৰখীয়া ল'ৰাৰ
কোমল হাত, তেৰেঁই গছবোৰৰ ওপৰেদি হাতবাউল দি
চৰাইবোৰক মাতিছিল, পাহাৰৰ ওপৰত থিয় হৈ
ৰিঙিয়াইছিল তৰাবোৰক. তেওঁৰেই চুলিৰ পৰা
উৰি গৈছিল মেঘবোৰ, হাতৰ পৰা পখিলা আৰু মৌমাখিবোৰ

যোৱাৰাতি তেওঁৰ বুকুৰ ক্ষীৰ সৰোবৰত
দুপাহ শ্বেতপদ্ম ফুলি উঠিছিল, চকুৰ পৰা তৰাবোৰ
উৰি গৈছিল, চুলিৰ পৰা নিঃসংগ বতাহজাক
আকাশৰ পিনে তেওঁ মেলি দিছিল তেওঁৰ নগ্ন দুহাত
যোৱাৰাতি মোৰ বুকুৰ কণমানি ঘাঁহনিৰ তলেৰে
এটা গানৰ দৰে কঁপি কঁপি গুচি গ'ল তেওঁৰ হৃদয়

মই এতিয়া নিঃসংগ

## কবি

**লুটফা হান্নুম ছেলিমা বেগম**

বাৰে বাৰে তোমাক হেৰুৱায়ো
মই হেৰুউৱা নাই
দুখৰ নদীৰ কূল

কাৰো প্ৰেমৰ মোহনাতো
তুমি মিলি যোৱা নাই
দুখৰ দিগন্ততো
শেষ হোৱা নাই তুমি

তুমি জানো আমৰণ অভ্ৰগন

মুমাওঁ-মুমাওঁকৈয়ো জ্বলি থকা
তুমি অনিৰ্বাপিত অনল

বুকুৰ মাজতে থাকিও
আঙুলিৰ ফাঁকেৰে বৈ যোৱা
তুমি কাৰ হিয়াৰ জলস্ৰোত

শিলৰ বুকুতো ঢৌ তুলি তুমি
কোনোদিনেই মাৰ যাব নোখোজা
তুমি সেই কৰুণ কঁপনি

জুইৰ বুকুত মুখ গুজি
উচুপি থকা তুমি কোন
উন্মাদ উদাস কবি

বাৰে-বাৰে মোক হেৰুৱায়ো
হেৰুউৱা নাই মই
তোমাৰ উপকূল

## মৃগয়া

**মদন শৰ্মা**

কঁপে অথাই পানীত
সন্ধানী শগুণৰ ছাঁ।

মাৰলিত বতাহৰ বাঁহী
ভূৰত চলে দেশৰ ভৱিষ্যত।

থৰ লাগে অৰণ্য
নামে জোনাক নে পানীৰ ঢল।

গছৰ আঁৰে আঁৰে কান্দে মুগৰীৰ জাকে।

নাৰেৰে উজ্জায়
আশ্ৰয়ৰ হাত নে চেঁচানলী বন্দুকৰ।

আজি
জোনাক ৰাতিৰ মৃগয়া।

# অনুৰাধাৰ দেশ (মোল)

**ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী**



খিৰিকিৰে বাহিৰলৈ চালে ৰূপালীয়ে।

জালুকবাৰীৰ চিনাকি পথেৰে টেক্সি ধাবমান বৰঝাৰ বিমান বন্দৰলৈ।

নীৰেন দত্তই ছিগাৰেট এটা জ্বলাই ঘড়িলৈ চালে; হয়তো হিচাপ কৰিলে কলিকাতা অভিমুখী ফ্লাইটলৈ হাতত কিমান সময় আছে। সকলো সময়তে এনেদৰে ঘড়িৰ কাটাৰ দৰে হিচাপ কৰি চলা মানুহ ৰূপালীৰ ভাল নালাগে। সময়ক বন্দী কৰি ৰাখিবৰ বাবে কোনে যে আৱিষ্কাৰ কৰিছে ঘড়ি! তথাপি মুখটো ঘূৰাই ৰূপালীয়ে এনেয়ে সুধিলে, ফ্লাইটলৈ কিমান সময় আছে।

আছে সময়। এঘণ্টা বিছ মিনিট।

পুনৰ খিৰিকিৰে বাহিৰলৈ চালে ৰূপালীয়ে।

কেম্পাছ এতিয়া শূন্য। বহুত সকলো ঘৰলৈ গৈছে। প্ৰাণ চাঞ্চল্যৰে ভৰি থকা জালুকবাৰীৰ কেম্পাছ ছুটিৰ সময়ত কেনেকুৱা লাগে!

এই কৃষ্ণচূড়া জোপাৰ তলত বাছৰ বাবে আবেলি ৰূপালীহঁতে অপেক্ষা কৰিছিল সদায়, আজি ছাতিত ভৰ দি কোনোবা বৃদ্ধ এজন থিয় হৈ আছে; হয়তো আজাৰাৰ ফালে যাব; চহৰ অভিমুখী ছিটি বাছখনত উঠিল।

বহুতৰে হোৱাৰ দৰে বিশ্ববিদ্যালয়তে পঢ়ি থকা কাৰোবাৰ সৈতে ৰূপালীৰ বিশেষ সম্বন্ধ গঢ়ি উঠিল। আনকি বহুদিনলৈ ৰূপালীক লগৰ ক্লাছমেটবোৰেও মাতিবলৈ সাহস কৰা নাছিল। হয়তো ৰূপালীৰ শৰীৰত এক বিচ্ছিন্ন আভিজাত্যৰ স্পৰ্শ আছিল। এনেকুৱা কিছুমান মানুহ থাকে, নিচেই ওচৰত থাকিলেও যাক বহুত দূৰত থকা যেন লাগে। ৰূপালীৰ মতে সকলোৰে লগত এটা দূৰত্ব বজাই ৰাখিব লাগে।

ফাইনেল ইয়েৰৰ অঞ্জন নামৰ ল'ৰা এজনে প্ৰয়োজনতকৈ বেছি আগবাঢ়ি আহিব খুজিছিল। হয়তো জীৱনত কোনোদিনে প্ৰেমত পৰি পোৱা নাই, অথবা নিজকে সাংঘাতিক স্মাৰ্ট বুলিও ভাবিব পাৰে। ৰূপালীয়ে কোনো দ্বিধা নোহোৱাকৈ চাফ-চাফ কৈ দিছিল নীৰেন দত্তৰ কথা। নীৰেন দত্তৰ লগত তেতিয়া ৰূপালীৰ বিয়া ঠিক হৈ আছে।

বতাহত উৰি যোৱা কপালৰ চুলিখিনি ঠিক কৰি ৰূপালীয়ে এনেয়ে ভাবিলে— কি ঠিক, অঞ্জন নামৰ সেই ল'ৰাটোতো সঁচাকৈও ৰূপালীৰ প্ৰেমত পৰিব পাৰে! তাৰপাছত কোনোদিনে অঞ্জনে ৰূপালীৰ সৈতে কথা পতাৰ প্ৰয়াস কৰা নাছিল।

বিমান বন্দৰলৈ নীৰেন দত্তৰ মাক, দেউতাক আৰু ভনীয়েকজনী আহিব খুজিছিল, ছি-অফ কৰিবৰ বাবে। ৰূপালীয়েই ক'লে,—আজিকালি ফ্লাইট কেতিয়া আহে একদম ঠিক নাই; মিছামিছি গৈ কিমান সময় বৈ থাকিব লাগে কি ঠিক।

আচলতে বিমান বন্দৰত এটা অকাৰণ হুলস্থুলীয়া পৰিবেশ ৰূপালীয়ে পছন্দ নকৰে। নীৰেনৰ ঘৰখনো ৰূপালীৰ পছন্দ নহ'ল। মাক আৰু ভনীয়েকজনীয়ে কিছানি ৰূপালীক ঠিক সহজভাৱে লোৱা নাই, ক'ৰবাত কিবা এটা কমপ্লেক্স থাকি গৈছে।

গাড়ীৰ গ্লাছখন আধামান ওপৰলৈ উঠাই ৰূপালীয়ে নীৰেনক সুধিলে, —সময় হ'লে কলিকাতাত অলপ মাৰ্কেটিং কৰিম বুলি ভাবিছোঁ। তোমাৰ অসুবিধা হ'ব নেকি?

কি মাৰ্কেটিং?

নাই, সৰু-সৰু বস্তু কেইটামান। নিউ মাৰ্কেটতে পাম। তোমাৰ অসুবিধা হ'লে নালাগে।

কি অসুবিধা? কলিকাতাত কিন্তু বেছি সময় নাপাবা। লাঞ্চৰ পাছত সোনকালে ষ্টেচনলৈ যাব লাগিব। ট্ৰেফিক জামৰ বাবে কেতিয়াবা বহুত সময় লাগি যায়।

বৰঝাৰ বিমান বন্দৰত ৰূপালীহঁতে বেছি সময় ৰব লগা নহ'ল। লাগেজ বুক কৰোঁতে কিছু সময় ল'লে। বিয়াৰ পাছত প্ৰথম ওলাই আহিছে, লাগেজ কিছু বেছি হোৱা স্বাভাৱিক। তথাপি যিখিনি নহলে নহয়, সেইখিনিহে ৰূপালীয়ে আনিছে। বিয়াত



পোৱা আচবাব-পত্ৰ আৰু অন্যান্য বস্তু-বাহানি নীৰেনে ক'ম্পেনিৰ খৰচত ট্ৰাকত বুক কৰি দিছে।

পাৰাদ্বীপত অসুবিধা নহ'বতো? ৰূপালীয়ে সুধিছিল।

নহয়। চব আছে। ক'ম্পেনিৰ।

কেনেকুৱা ঘৰ, ফ্লেট নে বাংলো-টাইপ? বাংলো-টাইপ ঘৰ ৰূপালীৰ পছন্দ, প্ৰাইভেছি থাকে।

ফ্লেট, সন্মুখতে সাগৰ। ভাল পাবা।

কোন ফ্ল'ৰ?

ফ'ৰ্থ। ছমহলীয়া বিল্ডিং।

এতিয়া তলা মাৰি থৈ আহিছা নেকি?

নাই, কলিগ এজন আছে।

খোৱাৰ কৰিব নোৱাৰোঁ কিন্তু মই।

নাই, মাত্ৰ এই কেইদিনহে আছে।

ফেমিলি নে বেচেলৰ? নীৰেনৰ ফালে মুখ ঘূৰাই ৰূপালীয়ে সুধিছিল।

বেচেলৰ।

কেনেকৈ বা ৰাখিছে তোমাৰ ফ্লেট! বেচেলৰবিলাকে ঘৰচৰ একদম লেতেৰা কৰি ৰাখে। কাম কৰা মানুহ আছে নে?

ল'ৰা এটা আছে। পিছে সি একো নাজানে। তুমি শিকাই লব লাগিব।

বিমানৰ ভিতৰত মূৰ ঘূৰাই ৰূপালীয়ে চাই ল'লে কোনোবা চিনাকি মানুহ আছে নেকি। নাই। নথকাই ভাল। বেছি মানুহ ৰূপালীয়ে পছন্দ নকৰে। কিছুমান যে বন্ধু থাকে, ভ্ৰমণৰ সময়ত উপযাচি অনৰ্গল কথা পাতি যায়।

এতিয়াহে ৰূপালীৰ অনুভৱ হ'ল এখন সম্পূৰ্ণ অচিনাকি ঠাইৰ এখন নতুন ঘৰৰ দায়িত্ব লবলৈ তাই ওলাই আহিছে। ৰূপালী অৱশ্যে দেউতাকৰ লগত আগতে বহুবাৰ বাহিৰলৈ গৈছে। এতিয়া আৰু কোনো ঠাই ৰূপালীৰ অচিনাকি নালাগে।

মুহূৰ্তৰ বাবে ৰূপালীৰ মনত পৰিল দেউতাকৰ কথা। বিমান বন্দৰলৈ আজি অহাৰ কথা আছিল, শেষত আহিব নোৱাৰিলে। বাগানত ব'ৰ্ডৰ মিটিং আছে।

উৰন্ত বিমানৰ খিৰিকিৰে ৰূপালীয়ে বাহিৰলৈ চালে। বিমানৰ গোঁ-গোঁ শব্দ। বেছিভাগে কাগজ লুটিয়াইছে। বাহিৰত শুভ্ৰ আকাশ, হয়তো পাতল মেঘৰ আৱৰণ। অদূৰত গুৱাহাটী চহৰ। জালুকবাৰীখন এতিয়াও চিনাকি লাগিছে। বিল্ডিংবোৰ ক্ৰমশঃ অদৃশ্যমান। ব্ৰহ্মপুত্ৰৰ ওপৰৰ শৰাইঘাটৰ সাকোঁ লাহে-লাহে এখন সৰু সাকোঁলৈ ৰূপান্তৰিত হৈছে।

এয়াৰ হ'ষ্টেছৰ মৃদু পদধ্বনি।

টফিৰ ট্ৰে লৈ দুজনী এয়াৰ হ'ষ্টেছ দুই ফালৰপৰা আগবাঢ়ি আহিছে। একেই সেই চিনাকি শাৰী, উজ্জল লিপষ্টিক, শ্বেম্পু কৰা চুলি বতাহত উৰিছে।

ৰূপালীয়ে ট্ৰেৰ পৰা দুটা টফি তুলি ল'লে।

আজিকালি এয়াৰ হ'ষ্টেছ কেইজনী ৰূপালীৰ একদম পছন্দ নহয়। কেনেকুৱা এক্সপ্ৰেছনলেছ মুখ। ভালদৰে মেক-আপ কৰিবও নাজানে।

অথচ স্কুলত থকাৰ সময়ত বাহিৰলৈ ফুৰিবলৈ অহাৰ সময়ত ৰূপালীয়ে বাবে বাবে ভাবিছিল ডাঙৰ হ'লে বিমানৰ এয়াৰ হ'ষ্টেছ হ'ব, মেক-আপ কৰি বিমানত ঘূৰি ফুৰিব গোটেই পৃথিৱী। সময়ে যে কেনেকৈ মানুহৰ পছন্দৰ পৰিবৰ্তন আনে।

নীৰেনৰ ফালে ঘূৰি চালে ৰূপালীয়ে।

দুচকু বন্ধ। টোপনি গলেই।

কিয় জানো মুহূৰ্তৰ বাবে ৰূপালীৰ উপস্থিতিৰ কথাও পাহৰি গৈছে।

ৰূপালীহঁতৰ পৰা দুটা ছিট আগত এজন তৰুণে তৰুণী এজনীক খিৰিকিৰে বাহিৰত কি জানো দেখুৱাই আছে, হয়তো অপসৃয়মান লুইতৰ ৰেখা।

প্ৰচণ্ড অভিমানেৰে ভৰি পৰিল ৰূপালীৰ মন। বিয়াৰ পাছতহে চাগে প্ৰকৃত পুৰুষজনক ধীৰে-ধীৰে নাৰীয়ে আৱিষ্কাৰ কৰে। একেজন চিনাকি পুৰুষকে বিয়াৰ পাছত কেনেকুৱা অচিনাকি লাগে।

ফ্লাইটৰ গোটেইখিনি সময় ৰূপালীৰ মনটো এনেয়ে কিবা "অফ" হৈ থাকিল।

খিৰিকিৰে ধীৰে-ধীৰে দেখা গৈছে কলিকাতা চহৰ। দূৰত তাল গছ তিনি-জোপা দেখিলেই ৰূপালীয়ে গম পায় সেয়া দমদম বিমান বন্দৰ।

কলিকাতাখন ৰূপালীৰ একদম ভাল নালাগে। ছেপ্টেম্বৰ মাহতো কি অসহ্য গৰম। ৰূপালীয়ে কেজুৱেল ড্ৰেছ এটা কৰি আহিম বুলি ভাবিছিল; নীৰেনে ক'লে,— তাতকৈ যি পিন্ধা পিন্ধিবা। মা সাংঘাতিক কনজাৰভেটিভ। পাটৰ মেখেলা-চাদৰ পিন্ধি নগলে মাইণ্ডে বেয়া পাব।

এনেকুৱা ড্ৰেছ হেণ্ডেল কৰিবলৈকে ৰূপালীৰ দিগদাৰ লাগে। তথাপি…

বিমানে স্পৰ্শ কৰিলে কলিকাতাৰ মাটি। বিমান-বন্দৰৰ এইখিনি আৰু ভি. আই. পি. ৰ'ডটো ঠিকেই আছে; বাকী অঞ্চলবোৰত যে কেনেকুৱা গাঁও-গাঁও পৰিবেশ। তাতকৈ দিল্লী বহুত বেছি ভাল। পৰিষ্কাৰ-পৰিচ্ছন্ন মসৃণ পথ। কলিকাতাৰ মানুহবোৰেও চাগে' একো ডিছিপ্লিন নাজানে। গোটেই চহৰখন কেনেকুৱা খিচিৰ-মিচিৰ হৈ থাকে।

কলিকাতাৰ আকাশ ডাৱৰীয়া। বৰষুণ নহ'লেই ৰক্ষা। বৰষুণে কলিকাতাক নৰকত পৰিণত কৰে।

এই, কলিকাতা পালোহি।

চকু মেলি নীৰেনে ঘড়িলৈ চালে।

হাতত তিনি ঘণ্টা সময় আছে। লাঞ্চ, মাৰ্কেটিং, তিনি ঘণ্টাতে শেষ কৰিব লাগিব।

মাৰ্কেটিং থাকক। নহ'লেও হ'ব।

ৰূপালীৰ কণ্ঠস্বৰত ফুটি উঠা প্ৰচণ্ড অভিমানৰ সুৰ নীৰেন দত্তই ধৰিব নোৱাৰিলে।

কিয়, কি হ'ল?

থাকক।



OKDISCD

ঠিক আছে। মোৰ কি!

দমদম বিমান বন্দৰৰ পৰা পাৰ্ক-ষ্ট্ৰিটলৈ যোৱাৰ পথত ৰূপালীয়ে মুখেৰে এটাও শব্দ উচ্চাৰণ নকৰিলে; যেন গভীৰ মনোযোগেৰে কিবা এটা চাই আছে, সেইদৰে চাই ৰ'ল বিশৃং-খল কলিকাতা চহৰ।

নীৰেন দত্তই ছিগাৰেট এটা জ্বলাই আপোনমনে কি জানো ভাবি গ'ল; যেন দুজন অচিনাকি যাত্ৰীয়ে পাৰ্কষ্ট্ৰিট অভিমুখী এখন টেক্সি একেলগে ভাৰাত লৈছে।

গেষ্ট হাউছত আৰু কোনোবা দুটা ফেমিলি আছে। ৰূপালীহঁত সোমাই যোৱাৰ লগে-লগেই দুয়োটা ফেমিলি কৰবালৈ দুৰাদুৰিকৈ ওলাই গ'ল। হয়তো ক'ৰবাত ছিনেমাৰ প্ৰগ্ৰেম আছে।

ৰূপালীৰ ক'লৈকো ওলাবৰ মন নগ'ল।

লাঞ্চৰ কাৰণে বাহিৰলৈ যাবা নে? নীৰেন দত্তই সুধিলে।

ইয়াত একো নহ'ব নেকি?

অৰ্ডাৰ দিব লাগিব।

ৰূপালীক একো নোসোধাকৈয়ে নীৰেন দত্তই কি জানো অৰ্ডাৰ দি আহিল।

খিৰিকিৰে ৰূপালীয়ে বাহিৰলৈ চালে। সুন্দৰ ল'কেশ্যন। সন্মুখত পাৰ্কষ্ট্ৰিটৰ ওপৰেৰে গাড়ীৰ চলমান শাৰী; কোনোবা বিদেশী ছিনেমাত দেখা ব্যস্ত বিদেশী চহৰৰ দৃশ্য যেন লাগে।

পৰিষ্কাৰ পৰিচ্ছন্ন এয়াৰ কণ্ডিশ্যনড কোঠালি। বিচনাত পাৰি থোৱা বগা চাদৰে জকমক কৰিছে। খিৰিকিত ওলমি থকা ডাঠ সেউজীয়া পৰ্দা টানি দিলে ৰূপালীয়ে। মৃদু আন্ধাৰত ডুব গ'ল কোঠালিৰ পৰিৱেশ।

পিন্ধি অহা পাটৰ মেখেলা-চাদৰ চেঞ্জ কৰি ৰূপালীয়ে এৰি দিলে অভি-মানী শৰীৰ ডানলপৰ কোমল বিচনাত।

লাঞ্চৰ পাছত পেপাৰ এখন মেলি লৈ বিচনাত পৰিল নীৰেন দত্ত।

ৰাতি ট্ৰেইনত ভালদৰে শুবলৈ নাপাবা। এতিয়া অলপ ৰেষ্ট লৈ লোৱা। কাগজৰ পৰা মূৰ নোতোলাকৈ নীৰেনে ক'লে।

ৰূপালীৰ কবৰ মন গ'ল—মোৰতো একো ভাগৰ লগা নাই। ৰে'ষ্ট লোৱাৰ প্ৰয়োজন নাই। নকলে।

বিয়াৰ আগৰ সেই নীৰেন, বিয়াৰ পাছত যেন অন্য এক মানুহ।

বিয়াৰ পাছত প্ৰতিজন মানুহ চাগে' পৰিবৰ্তিত হয় দুজন ভিন্ন পুৰুষলৈ; এজনক জানে মাথো বাহিৰৰ মানুহে আৰু এজনক অকল বিবাহিতা স্ত্ৰীয়ে।

নীৰেনলৈ চালে ৰূপালীয়ে।

কোনো কোনো মানুহৰ বাবে চাগে' বিয়া এক সামাজিক প্ৰয়োজন; ব্যক্তিগত নহয়। এনেকুৱা মানুহৰ বাবে 'বিয়া'ৰহে প্ৰয়োজন, নাৰীৰ নহয়।

বিয়াৰ দুসপ্তাহ পাছতো নীৰেনৰ সৈতে প্ৰকৃতাৰ্থত ৰূপালীৰ কোনো শাৰীৰিক সম্বন্ধ নহ'ল। বন্ধু-বান্ধৱ, মা-দেউতা সকলো থকাৰ সময়ত নীৰেনৰ মুখত কোনো অস্বাভাৱিকতা নাই, মুখৰ হাঁহিত যেন সদ্য-বিবাহৰ সুখৰ স্পৰ্শ।

পৃথিৱীৰ কোনেও নাজানিলেও ৰূপালীয়েতো জানে সিহঁতৰ বৈবাহিক জীৱনৰ গোপন ৰহস্য।

বিয়াৰ পাছৰ প্ৰতি নিশা শুবৰ সময়ত ৰূপালীয়ে প্ৰতিটো মুহূৰ্তত উৎসুকতাৰে অপেক্ষা কৰিছে,— এই যেন এই মুহূৰ্তত কিবা এটা উন্মত্ত সুন্দৰ ঘটনা সংঘটিত হ'ব; ছোৱালী হৈ বিয়াৰ পাছতো প্ৰথম প্ৰথম কিবা এটা ইনিছিয়েটিভ লবলৈ বেছিভাগ নাৰী দ্বিধাগ্ৰস্ত; তথাপি নিজেই ৰূপালীয়ে খুব সন্তৰ্পণে বহুখিনি আগ-বাঢ়ি গৈছে ইংগিতময় পথেৰে। কিবা যেন আড়ষ্টতা নীৰেনৰ সঁহাৰিত; ৰূপালীৰ বহুত আগতেই নিদ্ৰামগ্ন নীৰেন দত্ত।

তথাপি অসুখীতো নহয় নীৰেন দত্ত। তেনেকুৱা মানুহৰ বাবে নাৰীৰ ওচৰৰ পৰা বিচাৰিবলৈ যেন একো-ৱেই নাই। অথচ বিয়াৰ মুহূৰ্তত কি অনন্ত সম্ভাৰ লৈ এজনী নাৰী কাষ চাপি আহে পুৰুষৰ।

গভীৰ অতৃপ্তিৰে ৰূপালীয়ে এই কেইদিনতে অনুভৱ কৰিলে এজন পুৰুষে এজনী নাৰীক কিমানখিনি দিব পাৰে আৰু শৰীৰৰ আনন্দ কিমান তীব্ৰ হ'ব পাৰে, সেই কথা হয়তো নীৰেনৰ পৰা ৰূপালীয়ে কেতিয়াও জানিব নোৱাৰিব।

অথচ বিয়াৰ সেই আগৰ দিন কেইটা—। ৰূপালী যেতিয়া চাহ-বাগানৰ বাংলোত—। বাহিৰৰ চাহ-গছৰ পাতে-পাতে যি মুহূৰ্তত ধীৰে-ধীৰে বৈ গৈছিল ৰাতিৰ বতাহ—। ৰূপালীয়ে ভাবিছিল এটি সদ্য প্ৰস্ফুটিত শুভ্ৰ ফুলৰ দৰে তাইক শান্ত, সুন্দৰ-ভাৱে গ্ৰহণ কৰিব নীৰেনে; স্বপ্নময় স্থবিৰ অথচ উত্তাল তৰংগময় হ'ব সেই নিবিড় মুহূৰ্ত।

প্ৰচণ্ড অভিমানত ৰূপালীয়ে পঢ়ি থকা কাগজখন নীৰেনৰ হাতৰ পৰা দলিয়াই দিলে।

কি কৰিছা? পঢ়িবলৈ দিয়াচোন।

নালাগে পঢ়িব।

নীৰেনে কিবা এটা অনুমান কৰাৰ আগতেই ৰূপালীয়ে অভিমানী মুখ গুজি দিলে নীৰেনৰ বুকুত।

কি হ'ল তোমাৰ?

চেপি ৰখা অভিমানত ৰূপালীৰ শৰীৰ বৈ বৈ আন্দোলিত।

নীৰেনৰ সোঁহাত ৰূপালীৰ পিঠিত। কিয় জানো ৰূপালীৰ ভাব হ'ল উষ্ণতাৰ পৰিবৰ্তে কি অদ্ভুত শীতল সেই স্পৰ্শ।

নীৰেন দত্ত কিজানি জীৱনত কেতিয়াও কোনো কথাত ৰিস্ক লোৱাৰ পক্ষপাতী নহয়। সন্ধিয়াৰ ট্ৰেইনৰ বাবে হাওড়া ষ্টেছনলৈ আধা ঘণ্টা আগতে ওলালেই হয়; নীৰেনে তাগিদা দিলে ডেৰ ঘণ্টা আগৰ পৰা।



সোনকালে ওলোৱা। ট্ৰেফিক জামৰ বাবে ট্ৰেইন মিছ হ'লে দিগদাৰ হৈ যাব।

হওক দিয়া মিছ। ইমান আগতে গৈ ষ্টেছনত বৈ থাকিবলৈ মোৰ অসহ্য লাগে।

ফাৰ্ষ্ট ক্লাছত ৰিজাৰ্ভেশ্যন কৰা আছিল। কোনো অসুবিধা নহ'ল।

হাওড়া ষ্টেছনৰ কোলাহল এৰি অহাৰ পাছৰ পৰাই খিৰিকিৰে ৰূপা-লীয়ে চাই ৰ'ল পিছলৈ গুচি যোৱা পুৰণি বিল্ডিং, পাত নোহোৱা গছ আৰু কলিকাতাৰ ধোৱাময় আকাশ।

চলমান ট্ৰেইনৰ ছন্দময় ধ্বনিত প্ৰতিটো মুহূৰ্ততে পিষ্ট ৰাতিৰ নৈশব্দ।

তুমি শোৱা, মই অলপ খিৰিকিৰ কাষত বহিছোঁ।

ৰূপালীয়ে ক'লে নীৰেনক।

অফিছত খবৰ দিয়া আছিল। ভুবনেশ্বৰ ষ্টেছনৰ বাহিৰতে অপেক্ষাৰত ক'ম্পেনিৰ গাড়ী।

পাৰাদ্বীপ মাথো দুঘণ্টাৰ পথ। পোনে পোনে পাৰাদ্বীপলৈ যাওঁ বলা। ইয়াত মিছামিছি বৈ লাভ নাই। —নীৰেনে ক'লে।

বলা।

বাহিৰত প্ৰভাতী ৰ'দ। দোকানৰ ছাটাৰ এতিয়াও খোলা নাই। নিদ্ৰা-লস শৰীৰ দুয়োজনে এৰি দিলে গাড়ীৰ ছিটত।

কিবা খোৱা বস্তু লৈ যাব লাগিব নেকি? ঘৰত কিবা থাকিব জানো? —ৰূপালীয়ে সুধিলে।

অৰুণাভে যোগাৰ কৰি ৰাখিছে নিশ্চয় কিবা।

বিদ্যুত চমকৰ দ'ৰে ৰূপালীয়ে নীৰেনৰ মুখৰ ফালে চালে।

কোনে!

অৰুণাভ চৌধুৰীয়ে। সেই যে কৈছিলো মোৰ কলিগ ···

মুহূৰ্তৰ বাবে ৰূপালীৰ সমগ্ৰ শৰীৰৰ ওপৰেৰে বৈ গ'ল সেই সংগোপন নিশাৰ স্মৃতিৰ স্পৰ্শ।

নব জীৱনৰ প্ৰাৰম্ভত কোনো কোনো স্মৃতি পাহৰাৰ প্ৰয়োজন। ৰূপালীৰ বাবে অৰুণাভ তেনে এক স্মৃতি যাক স্বইচ্ছাৰে তাই ঠেলি দিছিল পাহৰণিৰ গৰ্ভলৈ।

নীৰেন দত্তই জানে নে ৰূপালীৰ শৰীৰত অৰুণাভ নামৰ কাৰোবাৰ স্পৰ্শৰ স্মৃতি এতিয়াও লাগি আছে?

খুব সন্তৰ্পণে ৰূপালীয়ে নিৰীক্ষণ কৰিলে নিদ্ৰালস নীৰেনৰ মুখ।

নাই, অভিব্যক্তিবিহীন।

বুকুৰ ভিতৰত এক গোপন উৎ-কণ্ঠাৰে ৰূপালীয়ে অপেক্ষা কৰিলে পাৰাদ্বীপ পোৱাৰ মুহূৰ্তলৈ।

গাড়ীৰ পিছৰ ছিটত নীৰেন গভীৰ টোপনিত মগ্ন। খিৰিকিৰে ৰাতিপুৱাৰ ৰ'দ আহি মুখত পৰিছে।

বহুত দূৰৈৰ পৰাই ৰূপালীৰ দৃষ্টিগোচৰ হ'ল পাৰাদ্বীপৰ সাগৰ। বোম্বেৰ জুহু বিচ, মেৰিন ড্ৰাইভত এক্সকাৰছনলৈ যাওঁতে ৰূপালীয়ে প্ৰথম সাগৰ দেখিছিল। মাত্ৰ যোৱা বছৰ দেউতাকৰ লগত চাই গৈছে কন্যা-কুমাৰীৰ সমুদ্ৰৰ বুকুত থকা বিবেকা-নন্দ ৰক মেম'ৰিয়েল।

তথাপি সমুদ্ৰৰ কিবা এক সৌন্দৰ্য আছে। আদিগন্ত বিস্তৃত উৰ্মিময় সমুদ্ৰ দেখি বহুত সময়ৰ মূৰত ৰূপালীৰ মনটো অলপ ভাল লাগি গ'ল।

সমুদ্ৰ তীৰত চকুত পৰিল ছমহলীয়া বিল্ডিং তিনিটা। সেই তিনিটাৰে কোনোবা এটা হ'ব। কোনো কোনো বেলকনিত থিয় হৈ আছে নাৰী-পুৰুষ। তাৰেই কোনোবা এজন হয়তো অৰুণাভ হ'ব। অৰুণাভে এতিয়াও বিয়া কৰোৱা নাই কিয়!

পাৰাদ্বীপ পালোহি।

চকু মেলি চালে নীৰেনে।

সেই যে শেষৰ বিল্ডিংটো। ফ'ৰ্থ ফ্ল'ৰ। কেনেকুৱা লাগিছে?

ভালেই।

ৰূপালীয়ে চাবলৈ চেষ্টা কৰিলে বেলকনিত কোনোবা আছে নে নাই।

গাড়ী দেখিয়েই ওপৰৰ পৰা নামি আহিল সুকান্ত। সলজ্জ হাঁহিৰে নমস্কাৰ কৰিলে।

চাহাব আছে নে নাই? নীৰেন দত্তই সুধিলে।

আছে, এই উঠিছে।

সুমন্তই লাগেজ ওপৰলৈ লৈ গ'ল।

চিৰিৰে ওপৰলৈ উঠিল নীৰেন দত্ত আৰু ৰূপালী। বাকী বিল্ডিঙৰ বেলকনিৰ পৰা উৎসুকতাৰে কেইবা-জনেও দৃষ্টি নিক্ষেপ কৰিছে। দুই নম্বৰ বেলকনিৰ দাস চাহাব ডিউটিলৈ যাবৰ বাবে নামি আহি গাড়ীত উঠিছে।

নক কৰি দুৱাৰ খুলি দিলে নীৰেন দত্তই নিজে।

ৰূপালীৰ ফালে চাই অৰুণাভে ক'লে,— স্বাগতম পাৰাদ্বীপলৈ।

মুহূৰ্তৰ বাবে অৰুণাভে চাই ৰ'ল ৰূপালীৰ চকুলৈ। চকুত স্মৃতিৰ চিহ্ন থাকে।

ৰূপালীয়েও চালে অৰুণাভলৈ।

কিয় জানো দুয়োজনে সেই মুহূৰ্তত একেটা সিদ্ধান্তকে ল'লে: দুয়ো অপৰিচিতৰ দৰে আচৰণ কৰিব।

নীৰেন দত্তই চিনাকি কৰি দিলে, —এয়া অৰুণাভ চৌধুৰী, এয়া ৰূপালী।

একেসময়তে দুয়োজনে সংলগ্ন হাত ওপৰলৈ তুলিলে।

ৰিগৰ খবৰ কি? নীৰেনে সুধিলে।

লাহে-লাহে সেই চব হ'ব। ফ্ৰেছ হৈ লওকছোন। মই কিন্তু আজি ভুবনেশ্বৰলৈ যাম। আপোনালোকক অনা গাড়ীখনতে। পোন্ধৰ দিনৰ অফ।

অৰুণাভৰ ফালে ঘূৰি চালে ৰূপালীয়ে।

জোৰ কৰা সত্ত্বেও অৰুণাভ নৰ'ল। হাতত ব্ৰিফকেছ লৈ ব্ৰেকফাষ্টৰ পাছতে অৰুণাভ আহি গাড়ীত উঠিল।

ছি অফ কৰিবৰ বাবে চিৰিৰে তললৈ নামি আহিল নীৰেন দত্ত। চলন্ত গাড়ীয়ে টাৰ্নিং লবৰ সময়ত

৪৭ পৃষ্ঠাত চাওক

# অসমীয়া ভাষা পৰিষ্কাৰকৈ লিখা আৰু কোৱা (আঠ)

ড° মহেশ্বৰ নেওগ

## সুৰীয়া মাত

'অ' মোৰ সুৰীয়া মাত,/অসমৰ. সুৰদি মাত,/পৃথিৱীত ক'তো বিচাৰি নোপোৱা/জনমটো কৰিলেও পাত।' —এই বুলি লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষাৰ বিশেষ এটি মিঠা গুণৰ প্ৰশংসা কৰিছে।

অসমীয়া ভাষা কওঁতে লগোৱা সুৰ বা শব্দবোৰ আৰু শব্দৰ অন্তৰ্গত বৰ্ণবোৰত দিয়া উচ্চাৰণৰ হেঁচা (tone) অনুসৰি বাক্যবোৰৰ অৰ্থ নিৰূপিত হয়। কোনোটো অৰ্থত গুৰুত্ব আৰোপ কৰা বা 'জোৰ দিয়া' হয়, কোনোটো কথাত মৰমৰ বা সন্মানৰ ৰহণ দিয়া হয়। সেই অনুসৰি উচ্চাৰণৰ পাৰ্থক্য ঘটে। এটা সাধাৰণ বাক্য লওঁ:

মই তোমাৰ ঘৰলৈ যাম।

এই বাক্যটো কওঁতে কোনটো শব্দত হেঁচা পৰে, সেই অনুসৰি তাৰ অৰ্থও হয়।

কঃ মই তোমাৰ ঘৰলৈ যাম।
খঃ সঁচানে? যাবানে?
কঃ সঁচা। মই যামেই। মই তোমাৰ ঘৰলৈ যাম।
খঃ তুমি যাবা? তুমিয়ে যাবানে?
কঃ অঁ, মই যাম। মই তোমাৰ ঘৰলৈ যাম।
খঃ আমাৰ ঘৰলৈ যাবা?
কঃ অঁ, তোমাৰ ঘৰলৈকে যাম। মই তোমাৰ ঘৰলৈ যাম।
খঃ আমাৰ ঘৰলৈকে যাবানে?
কঃ অঁ, তোমাৰ ঘৰ পৰ্যন্ত যাম। মই তোমাৰ ঘৰলৈ যাম।

বাক্যটোৰ চাৰিটা শব্দ। সিহঁতত সুকীয়া সুকীয়া হেঁচা পৰি চাৰি ধৰণৰ অৰ্থ হৈছে। আৰু এটা বাক্য লওক: আৰু তাক সুৰ বদলাই উচ্চাৰণ কৰকচোন:

তুমি আমাৰ ঘৰলৈ যাবা। (সাধাৰণ উক্তি)
তুমি আমাৰ ঘৰলৈ যাবা? (প্ৰশ্ন)
তুমি আমাৰ ঘৰলৈ যাবাঁ। (অনুজ্ঞা) (আদেশ)
তুমি আমাৰ ঘৰলৈ যাবাঁ (দেই)। (অনুজ্ঞা) (অনুৰোধ)
তুমি আমাৰ ঘৰলৈ যাবা! (আশ্চৰ্য) (ইতিকিং)

কোনোবাই কাৰোবাক কিবা এটা কাম কৰিবলৈ ক'লে, ইজনে 'ভাল' বা 'বাৰু' বুলি শলাগে; কিন্তু সুৰ অনুসৰি এই 'ভাল' বা 'বাৰু'ৰো মাত্ৰা সুকীয়া সুকীয়া হয়।

তুমি কামটো কৰিবাঁ দেই।
ভাল/বাৰু (মই কামটো কৰিম)। (গ্ৰহণ)

ভাল/বাৰু (চোৱা যাব)। (অনিচ্ছাৰে শলাগ)
ভাল/বাৰু (মইনো কৰিমনে?)।
ভাল/বাৰু (কৰা হ'ব অৰ্থাৎ নহ'ব)।

আনৰ উক্তিৰ সমৰ্থনতো শলাগৰ সুৰ সুকীয়া সুকীয়া হ'ব পাৰে:

সদানন্দ বৰ ভাল মানুহ।
—হয় (= সঁচা কথা)।
—হয়? (হয়নে?)
—হয়? (হয় জানো?)
—হয়! (ইতিকিং।)

হেঁচা অনুসৰি একেটা বাক্যৰে বিবিধ অৰ্থ হ'ব পাৰে।

তই এই কাম কৰিলি? (ইমান ডাঙৰ কাম)
তই এই কাম কৰিলি? (ইমান বেয়া কাম)

জটিল বাক্যত হেঁচা কেনে বিভিন্নভাৱে পৰে মন কৰিব লগীয়া:

তই এনে অপকৰ্ম কৰিবি আমাৰ মনে-ঘৰেও নাছিল।

তইযে এনে অপকৰ্ম কৰিবি আমাৰ মনে-ঘৰেও নাছিল।

তই/তইযে এনে অপকৰ্ম কৰিবি, সেই কথা আমাৰ মনে-ঘৰেও নাছিল।

আমাৰ মনে-ঘৰেও নাছিল (যে) তই এনে অপকৰ্ম কৰিবি।

ভাব-বোধক অব্যয়ৰ য'ত প্ৰয়োগ হয়, তাত তাৰ উচ্চাৰণতে ভাবটোৰ প্ৰকাশ হয়:

হায় হায়, মোৰ কি হ'ব এতিয়া!
দেহি ঐ/আই ঐ দেহি/দেহি ডুখৰি, তাই চাগৈ কিমান জীয়াতু ভুগিছে।

আই ঐ দেহি, এইটোলৈ মোৰ এপাচিমান মৰম লাগে। (মৰম)
আই ঐ, সৌটো বাঘ ঐ। (ভয়)
আই ঐ, বুঢ়ীজনীৰ মুখখন পকা থেকেৰাটোহে যেন। (সৌন্দৰ্য-বোধ)
আঃ, আমনি কৰি নাথাক। (বিৰক্তি)

সন্দেহ-বোধক অব্যয়ৰ মাজেদি সন্দেহৰ ভাব উচ্চাৰণত ধ্বনিত হয়

যদি বাপেৰ নাহে, ৰাতি তোক কোনে ৰখিব!
জানোচা বাপেৰ আহি নাপায়!

অনুৰোধ বুজোৱা 'দেই', 'যেন'ৰ লগত উচ্চাৰণৰ এটি লয় থাকে:

মোৰ বিয়ালৈ তুমি আহিবাঁ দেই। দেইবাঁ।
আপুনি মোৰ বিয়ালৈ আহিব যেন।





# জন জাতীয় সংস্কৃতিত তিতা লাও

উপেন ৰাভা হাকাচাম

তিতা লাও (ইংৰাজীত bitter gourd) এবিধ লাৱেই, কিন্তু ই পাচলি হিচাপে ব্যৱহৃত নহয়, কাৰণ ইয়াৰ সোৱাদ তিতা আৰু বস্তুটো কিছু পৰিমাণে বিষাক্তও। হলেও, জনজাতীয় বিভিন্ন গোষ্ঠীত ইয়াৰ আদৰ এই বাবেই বেছি যে তেওঁলোকে ইয়াৰ শুকান খোলক (কোৰোকা) পাত্ৰ হিচাপে ব্যৱহাৰ কৰে। ই ঠুনুকা নহয় বাবে বহুদিন টিকে। (কথিত আছে ই হেনো ঈশ্বৰপ্ৰদত্ত। মানুহে সজা সকলো পাত্ৰ কালত ক্ষয় যায়, ই কিন্তু মুঠেই ক্ষয় নাযায়। যিমানে পুৰণি হয় সিমানে ইয়াৰ উজ্জলতা বাঢ়েহে।) অন্যান্য পাত্ৰত তুতিয়া আদিয়ে দাগ পেলায়; ইয়াত কোনো জৈৱিক বা অজৈৱিক পদাৰ্থই দাগ পেলাব নোৱাৰে। পাতল বাবে এনে পাত্ৰ অ'লৈ ত'লৈ কঢ়িয়াই নিয়াত সুবিধা।

অসমীয়াৰ অজনজাতি সমাজত মান আৰু ব্যৱহাৰৰ ফালৰপৰা একোখন শৰাইৰ যিম... প্ৰাধান্য, জনজাতি সমাজত একোটা তিতালাওৰ সেই একেই প্ৰাধান্য। ই মদ বা পানীৰ পাত্ৰ, নৈবেদ্য-পাত্ৰ, থাপনাৰ আসন, সন্মান আৰু আধিপত্যৰ প্ৰতীক, গৃহ সজ্জাৰ সামগ্ৰী আৰু উপহাৰৰ পাত্ৰ। মুঠতে তিতা লাওক বেঢ়ি এক জন জাতীয় সংস্কৃতিয়ে ঠন ধৰি উঠিছে।

জনজাতীয়সকলে তিতালাওৰ খেতি কৰে। তাৰ ফলবোৰক (কাৰবি—'বংথে', তিৱা—হেথে, ৰাভা—ব্ৰেক্থে, গাৰো—থেফং, বড়ো—লাও থাই) যত্ন সহকাৰে পকিবলৈ দি সংগ্ৰহ কৰে। তাৰ পাছত কোনোকোনোৱে পানীত গোৰাই, কোনোকোনোৱে নিমখ সানি পচাই শাহ আৰু গুটিবোৰ উলিয়াই পেলায়। তাৰ পাছত শুকান আৰু কটকটীয়া খোলাটো প্ৰয়োজনসাপেক্ষে বিন্ধা দি পাত্ৰ হিচাপে ব্যৱহাৰৰ উপযোগী কৰি সাজি উলিয়ায়। সাধাৰণতে জুলীয়া বস্তু পানী, মদ আদি থবলৈ নতুবা পৰিবেশন কৰিবলৈ ইয়াক ব্যৱহাৰ কৰা হয়। কিছুমানে কেঁচা অৱস্থাতে বাকলিৰ ওপৰত ছবি আঁকবাঁক কৰি নিজ-নিজ ঐতিহ্য পৰম্পৰাৰ চানেকি দাঙি ধৰে। কিছুমানে তাৰ ওপৰত বেত নতুবা ওদাল গছৰ শুকান বাকলিৰে বৰতি দি ধৰাৰ সুচল কৰি লয়।

তিতালাওৰ বহুল ব্যৱহাৰ অসমৰ অন্যতম জনগোষ্ঠী কাৰবিসকলৰ মাজত এতিয়াও আছে। তেওঁলোকে মদৰ বাবে 'হৰবং' আৰু পানীৰ বাবে 'লাংবং' ব্যৱহাৰ কৰে। লাংবং হৰবঙতকৈ আকৃতিত ডাঙৰ। ৰাভাসকলে পানী থবলৈ 'ৰাবু' আৰু মদ থবলৈ 'ব্ৰেক' ব্যৱহাৰ কৰে। তিৱাসকলে মদৰ বাবে 'জুলাও' আৰু পানীৰ বাবে 'তিলাও' ব্যৱহাৰ কৰে! গাৰোসকলে 'ফং', বড়োসকলে 'লাও-থাই', ডিমাছাসকলে 'দিমাই', 'জুলাও থাই' আৰু মাৰ, মিজোসকলে 'তুই-উম্' ব্যৱহাৰ কৰে। এই নামবোৰ বিভিন্ন হ'লেও আচলতে পাত্ৰবোৰ প্ৰাকৃতিক বাবে একে গঢ়ৰে হয়। ইয়াৰ উপৰিও নিমখ বা খাৰ থবলৈ লাওৰ খোল ব্যৱহাৰ কৰা হয়।

তিতালাওৰ ব্যৱহাৰ আৰু আকৃতিলৈ চাই কাৰবিসকলে ইয়াৰ চাৰিটা নাম দি লৈছে। তাৰে সামান্য বিৱৰণ দাঙি ধৰা হ'ল।

(ক) লাংবং: ই এবিধ বৃহদাকৃতিৰ ছুটা কন্দযুক্ত তিতালাওৰ খোল। ই ওখই ৯/১২ ইঞ্চি আৰু ব্যাসে ৫/৭ ইঞ্চি হয়। ইয়াৰ পাচঁটা অংশ থাকে: (১) বং-আচেতে (তলি বা নাভি) (২) বং-আপক্ (পেট), (৩) বং-আচেথক্ (ডিঙি), (৪) বং-আফু (মুৰ) আৰু (৫) বং-আংহ' (মুখ)। এইবোৰৰ ভিতৰত বং-আপক অৰ্থাৎ পেটৰ ভূমিকাই মুখ্য। ই গোটেই ফলৰ প্ৰায় আধা অংশ আগুৰি আছে। ইয়াতে পনীয়া বস্তু থোৱা হয়। বং-আচেথক্ কিছু চিয়া বাবে ধৰিবলৈ সুচল হয়। ইয়াৰ বং-আফু ডোখৰো স্ফীত, প্ৰায় বং-আপকৰ দৰেই দেখি। তাৰ পাছত বং-আংহ'— অৰ্থাৎ মুখ। ইয়াক মুগুকোৱা অৱস্থাতে ঠাৰিৰ অংশইদি কাটি বিন্ধা কৰি লোৱা হয়। একেবাৰে তলিত থকা বং-আচেতে অংশ সামান্য পৰিমাণে ভিতৰলৈ সোমোৱা। সেয়ে বহুৱাই থলে পাত্ৰটো বাগৰি নপৰাকৈ থাকে। স্কুললৈ যাওঁতে আজিকালিৰ ল'ৰা-ছোৱালীক ফ্লাস্কত পানী ভৰাই পঠিওৱাৰ দৰে মাকহঁতে লাংবঙত পানী ভৰাই ল'ৰা-ছোৱালীক দিয়ে। নিজে খৰি সংগ্ৰহ কৰোঁতে নতুবা খেতি-খোলা কৰোঁতে সততে খাব পৰাকৈ হাকত (খাঙত) লাংবং থাকিবই। কাৰবি ডেকা-গাভৰুৰ কৃষি ব্যৱস্থাৰ সমবায়ী অনুষ্ঠান 'জিৰ কেদাম' পৰিচালনাৰ বাবে ক্লেংছাৰপ'ৰ (দলপতি) লগতে লাংবংপ' (পানী-বৰুৱা) নামৰ পদবীও থাকে। বৰ্তমানৰ বিজ্ঞানে গৰকা কাৰবি সমাজত যিকোনো পাত্ৰ বুজাবলৈ বং শব্দ (বং-এত— পিতলৰ গাগৰি, হৰবং— মদৰ বটল) ব্যৱহাৰ কৰা হৈছে।

(খ) বংলাংজাক: ইয়াত বং-আফু (মুৰ) অংশ বং-আচেথক (ডিঙি) লৈ ৰূপান্তৰিত হৈছে। বং-আচেথক কিছু বেঁকা আৰু ধৰিবলৈ সুচল থকা হাতনিৰ দৰে। বং-আপক অংশইদি এটা বিন্ধা থাকে। ওপৰছোৱাত বিন্ধা নাথাকে। ই ওখই ৮/১০ ইঞ্চি আৰু ব্যাসে ৫/৪ ইঞ্চি। সাধাৰণতে 'হৰলাঙ'ৰ (পোহন মদ) ৰস পাত্ৰৰ পৰা উলিয়াই আনোতে ইয়াক ব্যৱহাৰ কৰা হয়।

(গ) বংচিন: ই আকৃতিত বংলাংজাকৰ লেখীয়া; মাথোন বিন্ধাটো কাষত নাথাকি ওপৰ ছোৱাত থাকে। ডিঙি পোন। কাৰবি 'আদাম আচাৰ'



OKDISCD


(বিবাহ) অনুষ্ঠানৰ ই এটা অপৰিহাৰ্য সামগ্ৰী। ইয়াত বংলাংজাককেৰে মদ ঢালি পৰিপূৰ্ণ কৰি ইষ্টদেৱতাৰ থাপনাত অৰ্পণ কৰা হয়। বিবাহৰ বাবে কইনা খুজিবলৈ যাওঁতে (মোমায়েকৰ জীয়েকক) বংচিনত হৰলাং নিয়া নিয়ম। বংচিন দেখিলেই জনা উচিত— মোমায়েকে ভাগিনলৈ জীয়েকক দিবৰ সময় সমাগত হৈছে। তথাপি কাৰবি ৰীতি-নিয়মেৰে নজনাৰ ভাও ধৰি যথেষ্ট দীঘলীয়া উত্তৰ প্ৰত্যুত্তৰমূলক গাকগীতেৰে জানিবলগীয়াখিনি জানি লোৱা হয়, আৰু জনাব লগীয়াখিনি জনোৱা হয়। (অসমীয়া বিয়ানামৰ— "আমাৰে আইদেউ নিচেই কুমলীয়া / নিচেই কলপাতৰ থুৰি, আঁটিব নাজানে কঁকালৰ কাচুটি / মেলাব নাজানে চুলি।" —লেখীয়া) অৱশেষত বংচিনৰ হৰলাং মাননি হিচাপে গ্ৰহণ কৰা হয়। যি কোনো সম্ভ্ৰান্ত ব্যক্তিক সম্বৰ্ধনা জনোৱাত নতুবা আলহী অতিথিক মান-সৎকাৰ কৰাত 'কিমুণ্ড'ৰ (চুঙাত সিজোৱা মাংস) লগতে হৰবং একোটা লাগিবই; এয়া কাৰবিসকলৰ ৰীতি। বংচিনকে বহল অৰ্থত 'হৰবং' হিচাপে ব্যৱহাৰ কৰা হয়। ই বিবাহৰ পূজা মণ্ডপত সোঁ-ফালে দৰাৰ প্ৰতীক হিচাপে আসন পায়।

(ঘ) দাম দাম ঃ ই দেখাত লাংবঙৰ দৰে; কিন্তু অলপ চুটি আৰু সৰু; মূৰ আৰু পেটৰ অংশ প্ৰায় সমান বিবাহৰ পূজা-মণ্ডপত ই বংচিনৰ বিপৰীতে কইনাৰ প্ৰতীক হিচাপে বাওঁফালে আসন পায়। মোমায়েক নতুবা গাঁৱৰ মুখিয়াল লোকে বংচিন আৰু দাম্ দামক উদ্দেশ্য কৰি স্তুতি-নতিৰে নৱ দম্পতিৰ যুগ্ম জীৱনৰ সাফল্য কামনা কৰি, প্ৰতিটো পাত্ৰৰপৰা তিনিবাৰকৈ মদ মাটিলৈ অৰ্পণ কৰি 'শুভ-অশুভ' ফল চায়। যদি বাকি দিওঁতে মদ পোনে পোনে মাটিত পৰে তেন্তে ফল শুভ; আনহাতে বাকি দিওঁতে মুখৰ পৰা পেটেৰে নিগৰি নাভি অংশৰে বৈ পৰিলে ফল অশুভ। এনে ক্ষেত্ৰত বিবাহ বিচ্ছেদ নতুবা কাৰোবাৰ অকাল বিয়োগ ঘটে বুলি তেওঁলোকৰ বিশ্বাস।

[ ব্ৰেক (ৰাভা), ফং (গাৰো), লাওথাই (বড়ো-ডিমাছা) আদিৰ কিন্তু দুটাকৈ বিন্ধা থাকে। এটা কাষেদি; এইটোৰেদি পনীয়া বস্তুত পাত্ৰটো ডুবাই ভৰাব পাৰি। আনটো ওপৰ ছোৱাইদি; এইটোৰেদি ভিতৰৰ বায়ু ওলাই যাব পাৰে। (পনীয়া বস্তু ভৰাবৰ সময়ত)।]

প্ৰত্যেকটো জনজাতিৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক দিশত তিতলাওৰ ভূমিকা গুৰুত্বপূৰ্ণ। তিতালাওত বৈ লৈছে ইষ্টদেৱতা, পূৰ্বপুৰুষ, মৃতকৰ আত্মা, ভূত-প্ৰেত, অপদেৱতা আদিলৈ মদ অৰ্পণ কৰা নিয়ম। আলহী-অতিথিলৈ ঘৰতে বনোৱা হাড়িৰ মদ ভাঙিব লাগিলে, প্ৰথমতে তিতালাৱেৰে মদ উলিয়াই, তাৰে তিনিবাৰ বাঁওহাতেৰে পূৰ্ব-পুৰুষৰ মৃত ব্যক্তিক আৰু তাৰপাছত সোঁহাতেৰে ভঁৰাল ঘৰ নতুবা বৰঘৰৰ লাইখুটাত অৰ্পণ কৰিহে মান্যজনক সন্মানে আপ্যায়িত কৰা নিয়ম। মদ বিতৰণ কৰোঁতে সদায় জ্যেষ্ঠজনৰপৰা কনিষ্ঠজনলৈ দিয়াৰ নিয়ম; আৰু খাওঁতেও সদায় প্ৰথমে দিয়া মদ তিতালাওৰ মুখেদি বাকি আজিকালি বটলত বেচা চৰবত পিয়াদি পীবৰ নিয়ম। বাটি বা গিলাছত মদ বাকি খালে হেনো মদৰ পবিত্ৰতা ৰক্ষা নপৰে। বিবাহ-অনুষ্ঠানৰ বিভিন্ন স্তৰ,— কইনা চোৱা, জোৰণ (তেলৰ-ভাৰ), আঙঠি পিন্ধোৱা, বিয়াযাত্ৰা. আঠমঙলা (ঘৰফেৰনি) আদিত তিতালাও আৰু মদ অপৰিহাৰ্য। তিতালাওৰ পৰা মদ নিছিগা ধাৰে বহু নিলগৰপৰা পীব পৰাতহে পৌৰুষত্বৰ বাজিৰ পণ ধৰা হয়। তিতালাওৰ দ্বাৰা ভূত-প্ৰেতৰ উপদ্ৰৱৰপৰা হাত সাৰিব পাৰি বুলি বিশ্বাস কৰা হয়। ৰাভাসকলে পোহন মদ পোক আৰু প্ৰেতাত্মাৰপৰা ৰক্ষা কৰিবলৈ এঙাৰ ছুডোখৰৰ লগতে তিতালাওৰ খোল দুটা মদৰ হাড়ীৰ মোখনিৰ ওপৰত থৈ দিয়ে। মদ বনোৱা গীতত ইয়াৰ উল্লেখ এনেদৰে আছে ঃ

(১) বং-আচেতে (তলি বা নাভি) (২) বং-আপক্ (পেট), (৩) বং-আচেথক্ (ডিঙি), (৪) বং আফু (মূৰ) আৰু (৫) বং-আংহ' (মুখ)।






হাংগাৰ্ যোৰছা ৰাথুইতা—মেমাং গিয়জাৰ্না,
ব্ৰেক্ যোৰছা ৰাথুইতা— মিছি গিয়জাৰ্না
আণ্ডি চকো তানুকায় আনা?
কুবেং কুবেং দিয়ফাঙা।"

(সৰলাৰ্থ ঃ এঙাৰ এযোৰ দিছোঁ— ভূত-প্ৰেতে নাপাবলৈ; তিতালাও এযোৰ দিছোঁ— প্ৰেতাত্মাই নলজিবলৈ। মই বনোৱা মদৰপৰা প্ৰতিবাৰেই কেৱল টেঙা আৰু তিতা দুৰ্গন্ধ ওলায়!)

সামাজিক দায়-দোষ ভঙাবলৈ কাৰোবাক সন্তুষ্ট কৰিবলৈ, কাৰোবাৰ মন পাবলৈ তিতালাওৰ মদ এটোকেই যথেষ্ট। ঘৰুৱাভাৱে বনোৱা মদৰ সেয়ে বোধহয় অন্য এক জনপ্ৰিয় নাম— 'লাওপানী'। লাওপানীয়ে এতিয়া অকল তিতালাওৰ পানীকে নুবুজায়; কছিয়াৰ 'ভডকা'ৰ পৰা অৰুণাচলৰ 'আপঙ'লৈকে মেঘালয়ৰ 'ৎচু'-ৰ পৰা কোকৰাঝাৰৰ 'জো'লৈকে ই সকলোকে সামৰি লৈছে।

তিতালাৱে ঔষধৰো কাম কৰে। বহু জনজাতীয় লোকৰে বিশ্বাস যে গাত অকস্মাতে চকলা-চকলে খমলা বান্ধিলে (আমবাত হ'লে) তিতালাওৰ খোলত লোৱা পানীৰে ওদাল গছৰ শুকান বাকলি তিয়াই গোটেই গাত সানি দিলে, নতুবা কঁকালত বান্ধি থলে তৎকালে নিৰাময় হয়। অকস্মাতে পেটৰ কামোৰণি হ'লে বহুতে তিতালাওৰ পানী খায়।

কাৰবিসকলৰ বিবাহ-উৎসৱত গোৱা কাহিনী গীতত তিতালাওৰ উৎপত্তি আৰু প্ৰব্ৰজন সম্বন্ধে দীঘলীয়া বৰ্ণনা আছে। অসমীয়া লোকবিশ্বাসতো তিতালাৱে কিছুপৰিমাণে হ'লেও ঠাই লৈ লৈছে। অসমীয়া ফকৰা-যোজনা, প্ৰবচন আৰু বিভিন্ন গীত-মাতত তিতালাও আৰু টোকাৰীক (গোৱালপৰীয়া উপভাষাত-টোক্ৰা) লৈ আৰু ইয়াক ব্যৱহাৰ কৰা মানুহবোৰক লৈ কৰা কিছুমান মন্তব্য পোৱা যায়; যেনে— ভেটিত তিতালাও গজিব (সবংশে নিপাত হ'ব; তিতালাও বাৰীত গজা হেনো অমংগলৰ প্ৰতীক; মতান্তৰে —তিতালাওৰ খোলত মদ খোৱা হয় আৰু মদপী মানুহৰ অধঃপতন ঘটে); লাও লোৱা ভিকহু (যাৰ একো নাই —একমাত্ৰ সম্বল লাও অৰ্থাৎ ভিক্ষাৰ পাত্ৰ); লাও টোকোৰাৰ টিকাত পিন্ধা/আপোনাক এৰি পৰক নিন্দা (লাও টোকোৰাৰ টিকাত বিন্ধা থাকিলেও সচৰাচৰ আনৰ চকুত নপৰে; কিন্তু সি মূল্যহীন হৈ পৰে, যিহেতু তাত পানী নতুবা জুলীয়া বস্তু থলে ওলাই যায়। তেনেকৈ স্বভাৱতে আমিও আমাৰ নিজৰ দোষ সংশোধন নকৰি আনৰ দোষকহে গৰিহণা দিওঁ। লাও টোক্ৰা পানী নাই/আজি আছে কালি নাই (জীৱন ক্ষণ ভংগুৰ, সেয়ে জীয়াই থাকোঁতে খাই ল'ব লাগে) ইত্যাদি।

তিতালাও বা টোকোৰাৰপৰা সাজি লোৱা এডাল তাঁৰ থকা বাদ্যই হ'ল 'টোকাৰী'। সাপ নচুওৱা (সাপুৰিয়া) সকলেও টোকোৰা বা তিতালাওৰ পৰাই সাপৰ বশ কৰিবপৰা সুৰীয়া বাদ্যযন্ত্ৰ কালনাগিনী বাঁহীৰ সৃষ্টি কৰিছে।

তিতালাও অসমীয়া সংস্কৃতিত উপেক্ষিতা নহয়, এলাগীহে। এই এলাগীজনীক এতিয়া আমাৰ মাজৰ পৰা আঁতৰি যাবলৈ জানো দিব পাৰি?

৪৩ পৃষ্ঠাৰ পিছৰ পৰা

অৰুণাভে মাত্ৰ এবাৰৰ বাবে চাই পঠিয়ালে ওপৰলৈ ঃ বেলকনিত তেতিয়াও ৰূপালী থিয় হৈ আছে।

গোটেই দিনটো কিয় জানো ৰূপালীয়ে বুকুৰ ভিতৰত কিবা এটা অস্থিৰতা অনুভৱ কৰিলে।

দুপৰীয়া নীৰেন দত্ত অফিছলৈ গ'ল।

সন্ধিয়া পৰত ৰূপালী এনেয়ে ওলাই গ'ল নীৰেনৰ সৈতে বজাৰৰ ফালে।

কিবা মাৰ্কেটিং কৰিবা নেকি?

আজি থাকক। —ৰূপালীয়ে ক'লে।

সেইদিনা ৰাতি শোৱাৰ আগে-আগে বহুসময় ৰূপালী বহি থাকিল বেলকনিত। নিজৰ অস্থিৰতা ঢাকিবৰ বাবেই কিজানি তাই চঞ্চল হৈ উঠিল।

বাহিৰত শান্ত সমুদ্ৰৰ বতাহ। ইমান সম্মুখতে জ্যোৎস্নাস্নাত ৰূপালী সাগৰ!

অদূৰত ওপঙি আছে আলোকিত জাহাজ।

কোঠাত সোমাই ৰূপালীয়ে কাপোৰ সলাই পাতল নাইট গাউন এটা পিন্ধি ল'লে; গোলাপী ৰঙৰ। আয়নাৰ সম্মুখত বহি মুখত অলপ ক্ৰিম মাখিলে।

লাইটটো নুমুৱাই দিম?

ছুইচত হাত দি বিচনাত এনেয়ে বাগৰি থকা নীৰেনক সুধিলে ৰূপালীয়ে।

দিয়া।

পোন প্ৰথমবাৰৰ বাবে ৰূপালী দ্বিধাহীনভাৱে নীৰেনৰ ইমান কাষ চাপিল। বুকুত মূৰ থ'লে নীৰেনৰ।

অদ্ভুত কৌতূহলেৰে নীৰেনে লক্ষ্য কৰিলে ৰূপালীৰ ব্যৱহাৰ। ৰূপালীৰ কম্পিত হাতৰ স্পৰ্শ নীৰেনৰ শৰীৰত। কাষ চাপি অহা উষ্ণ ওঁঠ।

ঠিক সেই মুহূৰ্ততে—

নীৰেনৰ দ্বিধাগ্ৰস্ত হাতৰ স্পৰ্শ যেতিয়া ৰূপালীৰ অনাবৃত বুকুত। ঠিক সেই মুহূৰ্ততে ৰূপালীয়ে অনুভৱ কৰিলে এক অদ্ভুত আড়ষ্টতা। সেই আড়ষ্টতা ইমানেই সূক্ষ্ম যে নীৰেনৰ দৰে মানুহৰ সেইটো উপলব্ধি কৰাৰ সম্ভাৱনা নাই।

এনেকুৱা নিবিড় মুহূৰ্তত— যেতিয়া সময় হৈ যাব লাগিছিল স্তব্ধ, বহি, বিশ্ব হৈ যাব লাগিছিল অস্তিত্ববিহীন, ঠিক সেই মুহূৰ্তত···

ৰূপালীৰ মনত পৰিল অৰুণাভৰ কথা, আৰু মনলৈ আহিল শব্দ-বৰ্ণময় সেই স্মৃতি। তাই পুনৰ মূৰ থ'লে নীৰেনৰ বুকুত।

ৰূপালীৰ চকুলৈ যেন চকুপানীৰ ঢল নামি অহাৰ উপক্ৰম হ'ল।

[আগলৈ]




OKDISCD

# ডেভিছ কাপৰ ফাইনেলত ভাৰত
## অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে কৃতিত্বপূৰ্ণ জয়

যোৱাবাৰৰ বিজয়ী অষ্ট্ৰেলিয়াক পৰাজিত কৰি ভাৰতে ডেভিছ কাপৰ ফাইনেলত প্ৰবেশ কৰিছে। ভাৰতে এইবাৰেই প্ৰথমবাৰৰ বাবে অষ্ট্ৰেলিয়াক নিজৰ দেশতে পৰাজিত কৰিলে। ইয়াৰ আগতে ১৯৬৬ আৰু ১৯৭৪ চনত ভাৰতে ডেভিছ কাপৰ ফাইনেলত প্ৰবেশ কৰিছিল। ১৯৬৬ চনত ফাইনেলত অষ্ট্ৰেলিয়াৰ হাতত পৰাজিত হৈছিল আৰু ১৯৭৪ চনত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলাৰপৰা বিৰত আছিল। উল্লেখযোগ্য যে ১৯৬৬ চনত ৰমেশৰ দেউতাক ৰামনাথন কৃষ্ণনৰ প্ৰায় একক কৃতিত্বৰ বলতে ভাৰতে ফাইনেলত প্ৰবেশ কৰিছিল; অৱশ্যে জয়দীপ মুখাৰ্জী আৰু প্ৰেমজিৎলালেও ভাল খেলিছিল। ১৯৭৪ চনত পুনৰ ভাৰতে ছোভিয়েটত ইউনিয়নক ছেমি-ফাইনেলত পৰাজিত কৰিছিল তীব্ৰ উত্তেজনাপূৰ্ণ খেলত। সেই দিনা আনন্দ আৰু বিজয় ভাৰতীয় দলৰ মূলমন্ত্ৰ আছিল।

এইবাৰ ভাৰতে প্ৰথম দুখন ছিংগলছত জয়লাভ কৰি ডবলছত পৰাজিত হয় আৰু ৰিভাৰ্ছ ছিংগলছত ফিট্‌জেৰাল্ডৰ হাতত বিজয় পৰাজিত হয় ৭-৫, ৬-৩ আৰু ৬-৩ ছেটত। গতিকে ৰমেশ আৰু ৱালি মাছুৰৰ খেলখনত যিজন বিজয়ী হ'ব তেওঁৰ দেশেই ফাইনেলত প্ৰবেশ কৰিব,— এনে এটা অৱস্থাত ৰমেশে খেল আৰম্ভ কৰিছিল। অতি দক্ষতাৰে খেলি তীব্ৰ সংগ্ৰামৰ অন্তত ৰমেশে মাছুৰক পৰাজিত কৰে। এই জয় সম্পৰ্কে ৰমেশে কৈছে, "মাছুৰৰ বিৰুদ্ধে এই জয় মোৰ খেলুৱৈ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা। সংগ্ৰাম কৰিবলৈ এৰা নাছিলো;— নেট'ৰ ওচৰলৈ আগবাঢ়ি যাবলৈ ভয় কৰা নাছিলো।"

ৰমেশৰ সাফল্যৰ বিষয়ে তেওঁৰ দেউতাক ৰামনাথন কৃষ্ণনে কৈছে, "ডেভিছ কাপ হৈছে টিম গেম। ইয়াত এজন খেলুৱৈয়ে ব্যক্তিগত নৈপুণ্য দেখুৱাব পাৰে, কিন্তু অকলে এখন দেশক জিকাব নোৱাৰে। সেই বাবে মোৰ অভিনন্দন মাথোঁ ৰমেশলৈ নহয়, —গোটেই ভাৰতীয় দললৈ। কোনো সন্দেহ নাই এইটো এটা চমকপ্ৰদ সাফল্য। বিশেষকৈ ইয়াৰ বাবে অভিনন্দন জনাইছোঁ দলৰ অধিনায়ক বিজয় অমৃতৰাজক। বিজয়ে এই


ৰমেশ কৃষ্ণন

বয়সতো তেওঁৰ প্ৰথম মেচখন যি ধৰণে খেলিলে, তাৰ তুলনা নাই। ৪ অক্টোবৰৰ দিনটো ভাৰতৰ খেলা-ধূলাৰ ইতিহাসত এক স্মৰণীয় দিন হৈ থাকিব।"

"প্ৰচণ্ড হেঁচাৰ মাজতো ৰমেশৰ নিৰুদ্বেগ ভাবে বহুতকে আচৰিত কৰিছে। মই কিন্তু আচৰিত হোৱা নাছিলো; কিয়নো সৰুৰেপৰা ৰমেশৰ টেম্পাৰেমেণ্ট খুব ভাল। ক'ৰ্টত যিকোনো পৰিবেশতে তেওঁ নিৰ্বিকাৰ হৈ থাকিব পাৰে। মোৰ মতে ৰমেশৰ সাফল্যৰ মূলতে আছে তেওঁৰ অতি সুন্দৰ ফুটৱৰ্ক। ক'ৰ্টৰ ভিতৰত তেওঁৰ গতি আছিল সাবলীল, কিন্তু ফুটৱৰ্কক এই পৰ্যায়লৈ আনিবলৈ তেওঁ বহু দিন ধৰি কঠোৰ পৰিশ্ৰম কৰিছে। তেওঁৰ সেই পৰিশ্ৰম সাৰ্থক হোৱা বাবে পিতৃ হিচাপে মই আনন্দিত হৈছোঁ; আৰু বেছি আনন্দিত হৈছো এই কাৰণেই যে, উত্তম খেল প্ৰদৰ্শন কৰি তেওঁ ঠিক উপযুক্ত সময়তে নিজকে তুলি ধৰিছে। বহুতে মোক প্ৰশ্ন কৰিছিল যে, ছেমিফাইনেল মেচৰ বাবে মই ৰমেশক কিবা বিশেষ পৰামৰ্শ দিছিলো নেকি? মোৰ উত্তৰ হ'ল, —নাই দিয়া। ৰমেশ এতিয়া যথেষ্ট পৰিণত। নিজৰ ভাল বেয়াৰ বিচাৰ তেওঁ নিজেই কৰিব পাৰে।"

অহা ডিচেম্বৰৰ ১৮ তাৰিখৰ পৰা ২০ তাৰিখলৈকে গ'টেনবাৰ্গত ভাৰতে ছুইডেনৰ বিৰুদ্ধে ফাইনেল খেলিব।

## সংকটৰ মাজত বৰদলৈ ট্ৰফি

এইবাৰৰ বৰদলৈ ট্ৰফি ফুটবল প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিছে কলিকাতাৰ খিদিৰপুৰ ক্লাবে,— অসম ৰাইফলছক ফাইনেলত ২-১ গলত পৰাজিত কৰি। খিদিৰপুৰ ক্লাব "চেম্পিয়ন" হোৱাত এইবাৰৰ বৰদলৈ ট্ৰফিৰ মান কি পৰ্যায়ৰ হৈছিল এইটো কথা সহজেই অনুমান কৰিব পাৰি।

এইবাৰৰ প্ৰতিযোগিতাৰ কোনো এখন খেলতে দৰ্শকৰ সংখ্যা সন্তোষজনক হোৱা নাছিল। এই ফাইনেল খেলখনৰ দৰে ম্লান, উত্তেজনাবিহীন ফাইনেল খেল স্মৰণ কালত হোৱা নাই যেন লাগে। ফাইনেল খেল বুলিলে ৰাইজৰ মাজত যি আগ্ৰহ আগতে পৰিলক্ষিত হৈছিল এইবাৰ তাৰ অকণো দেখা নগ'ল। ভাৰতৰ এটাও প্ৰথম শ্ৰেণীৰ দলে এই প্ৰতিযোগিতাত ভাগ লোৱা নাছিল। এসময়ত থাইলেণ্ড, বাংলাদেশৰ দল, ইষ্ট বেংগল, মোহনবাগান, মহামেডান স্পৰ্টিং, পঞ্জাব আৰু গোৱাৰ শক্তিশালী দলসমূহৰ যোগদানৰ ফলত বৰদলৈ ট্ৰফিয়ে ভাৰতবৰ্ষত এক বিশেষ মৰ্যাদা লাভ কৰিছিল।

বৰদলৈ ট্ৰফি প্ৰতিযোগিতাৰ আজি এই দুখ লগা অৱস্থা কিয়? আমাৰ বোধেৰে আমাৰ ৰাজ্যৰ ফুটবল দলবোৰৰ অতি নিম্নমুখীমানৰ ফলত স্থানীয় দৰ্শকৰ কোনো "নিজৰ দল" নাই। ফলত দৰ্শকে ষাঠিৰ নাইবা সত্তৰৰ দশকত অসম পুলিছ, অয়ল ইণ্ডিয়া, গুৱাহাটী টাউন ক্লাব আদিক সমৰ্থন কৰিবলৈ যেনেকৈ ষ্টেডিয়ামলৈ গৈছিল, আৰু এই দলসমূহেও যেনেকৈ ৰাজ্যৰ বাহিৰৰ শক্তিশালী দলবোৰৰ লগত সমানে প্ৰতিদ্বন্দ্বিতা কৰিছিল, তাৰ দ্বাৰা বৰদলৈ ট্ৰফিৰ খেলসমূহ হৈ উঠিছিল প্ৰাণৱন্ত। অসমৰ প্ৰায়বোৰ ক্লাবে আৰ্থিক সংকটৰ মাজত কোনোৰকমে অস্তিত্ব ৰক্ষা কৰি আছে; উন্নতমানৰ প্ৰশিক্ষকৰ ব্যয় বহন কৰাৰ সামৰ্থ্য সেই ক্লাববোৰৰ নাই। কিন্তু অসম পুলিছ, অয়ল ইণ্ডিয়া নাইবা ৰাজ্যিক বিদ্যুৎ পৰিষদৰতো আৰ্থিক সংকটৰ প্ৰশ্ন নাই! এই ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষ কিয় উদাসীন? গুণী প্ৰশিক্ষক নিয়োগ, ভাল খেলিলে চাকৰিত প্ৰমোছন ইত্যাদি ব্যৱস্থা নকৰিলে উল্লিখিত দল কেইটাৰ অৱস্থা আৰু বেয়া হ'ব। সংশ্লিষ্ট কৰ্তৃপক্ষই এই দিশত নতুনকৈ চিন্তা-ভাৱনা কৰিব লাগে বুলি আমি ভাবোঁ।

যদি বৰদলৈ ট্ৰফিৰ খেলক ভাৰতৰ উল্লেখযোগ্য প্ৰতিযোগিতা বুলি বিবেচনা কৰা হয়, তেনেহলে পঞ্জাব, গোৱা আৰু কলিকাতাৰ দল, আৰু পূৰ্বৰ দৰে বিদেশৰ দল নহ'লে এই প্ৰতিযোগিতা অনাকৰ্ষণীয় হৈয়েই ৰ'ব। ৰ'ভাৰ্ছ, ডুৰাণ্ড আৰু আই. এফ. এ. শ্বিল্ডত ভাৰতৰ প্ৰথম শ্ৰেণীৰ দলসমূহে কি ধৰণৰ চৰ্তত খেলে সেই কথাটোও জানি লোৱা প্ৰয়োজন। কাৰণ অতীতত 'বিপুল অৰ্থ' দিয়াৰ ফলত ভাৰতৰ আন প্ৰথম শ্ৰেণীৰ প্ৰতিযোগিতাৰ যিবোৰ চৰ্ত প্ৰতিষ্ঠিত হৈছে, সেইবোৰৰ লগত আমাৰ চৰ্তৰ এটা বিৰাট ব্যৱধান ঘটিছে। ফলত বাহিৰৰ দলসমূহে নিজৰ ইচ্ছামতে দাম বঢ়ায়। এই ক্ষেত্ৰত অল ইণ্ডিয়া ফুটবল ফেডাৰেশ্যনৰ লগত আলোচনা কৰিলে ভাল হয়।

এইখিনিতে আৰু এটা প্ৰসংগ উত্থাপন কৰিব খোজোঁ। খেল উপভোগ কৰিবলৈ আহি দৰ্শকে নিৰাপত্তাৰ অভাৱ বোধ কৰিব, এনে ধৰণৰ ঘটনা প্ৰকৃত ক্ৰীড়ামুলভ নহয়। যিকোনো দৰ্শকৰ যিকোনো দলক সমৰ্থন কৰাৰ অধিকাৰ আছে। গতিকে ফুটবল প্ৰেমী ৰাইজৰ মনত আস্থা স্থাপন কৰাৰ ক্ষেত্ৰত কৰ্মকৰ্তাসকলৰ এটা গধুৰ দায়িত্ব আছে। এই শিতানত আমি আগতেও লিখিছোঁ, আৰু পুনৰায় উল্লেখ কৰোঁ খেল-পথাৰ হৈছে প্ৰেম, প্ৰীতি আৰু মিলনৰ তীৰ্থ স্থান। ট্ৰফি লাভ কৰা-নকৰাটো গৌণ। আমাৰ এই মুহূৰ্তত প্ৰয়োজনীয় কামটো হৈছে বৰদলৈ ট্ৰফিৰ পূৰ্বৰ সুনাম ঘূৰাই অনাটো। সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু ৰাইজৰ সহযোগিতাত এই কাম কৰাটো সম্ভৱ। —পুলক লাহিড়ী

* ১৬ আগষ্ট সংখ্যাৰ "হাইজাম্পত বিশ্ব অভিলেখ" শীৰ্ষক লেখাটোৰ ক্ষেত্ৰত লিখক গোকেশ্বৰ গগৈৰ নামটো ভুলক্ৰমে বৈ গৈছিল।

১১ পৃষ্ঠাৰ পিছৰ পৰা

কৰিব পাৰে। অৱসৰপ্ৰাপ্ত ন্যায়াধীশসকলৰ দ্বাৰা গঠিত আয়োগসমূহৰ প্ৰতিবেদন অগ্ৰাহ্য কৰাটোৱেই যথেষ্ট বেয়া কাম, কিন্তু কৰ্মৰত ন্যায়াধীশসকলৰ ক্ষেত্ৰত ই তাতোকৈ বেছি বেয়া কাম। আয়োগৰপৰা আদালতলৈ ঘূৰি যোৱাৰ পাছত ই তেওঁলোকৰ পদমৰ্যাদাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। যিহেতু আয়োগসমূহক চৰকাৰে বিপন্ন অৱস্থাৰপৰা নিজকে উদ্ধাৰ কৰিবলৈহে ব্যৱহাৰ কৰে, গতিকে অন্ততঃ কৰ্মৰত ন্যায়াধীশসকলৰ মৰ্যাদা যাতে হানি নহয়, তালৈ লক্ষ্য ৰখাটো বিশেষ প্ৰয়োজনীয়। তেওঁলোকক একেবাৰে নিযুক্তি নিদিয়াটোৱেই শ্ৰেষ্ঠতম উপায়।

এবাৰ এটা পৰামৰ্শ দিয়া হৈছিল যে এজন ৰাজনৈতিক নেতাৰ প্ৰতিকূলে (কোনো আয়োগে) মন্তব্য প্ৰকাশ কৰিলে তেওঁক এটা নিৰ্দিষ্ট সময়ৰ বাবে যিকোনো পদবী গ্ৰহণ অথবা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰপৰা বিৰত কৰা উচিত। কিন্তু এই পৰামৰ্শ মানি লৈ ইয়াক আইনত পৰিণত কৰা জম্মু আৰু কাশ্মীৰেই হ'ল একমাত্ৰ ৰাজ্য। জম্মু আৰু কাশ্মীৰৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী বকছি গোলাম মহম্মদক এক তদন্ত আয়োগে তেওঁৰ বিৰুদ্ধে প্ৰতিকূল মন্তব্য প্ৰকাশ কৰাৰ বাবে অযোগ্য বুলি ঘোষণা কৰা হয়। তেনেকৈয়ে, এজন চৰকাৰী চাকৰিয়ালৰ বিৰুদ্ধে যদি কোনো তদন্ত আয়োগে প্ৰতিকূল মন্তব্য প্ৰকাশ কৰে, তেনেহ'লে তেৱেঁ আপোনা-আপুনি তেওঁৰ পদটো হেৰুউৱা উচিত। কিন্তু শেষ কথাটো চৰকাৰে কোৱাৰ ব্যৱস্থা অব্যাহত আছে আৰু ৰাজনৈতিক হেঁচায়ো কাম কৰি আছে। এনে অৱস্থাত তদন্ত আয়োগ আইনখন এক সন্দেহজনক অস্ত্ৰ হৈ পৰিছে আৰু তদন্তসমূহৰ ওপৰত ৰাইজৰ আস্থাও হেৰাই গৈছে।

যোৱা এক দশকত প্ৰায় ১৫খন তদন্ত আয়োগ নিযুক্তি দিয়া হয়। সংখ্যাটো ডাঙৰ নহয়, কাৰণ স্বাধীনতাৰ প্ৰথম দুই দশকত প্ৰায় ৯৫খন আয়োগ গঠন কৰা হৈছিল। কিন্তু সেইসময়ৰ আয়োগসমূহ ৰাজনৈতিক পক্ষপাতিত্বৰপৰা মুক্ত আছিল। সেই আয়োগসমূহে সাধাৰণতে পুলিছৰ গুলীচালনা আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ বিষয়ে তদন্ত কৰিছিল। আজিকালি আয়োগসমূহ প্ৰায়ে কেৱল ৰাজনৈতিক লাভৰ বাবে গঠন কৰা হয়।

আনকি তেতিয়াও প্ৰায়বোৰ প্ৰতিবেদনেই মুলতুবী কৰি ৰখা হৈছিল। আৰু সেইবোৰৰ নেতৃত্ব কৰা ন্যায়াধীশসকল ক্ৰুদ্ধ হৈ পৰিছিল। কিন্তু তেতিয়া ভাৰতৰ মুখ্য ন্যায়াধীশসকলে ৰাজহুৱাভাৱে প্ৰতিবাদো কৰিছিল; তেওঁলোকৰে কেইগৰাকীমানে আনকি প্ৰতিবেদনসমূহ কামত ৰূপায়িত নকৰিলে ন্যায়াধীশ ধাৰলৈ নিদিয়াৰো ভাবুকি দিছিল।

তদন্ত কৰিবলৈ আয়োগ গঠন কৰা গোটেই প্ৰক্ৰিয়াটোক নতুন দৃষ্টিৰে চোৱাৰ সময় হৈছে।

## শিশু-বিজ্ঞান

এই মাহত ভাৰতত জন-বিজ্ঞান যাত্ৰা বোলা এক কাৰ্যসূচী আৰম্ভ কৰা হৈছে। এই কাৰ্যসূচীৰ থূলমূল উদ্দেশ্য হ'ল জন সাধাৰণৰ লগত বিজ্ঞানৰ সম্পৰ্ক ঘনিষ্ঠ কৰা, জনসাধাৰণক বিজ্ঞান সম্পৰ্কে অধিক সচেতন কৰা ইত্যাদি। বৰ্তমানে বিজ্ঞানৰ কীৰ্তি বিস্ময়কৰ; মানব জাতিলৈ আগবঢ়োৱা ইয়াৰ বৰঙণিৰ পৰিমাণ আৰু চৰিত্ৰও বিস্ময়কৰ। সাধাৰণ মানুহবো এক বৃহৎ অংশই বিজ্ঞানৰ বৰঙণি এটা নহয় এটা ৰূপত নিজ নিজ জীৱনৰ বৈষয়িক দিশত গ্ৰহণ কৰিছেই; তেনেস্থলত তেওঁলোকৰ মানসিকতা আৰু চিন্তাত বিজ্ঞানৰ প্ৰভাৱ পেলাবলৈ চেষ্টা কৰাটো যুক্তিযুক্ত কাম। বিজ্ঞানৰ জটিল তথ্য-সূত্ৰসমূহেৰে জনসাধাৰণক "শিক্ষিত" কৰাৰ প্ৰশ্ন নিশ্চয় এই কাৰ্যসূচীত উথাপিত হোৱা নাই; বিজ্ঞান আৰু সত্যৰ যি সম্পৰ্ক, সেই বিষয়ে তেওঁলোকৰ মনত শুদ্ধ চিন্তাৰ উদ্ৰেক কৰিবলৈ চেষ্টা কৰাহে এই কাৰ্যসূচীৰ মূল উদ্দেশ্য বুলি পৰিগণিত হোৱা উচিত।

এই বিচিত্ৰ দেশখনত এনে এক অভিযানে সতকাই শক্তি আৰু কৃতকাৰ্যতা আহৰণ কৰাটো বহু কাৰণত সম্ভৱ নহয়। যোৱা দুই অক্টোবৰৰ দিনা আৰম্ভ হোৱা এই অভিযানৰ কথা কাকতে-পত্ৰই যি পৰিমাণে পঢ়িবলৈ পোৱা যাব বুলি আশা কৰা হৈছিল, তাৰ তুলনাত এতিয়ালৈকে পঢ়িবলৈ পোৱাখিনি নগণ্য। অন্ততঃ এই "যাত্ৰা" প্ৰচাৰ মাধ্যমৰ কাৰণে সংসদী সদস্য, চলচিত্ৰ অভিনেতা সুনীল দত্তৰ অমৃতসৰ-যাত্ৰাতকৈ কম গুৰুত্বপূৰ্ণ হ'ব বুলি ধাৰণা কৰা নাছিলো। বোধকৰোঁ অভিযানটো বেয়া সময়ত পৰিল। দুৰ্গা পূজা, লক্ষীপূজা, দেৱালী, ৰিলায়েন্স কাপ, শ্ৰীলংকা, ফিজি, তিব্বত, ভেংকুভাৰ, ৰাজস্থানৰ সতী, —এইবোৰৰ উখল-মাখলত জনবিজ্ঞানৰ কথা তল পৰিল যেন লাগে।

কিন্তু যেতিয়া এইবোৰ উখল-মাখল নাথাকিব, তেতিয়া জনবিজ্ঞান যাত্ৰাৰ কি অৱস্থা হ'ব, সেই সম্পৰ্কে চিন্তা কৰাটো প্ৰয়োজনীয়। আমি ইয়াৰ মাত্ৰ এটা দিশ আজি আলোচনা কৰিম। বাধা, বিপদ আদি সাহসেৰে, কষ্টৰে অতিক্ৰম কৰাটো যি কোনো অভিযান বা যাত্ৰাৰ উদ্দেশ্যৰ অংশ। জনবিজ্ঞান যাত্ৰাৰ পথত যিবোৰ বাধা আছে, সেইবোৰৰ বহুখিনি সৃষ্টি হৈছে এই দেশখনৰ মানুহৰ ধৰ্ম সম্পৰ্কীয় ভুল আৰু অবৈজ্ঞানিক ধ্যান-ধাৰণাৰ পৰা। সাধাৰণতে একোখন আঁচনি প্ৰবৰ্তন কৰাৰ সময়ত ভবা হয়,—এতিয়ালৈকে যি হ'ল হ'ল, এতিয়াৰ পৰা এই আঁচনিৰ অধীনত যেন এটা পৰিবৰ্তন হয়। জনবিজ্ঞান যাত্ৰাৰ বেলিকাও এটা কথা হয়তো ভাবিব পাৰিঃ বয়সীয়াসকলৰ মানসিকতাই যি গঢ় ললে ললে, এতিয়া অন্ততঃ উঠি অহাসকলৰ মানসিকতাক বিজ্ঞানসুলভ কৰাৰ চেষ্টা কৰা হওক। ধৰি লওক এনেকৈয়ে ভবা হ'ল, আৰু উঠি অহাসকলৰ ওপৰতে মনোনিবেশ কৰা হ'ল। এওঁলোকৰ ভিতৰতো বিদ্যালয়ৰ তল শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ কথা ভবা হ'ল। এই বয়সৰ ল'ৰা-ছোৱালীৰ উৎসুক্য আৰু মনৰ বৈচিত্ৰ্যৰ বৰ্ণনা এই মুহূৰ্তত নিষ্প্ৰয়োজন। অইন এক কাৰ্যক্ষেত্ৰত এওঁলোকৰ বহু প্ৰশ্নৰ সন্মুখীন হৈছোঁ। এওঁলোকে ভুত-প্ৰেতৰ কথা চিন্তা কৰে, কিন্তু ভূত সঁচাকৈ আছে নে বুলি প্ৰশ্নও কৰে। মানুহৰ চকু কিয় লৰে, তাৰ বৈজ্ঞানিক উত্তৰ বিচাৰে, লগতে চকু লৰাৰ লগত মংগল-অমংগলৰ কিবা সম্পৰ্ক আছেনে সেই প্ৰশ্নও কৰে। এইবোৰ প্ৰশ্নৰ মাজত সোমাই থাকিলে ধাৰণা হয়,—এয়েই বয়স; এই বয়সতে এওঁলোকৰ চিন্তাৰ লগত বিজ্ঞানৰ সম্পৰ্ক ঘটোৱা উচিত। কিন্তু এওঁলোকৰ বহুতৰে প্ৰশ্নঃ ৰাৱণৰ সঁচাকৈয়ে দহটা মূৰ আছিল নে? দুৰ্গাৰ দহখন হাত? হনুমান সঁচাকৈয়ে উৰি গৈছিল নে? মহাভাৰতৰ কথাবোৰ সঁচা নে গল্প?

এইবোৰ প্ৰশ্নৰ কোনটো উত্তৰে জনসাধাৰণ আৰু বিজ্ঞান দুয়োকে সন্তুষ্ট কৰিব, ভাবি উলিয়াবলৈ টান। ধৰ্মৰ ওচৰে-পাজৰে থকা কথা সম্পৰ্কেও আমাৰ বহু মানুহ মৰ্মান্তিকভাৱে অনুভৱনশীল (sensitive) আৰু অসহিষ্ণু। দুৰ্গা গোঁসানীয়ে দহখন হাত থকা চোলাটো কেনেকৈ পিন্ধে, গণেশে পানী লাগিলে (নাকটো দীঘল কাৰণে) কি কৰে, এইবোৰ প্ৰশ্নৰে এজনে এটা ধেমেলীয়া পদ্য লিখিছিল; পদ্যটো প্ৰকাশ হোৱাৰ পাছত আমাৰ দেৱ-দেৱীসকলক তুচ্ছ-তাচ্ছিল্য কৰা হৈছে বুলি লিখা যিখন চিঠি পালো, পঢ়ি স্তব্ধ হৈ গলো (আনহাতে স্তব্ধ হ'বলগীয়া হৈছে ৰাজস্থানৰ সতীপ্ৰথাৰ সপক্ষে সমবেত হোৱা নেতৃস্থানীয় মানুহবোৰ দেখি।)

গতিকে, শিশুইতৰ সেইবোৰ প্ৰশ্নৰ সন্তোষজনক উত্তৰ সমাজৰ সহায়-সহযোগ নহ'লে দিব নোৱাৰি।

শিশুৱে মাকক সোধে, ভাইটিটো ক'ৰপৰা আহিল? মাকে কয় —হস্পিটেলৰপৰা। ঈশ্বৰ ক'ত থাকে? সৌ ডাৱৰৰ ওপৰত থাকে। শিশুৱে ডাঙৰ হৈ সম্পূৰ্ণ শুদ্ধকৈ বুজি পায়,—ভাইটিটো আচলতে ক'ৰপৰা আহিছিল। কিন্তু মাক-দেউতাক বয়স গৈ থকাৰ লগে-লগে ঈশ্বৰ ক'ত থাকে সেই সম্পৰ্কে বেছি বিভ্ৰান্ত হৈ গৈ থাকে; কিন্তু ঈশ্বৰৰ বেছি কাষ চাপিছোঁ বুলি ভাবি থাকে। বিজ্ঞানৰ সত্য আৰু বিশ্বাসৰ এইটো এটা আমোদজনক পাৰ্থক্যসূচক উদাহৰণ। এই পৰিবেশতে জনবিজ্ঞান যাত্ৰীসকল সোমাবহি লাগিব। গতিকে দেখা যায়, বয়সীয়াসকলৰ মানসিকতাই যি গঢ় ললে ললে বুলি যে তেওঁলোকক যাত্ৰাপথৰ পৰা বাদ দিয়াৰ কথা এটা অলপ আগতে কোৱা হৈছিল, সেইটো কৰিব পৰা নাযাব। এই যাত্ৰাই সকলোকে চুব লাগিব।

আনহাতে. দেশখনত এটা কথা ওলাই আছে,—স্কুল-কলেজৰ শিক্ষাৰ লগত নীতি-শিক্ষাৰ ব্যৱস্থা কৰিব লাগে; নৈতিকতাৰ স্খলনৰ বাবেই সমাজত দুৰ্যোগৰ সৃষ্টি হৈছে। কিন্তু চিন্তাৰ কথা হৈছে, নীতি-শিক্ষা বুলিলেই এচাম মানুহে ধৰ্মপুথিৰ অলৌকিক চৰিত্ৰৰ গল্প কেইটমান পাঠ্যপুথিত থকাটোকে বুজে।

এনে অৱস্থাত এটা কথা পৰিষ্কাৰঃ জনবিজ্ঞান যাত্ৰাৰ বৰ্তমানৰ কাৰ্যসূচীৰ যুক্তিযুক্ততা আছে; কিন্তু ঘোষিত উদ্দেশ্য পূৰণ কৰিবলৈ হ'লে ই এটা বছৰেকীয়া ঘটনা হৈ থাকিব নালাগিব। ই অহৰ্নিশে চলি থকা এটা শক্তিশালী প্ৰক্ৰিয়া হ'ব লাগিব, আৰু এই প্ৰক্ৰিয়াই ঘৰে-বাহিৰে ব্যাপ্ত হৈ থকা তথাকথিত ধৰ্মকৰ্মৰ অবৈজ্ঞানিক অংশটোৰ সাৰধান ল'ব লাগিব।

১২।১০।৮৭





OKDISCO